
# পাতিদৰং মহাবিদ্যালয় আলোচনী

**ত্ৰয়োবিংশতিতম বৰ্ষ**

দ্বি-বিংশতিতম সংখ্যা





তত্ত্বাৱধায়িকা
শ্ৰীমিনাক্ষী শৰ্মা

সম্পাদিকা
শ্ৰীদীপ্তি ডেকা

## সম্পাদনা সমিতি



## ছাত্র একতা সভা- ২০১১-১২ বর্ষ



# পাতিদৰং মহাবিদ্যালয় আলোচনী

## ত্ৰয়োবিংশতিম বৰ্ষ

### দ্বি-বিংশতিতম সংখ্যা

প্ৰতি,

মাননীয়/মাননীয়া..........................................................

..........................................................................লৈ

ধন্যবাদেৰে—
সম্পাদিকা

*তত্বাৱধায়িকা*
**শ্ৰীমিনাক্ষী শৰ্মা**

*সম্পাদিকা*
**শ্ৰীদীপ্তি ডেকা**

পাতিদৰং মহাবিদ্যালয় আলোচনী

বছৰেকীয়া প্ৰকাশ

ইং ২০১১-১২ বৰ্ষ

প্ৰকাশক

ছাত্ৰ একতা সভা

পাতিদৰং মহাবিদ্যালয়

**সম্পাদনা সমিতি**

উপদেষ্টা ঃ শ্ৰীগিৰিধৰ শৰ্মা, ভাৰপ্ৰাপ্ত অ

তত্বাৱধায়িকা ঃ শ্ৰীমিনাক্ষী শৰ্মা

সম্পাদিকা ঃ শ্ৰীদীপ্তি ডেকা

সদস্য ঃ শ্ৰীতপন কুমাৰ শৰ্মা

শ্ৰীদুলাল শৰ্মা

মহঃ ৰিয়াজুদ্দিন আহমেদ

মহঃ বাহাৰুল ইছলাম

বেটুপাত পৰিকল্পনা আৰু

অংগসজ্জা ঃ শ্ৰীদুলাল শৰ্মা

বেটুপাতৰ প্ৰচ্ছদ পট ঃ মহঃ ৰিয়াজুদ্দিন আহমে

মুদ্ৰণ ঃ হাই-প্ৰিণ্ট অফছেট

বাইহাটা চাৰিআলি

মঙ্গলদৈ পথ

কামৰূপ (অসম)

কৃতজ্ঞতা

সমূহ লেখক-লেখিকা, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু হাই-প্ৰিণ্ট অফছেটৰ স্বত্বাধিকাৰী লগতে সমূহ কৰ্মচাৰীলৈ কৃতজ্ঞতা জনালোঁ।

**ক্ষমা প্ৰাৰ্থনা**


অজানিতে কোনো লেখনি পুনৰ প্ৰকাশ হলে সম্পাদনা সমিতি দায়ী নহয়।

# শ্ৰদ্ধাঞ্জলি

প্ৰজ্ঞাৰতী মহিয়সী নাৰী জ্ঞানপীঠ বঁটা বিজয়ী ড° মামণি ৰয়ছম গোস্বামী,
সুগন্ধি পখিলাৰ কবি শব্দ পুৰুষ হীৰেণ ভট্টাচাৰ্য্য, বিশিষ্ট বৈষ্ণৱ পণ্ডিত শঙ্কৰদেৱ
টাপ্ৰাপক সোণাৰাম চুতীয়া, কবি বিৰিঞ্চি ভট্টাচাৰ্য্য, 'নাম নাই' নাম আছে'ৰ সম্পাদক
মেজৰ সত্যব্ৰত লহকৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য,
পাতিদৰং মহাবিদ্যালয় পৰিচালনা সমিতিৰ অন্যতম সদস্য
মোহন চন্দ্ৰ ডেকাদেৱ, জাতীয়তাবাদৰ অন্যতম প্ৰবক্তা ড° দেৱপ্ৰসাদ বৰুৱা,
সু-সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য্য, সাংবাদিক ৰমেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা, চাৰুকলা
আৰু ভাস্কৰ্য্য শিল্পৰ শিৰোমণি
শোভা ব্ৰহ্ম, দৰদী গায়ক
গীতিকাৰ চাৰু গোঁহাই,
জনপ্ৰিয় গায়িকা মিতালী চৌধুৰী,
প্ৰবীন সুকণ্ঠী শিল্পী তুলিকা সেনাপতি,
নাগাৰা নামৰ পাঠক মহেন্দ্ৰ দাস আৰু জ্ঞাত-অজ্ঞাত
সমাজকৰ্মী, শিল্পী সাহিত্যিক, অসমৰ জাতিগত আৰু গোষ্ঠীগত সংঘৰ্ষত নিহত নিৰীহ
ব্যক্তিসকলৰ লগতে যিসকলে নিৰৱচ্ছিন্নভাৱে লাগি সমাজৰ উন্নতিৰ
লগতে অসমীয়া সাহিত্য সংস্কৃতিলৈ অনবদ্য বৰঙণিৰে ভঁড়াল চহকী কৰি থৈ গৈছে
সেইসকলৰ পবিত্ৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি নিবেদিলোঁ।

—সম্পাদনা সমিতি

## কৰ্মৰত অৱস্থা



পাতিদৰং মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মা

# পাতিদৰং মহাবিদ্যালয় আলোচনীৰ পাত লুটিয়ালে


| | |
|---|---|
| অধ্যক্ষৰ একলম— | |
| সম্পাদকীয়— | |
| তত্বাৱধায়িকাৰ একলম— | |
| সাক্ষাৎকাৰ— | |
| বিষ্ণুৰাভাৰ গীতত প্ৰেমৰ মিলন আৰু বিৰহৰ চিত্ৰ | শ্ৰীতপন কুমাৰ শৰ্মা |
| আদিকাব্য ৰামায়ণ | শ্ৰীৰাতুল ডেকা |
| ভক্ত গুৰু ইলাৰাম দাস | ৰাতুল ৰাজবংশী |
| অন্তিম সময় | জোনালী ডেকা |
| বন্ধুত্ব | মহঃ ৰিয়াজুদ্দিন আহমেদ (ৰিয়াজ) |
| যৌতুক | মহঃ ফইজুৰ হক |
| এয়াই জীৱণ নেকি? | শ্ৰীঅৰূপ ডেকা |
| প্ৰতিজ্ঞা | দীপ্তি ডেকা |
| এন্ধাৰৰ মাজত জোনাক | শ্ৰীগিতিমা ডেকা |
| কষ্ট কৰিলে ফল পায় | শ্ৰীৰাজু ডেকা |
| বিচাৰিলে সকলোবোৰ পোৱাহেঁতেন দুখ জানো থাকিলহেঁতেন জীৱনত? | মনোজ ডেকা |
| Prof. A. P. J. Abdul Kalam | Manoj Deka |
| সেউজীয়া বননিৰ অসমী আই | প্ৰদীপ ডেকা |
| এৰি অহা আবেলি | উজ্বল ৰাজবংশী |
| সপোনৰ শেষ স্মৃতি | স্নেহা বৰুৱা |
| ড° ভূপেন হাজৰিকা | ৰেছমা বেগম |
| জীৱনৰ ছন্দ | সংগীতা বৰুৱা |
| নিষ্ঠুৰ দিন | দেৱজিৎ নাথ |
| অবিস্মৰণীয় | উৎপল কাকতি |
| চেনাই | হেলেনা দাস |
| প্ৰিয়জনৰ স'তে | নন্দিতা ডেকা (জোন) |
| বিৰহৰ বেলাত | হেলেনা বেগম |

| | | |
|---|---|---|
| কি এই যৌৱন | মঃ ৰিয়াজুদ্দিন আহমেদ | ৩৪ |
| স্বপ্ন দুচকুত | অনামিকা দাস | ৩৪ |
| মৌ | ৰাতুল ৰাজবংশী | ৩৪ |
| কি এই যৌৱন | মঃ ৰিয়াজুদ্দিন আহমেদ | ৩৫ |
| পম্পিয়াৰ আগ্নেয় গিৰি | দীপজ্যোতি দাস | ৩৫ |
| বলিয়া বতাহ | মিছ্ নুৰিমা বেগম | ৩৬ |
| এন্ধাৰ, মই আৰু আৱেগ | ভনিমা কলিতা | ৩৬ |
| অভাৱ | গীতিমা দাস | ৩৭ |
| প্ৰকৃত মানুহ | ভবিতা কলিতা | ৩৭ |
| আকাশ | জুৰি ডেকা | ৩৭ |
| সপোন | নিভা কলিতা | ৩৮ |
| প্ৰতিদান | সংগীতা ডেকা | ৩৮ |
| মোৰ সপোন | ৰেখাৰাণী ডেকা | ৩৯ |
| প্ৰেতাত্মা | বৰ্ণালী ডেকা (মাইনা) | ৩৯ |
| মৃত্যু | দীপ্তি ডেকা | ৩৯ |
| বহাগৰ নতুন পোছাক | জোনালী ডেকা (জোন) | ৪০ |
| অসীম কল্পনা | দিপিকা ডেকা | ৪০ |
| মা | লভিতা দাস | ৪১ |
| আবিয়ৈ ছোৱালীৰ বুকুত কইনা হোৱাৰ সপোন | ৰঞ্জিয়া বণিয়া | ৪১ |
| বন্ধুত্ব | ৰাজা আহমেদ | ৪২ |
| মাতৃৰ করুণ বিননি | নয়ন গোস্বামী | ৪২ |
| তোমালৈ বুলি | লিনা দাস | ৪৩ |
| মোৰ সপোনবোৰ | ৰূপজ্যোতি গোস্বামী | ৪৩ |
| প্ৰেমিক চৰাই | ৰুমি ডেকা | ৪৫ |
| অনুভৱ | ৰেছমা তালুকদাৰ | ৪৫ |
| প্ৰত্যাহ্বান | দীপ্তি দাস | ৪৫ |
| স্তব্ধ | পম্পী দেৱী | ৪৬ |
| আকাংশা | অনুপজ্যোতি ডেকা | ৪৬ |
| প্ৰতিবেদন— | | ৪৭ |

# অধ্যক্ষৰ একলম—





২০০৫ চনৰ চেপ্তেম্বৰ মাহত ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব ভা
এক গধুৰ বোজা বুলি ভাবিছিলোঁ। কিন্তু ছাত্ৰ একতা সভা, ছাত্ৰ
আৰু শিক্ষক-কৰ্মচাৰীৰ অকুণ্ঠ সহযোগে মোৰ বোজা সদায়েই
কৰি ৰাখিছে।

আলোচনী বিভাগৰ সম্পাদিকা শ্ৰীদিপ্তী ডেকাৰ তত্বাৱ
হিচাবে শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা শ্ৰীমিনাক্ষী শৰ্মাক আ
উলিওৱাৰ দায়িত্ব দিয়া হয়। সম্পাদিকাৰ শাৰিৰীক অসুস্থতাৰ হে
আলোচনী প্ৰকাশত যথেষ্ট কষ্ট স্বীকাৰ কৰা কাৰণে শ্ৰীমিনাক্ষী
শ্ৰীতপন কুমাৰ শৰ্মা আৰু অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক শ্ৰী
শৰ্মাক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য মাননীয় মোহন
ডেকা দেৱৰ মৃত্যুত আমি মহাবিদ্যালয় পৰিয়ালে গভীৰ শোক
কৰিছোঁ। তেখেতৰ আত্মাৰ চিৰশান্তি সদায়েই কামনা কৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ লগত জড়িত সকলো
জ্ঞানী ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰি মোৰ অধ্যক্ষৰ ক
দুআষাৰ সমাপ্ত কৰিলোঁ।

জয়তু পাতিদৰং মহাবিদ্যালয়

গিৰিধৰ

১৬/৯/২

# ম্পাদকীয়—



প্ৰতিবেদনৰ প্ৰাকমুহূৰ্তত মই পাতিদৰং মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৰী, সহকৰ্মী আৰু লগতে শিক্ষাগুৰু সকললৈ ভক্তিভৰা সেৱাৰ শৰাই যাচিলো।

যিসকল মহান ব্যক্তিৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলত পাতিদৰং মহাবিদ্যালয়খনৰ জন্ম হ'ল সেইসকল মহান ব্যক্তিলৈ মই শ্ৰদ্ধা নিবেদন কৰিলো।

২০১১-২০১২ বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আলোচনী বিভাগৰ সম্পাদিকাৰ পদত প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ বাবে যি সুযোগ সুবিধা দিলে তাৰ কাৰণে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৰী সকললৈ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিলো।

সম্পাদিকা কাৰ্যভাৰ হাতত লোৱাৰ পিছত মহাবিদ্যালয়ত খেল সপ্তাহ আৰম্ভ হয়। ইয়াৰ লগত সংগতি ৰাখি আলোচনী বিভাগৰ সম্পাদিকাৰ দ্বাৰা মুঠ ছয়টা শিতানত প্ৰতিয়োগিতা আয়োজন কৰা হয়। এই প্ৰতিযোগিতাত বিভিন্ন ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি পুৰস্কৃত হৈছে।



মহাবিদ্যালয়ৰ মূল প্ৰাচীৰ-প্ৰত্ৰিকাখন উন্নত কৰি প্ৰকাশ কৰাৰ মানস কৰা হৈছে। আলোচনী এখন প্ৰকাশ কৰাৰ অভিজ্ঞতা মোৰ মুঠেই নাছিল। আলোচনীখনৰ সম্পাদিকাৰ কাম আৰম্ভ কৰিয়েই কিংকৰ্তব্য বিমূঢ় হৈ পৰিছিলো। কথাবোৰ ভবাৰ দৰে সম্ভৱ নহয়। মোৰ বিভাগীয় তত্বাৱধায়িকা মিনাক্ষী শৰ্মা বাইদেউ ওচৰত মই কৃতজ্ঞ হৈ ৰলো।

পাতিদৰং মহাবিদ্যালয়ত পঢ়ি আলোচনী বিভাগত সম্পাদিকা হৈ মোৰ বহুত অভিজ্ঞতা সঞ্চিত হ'ল।

সদৌ শেষত মহাবিদ্যালয়ৰ বিভিন্ন দিশত মহান তথা দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰু, সহকৰ্মী তথা বন্ধু-বান্ধৱীসকল ক্ৰমে ৰেচমা, সংগীতা, ৰুমী, সংগীতা বৰুৱা, ৰিয়াজুদ্দিন, ৰেকিবুদ্দিন, ৰাতুল, গুণিন্দ্ৰ তপন, ৰীতা, দেৱজিৎ, পৰাগ এই সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। লগতে প্ৰতিবেদনৰ সামৰণি মাৰিছো আৰু কেতিয়াবা অজান্তি কৰা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

জয়তু পাতিদৰং মহাবিদ্যালয়
জয় আই অসম

শ্ৰীদীপ্তি ডেকা
সম্পাদিকা

# তত্ত্বাৱধায়িকাৰ একলম—

জয় জয়তে জন্মলগ্নৰে পৰা আজিৰ এই সময়লৈকে পাতিদৰং মহাবিদ্যালয়ৰ বিকাশত মহানুভৱ ব্যক্তিয়ে অমূল্য অৰিহণা যোগালে তেখেতসকলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ। জন কৈছিল— প্ৰকৃততে সৃষ্টিৰ নিপুণতা কেতিয়াও আকস্মিক ঘটনা নহয়, প্ৰতিটো উচ্চমান সম্প সৃষ্টিৰ থাকে বুদ্ধিদীপ্ত প্ৰচেষ্টা আৰু প্ৰৱল ইচ্ছা শক্তি। এই কথাষাৰে প্ৰমাণ কৰি আহিছে কিছুমান মনীষিয়ে যাৰ কৰ্মতৎপৰতাত গঢ় লৈ উঠিছিল পাতিদৰং মহাবিদ্যালয়। যাৰ ফলত মই আজি অধ্যাপিকা হবলৈ পাই গৌৰৱ অনুভৱ কৰিছোঁ।

২০১১-১২ বৰ্ষৰ আলোচনীখন তত্ত্বাৱধায়িকাৰ গুৰু দায়িত্বভাৰ অধ্যক্ষ চাৰে মোৰ হাতত কৰে। কোনো এখন অনুষ্ঠানৰ আলোচনীখন সেই অনুষ্ঠানখনৰ প্ৰতিচ্ছবি বুলি গণ্য কৰা হয়। কাৰ আলোচনীখনত সেই শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ মনৰ ভাৱ প্ৰকাশ পায় তেওঁলোকৰ দ্বাৰা লিখি প্ৰবন্ধ, কবিতা আৰু নানা ধৰণৰ লিখনিৰ দ্বাৰা। গতানুগতিক শিক্ষাৰ বাহিৰেও আলোচনীখনৰ জ ল'ৰা-ছোৱালীয়ে নিজৰ কিছুমান সুপ্ত প্ৰতিভা প্ৰকাশ কৰাৰ সুবিধা পায়। আলোচনীখনও ল'ৰা-ছো আজৰি সময়ৰ সদব্যৱহাৰ কৰিব সুবিধা দিয়ে। আজিৰ সমাজৰ সকলো কুসংস্কাৰ, কুপ্ৰথা অপৰাধ প্ কৈশোৰ কালত দেখা দিয়া বিভিন্ন সমস্যাসমূহৰ প্ৰধান কাৰণ হৈছে আজৰি সময়ৰ সঠিক সদ নোহোৱাতো। আমি শিক্ষকসকল একগোট হৈ এইবোৰৰ বিপক্ষে থিয় হব লাগিব আৰু ল'ৰা- সকলক ব্যস্ত কৰিব লাগিব সহঃ পাঠ্যক্ৰম সূচীত অংশগ্ৰহণ কৰিবলৈ। একো একোটা সাহিত্যিক সমাজৰ প্ৰগতিত ইন্ধন যোগাব পাৰে আৰু এই মনটো গঢ়াৰ প্ৰথম স্থান হ'ল শিক্ষানুষ্ঠানৰ আলোচ

অৰ্থনৈতিকভাৱে পিছপৰা হলেও কলেজৰ আলোচনীখন উলিয়াৰ ক্ষেত্ৰত কোনোদিনে চাৰে কৃপনালি কৰা নাই। যিসকলে গল্প, কবিতা, প্ৰবন্ধ আদি বিভিন্ন লিখনি আগবঢ়াই আলোচ সৌষ্ঠৱ বৃদ্ধি কৰিলে তেখেতসকলক মই আন্তৰিকতাৰে অভিনন্দন জনালো আৰু তেওঁলোকৰ ভৱিষ্যত কামনা কৰিলো।

সদৌ শেষত আলোচনীখনে পূৰ্ণাংগ ৰূপ পোৱাত জ্ঞাত-অজ্ঞাতে সহায়-সহযোগিতা আগ সমূহ কৰ্মকৰ্তাকে মোৰ ধন্যবাদ জ্ঞাপন কৰিলো।

আলোচনীখন ছপা কৰাত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰ বিচাৰিছো। আমাৰ মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল হওক, সৰ্বাংগীন বিকাশ হওঁক তাৰেই কামনা ক

মিনাক্ষ
তত্ত্বাৱ

হাবিদ্যালয়ৰ সহঃ সম্পাদক ৰিয়াজুদ্দিন আহমেদ আৰু আলোচনী বিভাগৰ সম্পাদিকা দ্বিপ্তী ডেকাৰ সৈতে

# মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মাৰ সাক্ষাৎকাৰ

। ছাৰ, আপুনি কৰ্মসূত্ৰে আমাৰ মহাবিদ্যালয়ত কেতিয়া আহে আৰু আৰম্ভণীৰে পৰা বৰ্তমানলৈ আপোনাৰ অনুভৱ কেনেকুৱা?

ধ্যক্ষ ঃ ১৯৯৩ চনৰ আগষ্ট মাহত মই পাতিদৰং মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰো। ছাত্ৰ-ছাত্ৰী আৰু সহকৰ্মীবৃন্দকলৈ প্ৰথম দিনৰ পৰা আজিলৈকে খুব সুখী অনুভৱ কৰি আহিছো।

। অতীতৰ পাতিদৰং মহাবিদ্যালয় আৰু বৰ্তমান পাতিদৰং মহাবিদ্যালয়ৰ মাজত পাৰ্থক্য আপুনি কেনে বুলি ভাৱে?

ধ্যক্ষ ঃ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত আত্মীয়তা থকা বুলি অনুভৱ কৰো।

। ছাৰ, আপুনি অধ্যক্ষৰ পদত যেতিয়াৰ পৰা দায়িত্ব গ্ৰহণ কৰিছে, কেতিয়াবা আপুনি কলেজখনত অকলশৰীয়া অনুভৱ কৰিছে নেকি?

ধ্যক্ষ ঃ কৰা নাই। মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা মহাবিদ্যালয়খন চলাই নিয়াত যথেষ্ট সহায় পাইছো।

। ছাৰ, বিভিন্ন সময়ত আপুনি বিতৰ্কৰ মাজত সোমাই পৰা শুনিছো? সচাঁকৈয়ে আপুনি বিতৰ্কিত নেকি? নে কোনোবাই আপোনাক ষড়যন্ত্ৰমূলক ভাৱে সোমাই বিতৰ্কিত কৰিছে?

ধ্যক্ষ ঃ অপ্ৰাদেশীকৃত মহাবিদ্যালয় এখন চলাই নিয়াতো স্বাভাৱিকতে এক জটিল প্ৰক্ৰিয়া। গতিকে তেনেকুৱা এক জটিল প্ৰক্ৰিয়াক কোনোবাই হয়তো নিজস্ব চিন্তাধাৰাৰে বিতৰ্কিত নামেৰে নামাকৰণ কৰিছো। ষড়যন্ত্ৰ বুলি মই নাভাবো।

। আমি দেখাত মহাবিদ্যালয়ৰ উন্নয়ণৰ দিশটো খুব লেহেমীয়া বিভিন্ন সময়ত বিভিন্নজনে এই দিশটোৰ ফালে চাই এটা কথা কয়, অধ্যক্ষৰ দুৰ্নীতিৰ বাবে এনে অৱস্থা? সচাঁকৈয়ে আপুনি এজন দুৰ্নীতিগ্ৰস্থ অধ্যক্ষ নেকি?

ধ্যক্ষ ঃ ২০০৫ চনত চেপ্তেম্বৰ মাহত ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বভাৰ লৈ ৯০ ফুট দীঘল ৩২ ফুট বহলৰ সৰ্বমুঠ ২৮৮০ বৰ্গফুটৰ এটা ভৱনত মই পাতিদৰং মহাবিদ্যালয়খন চলাবলগীয়া হৈছিল। Class Room আছিল দুটা, তাৰ মাজত তৰ্জাদি আৰু পিছফালে ৫৮ ফুট দীঘল আৰু ৯ ফুট বহলৰ এখন বাৰাণ্ডা দি তৰ্জাৰ বেৰ দি Major Class বোৰ চলাবলগীয়া হৈছিল। ২৫ দীঘল আৰু ৩২ বহলৰ ৰুম এটাত Principal, College Office Library, Teacher Common Room হিচাপে ব্যৱহাৰ কৰিছিলো।

১৯৮৯ চনত প্ৰতিষ্ঠা হোৱা পাতিদৰং মহাবিদ্যালয়ৰ ২০০৫ চনলৈ থকা ২৭০ ফুট ৰুমৰ ১৮০ ফুট পাতিদৰং (কণিষ্ঠ) মহাবিদ্যালয়ে Class কৰে। আৰু ৯০ ফুটত মই এখন Degree College চলাবলগীয়া হৈছিল। প্ৰতিষ্ঠাৰ ১৬ বছৰ পিছত এনেকুৱা এখন মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ ভাৰলৈ

স্বাভাৱিকতে হতাশ আৰু ভাগৰুৱা অনুভৱ কৰিছিলো। অৰ্থনৈতিকভাৱে সম্পূৰ্ণৰূপে ভগ্নস্তুপত প
এক মহাবিদ্যালয়।

২০০৫ চনতে Room বনোৱাৰ কাম হাততলৈ ২০০৬ চনত Coridor সহ ৫৫ ফুট দৈৰ্ঘ্যৰ
৩২ ফুট বহলৰ সৰ্বমুঠ ১৭৬০ বৰ্গফুটৰ ভৱনৰ কাম শেষ কৰা হয়।

২০০৭ চনত পুনৰ ৫৩ ফুট দৈৰ্ঘ্যৰি আৰু ৩২ ফুট বহলৰ ভৱনৰ সৰ্বমুঠ ১৬৯৬ বৰ্গফুটৰ
আৰম্ভ কৰি ২০০৮ চনত তাৰ কাম শেষ কৰা হয়।

২০০৯ চনৰ ৫০ ফুট দৈৰ্ঘ্যৰ আৰু ৩২ ফুট বহলৰ সৰ্বমুঠ ১৬০০ বৰ্গফুটৰ কাম আৰম্ভ
২০১০ চনৰ আৰম্ভণীতে তাৰ কাম শেষ কৰা হয়।

২০১০ চনতে ৭৩ ফুট দীঘল আৰু ৩৮ ফুট বহলৰ সৰ্বমুঠ ২৭৭৮ বৰ্গফুটৰ ভৱনৰ কাম 
কৰি ২০১২ চনত তাৰ কাম শেষ কৰা হয়।

বৰ্তমান পাতিদৰং মহাবিদ্যালয়ৰ ভৱনৰ মুঠ কলেবৰ ১০,৭১০ বৰ্গফুট। ২০০৫ চনৰ চে
মাহত মই ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব ভাৰলৈ পাতিদৰং মহাবিদ্যালয়ৰ ভৱন পাইছিলো ২৮৮০ বৰ্
২০০৫ চনৰ চেপ্তেম্বৰ মাহৰ পৰা আজিৰ তাৰিখলৈ মোৰ অধ্যক্ষৰ কাৰ্য্যকালত বনোৱা Room ৰ ক
হৈছে ৭৮৩০ বৰ্গফুট। উক্ত ভৱন নিৰ্মাণৰ কামত Student Admission Fees, M.L.A. ফাণ্ড
বিহদিয়া জাজিকোনা ব্লকৰ পৰা পোৱা ৭৫,০০০ ( পয়ঁসত্তৰ হাজাৰ) টকা আৰু মহাবিদ্যালয়ৰ উন্ন
জমা ধনৰ পৰা খৰচ কৰা হয়।

২০১৩ চনত ৫,০০,০০০ (পাঁচ লাখ) টকা খৰছ কৰি ৬৩ K.V. ৰ Transformar সংলগ্ন
মহাবিদ্যালয়ৰ ভৱনৰ কাষতেই বহুওৱা হৈছে।

গতিকে উক্ত উন্নয়ণে নিশ্চয়কৈ লেহেমীয়া আৰু দুৰ্নীতিৰ প্ৰশ্নটো আঁতৰ কৰি থব বুলি মোৰ বি

৬। ছাৰ, আপুনি বহি থকা চকীখনৰ প্ৰতি কাৰোবাৰ মোহ থকা বুলি ভাৱে নেকি?

অধ্যক্ষ ঃ থাকিব পাৰে। উচ্চ আসনৰ প্ৰতি মোহ থকাটো একো অস্বাভাৱিক নহয়।

৭। আপুনি জীৱনত কেতিয়াবা দুখ অনুভৱ কৰি পাইছেনে?

অধ্যক্ষ ঃ সুখ আৰু দুখই যিহেতু মানুহৰ জীৱন। গতিকে নিশ্চয়কৈ কেতিয়াবা দুখ অনুভৱ কৰিছো।
সুখতকৈ দুখৰ পৰিমাণ তেনেই নগণ্য।

৮। আপোনাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াৰ সূত্ৰ কেনেদৰে দিব বিছাৰে?

অধ্যক্ষ ঃ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে “সময়ক” অত্যাধিক শ্ৰদ্ধা ভক্তি কৰাটো বিছাৰিম। যিহেতু জীৱন মা
আন একো নহয়; কেৱল মাত্ৰ সময়ৰ সমষ্টিহে। নিজকে বেচি আন্দোলন মুখী নহবলৈ অনু
জনালো। ভাৰতীয় আৰু অসম প্ৰশাসনিক বিষয়া হোৱাটো কামনা কৰিম। কাৰণ ইয়াৰ অভ
হেতুকে বিভিন্ন চুক্তি ৰূপায়ণৰ কাৰণে আন্দোলন কৰি থাকিবলগীয়া হৈছে।

৯। ছাৰ, ভৱিষ্যতে মহাবিদ্যালয়ৰ উন্নতিৰ হকে আপোনাৰ হাতত পদক্ষেপ কেনেকুৱা?

অধ্যক্ষ ঃ উন্নত সামাজিক সাংস্কৃতিক পৰিবেশৰ লগতে যিকোনো ৰাজনীতিৰ পৰা আতৰত ৰাখি শুদ্ধ 
দানৰ পদক্ষেপ আছে।

১০। কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ ওপৰত আপোনাৰ অনুভৱ কেনেকুৱা?

অধ্যক্ষ ঃ খুব শ্ৰদ্ধাশীল, মৰমীয়াল তথা ভদ্ৰ আচৰণৰ। কিন্তু ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মাজত আত্মী
বঢ়াব লাগিব।

---

# বিষ্ণুৰাভাৰ গীতত প্ৰেমৰ মিলন আৰু বিৰহৰ চিত্ৰ

শ্ৰীতপন কুমাৰ শৰ্মা
*সহঃ অধ্যাপক, অসমীয়া বিভাগ*

ৰাভা আৰু প্ৰেম ঃ

যৌৱন জীৱনৰ অনাহুত অতিথি, জীৱনৰ াতলী, পিৰিতি যৌৱনৰ সাদৰী লগৰী। সেইবাবে জন মানুহৰে যৌৱন কালত হৃদয়ত গভীৰতম ত বিপৰীত লিঙ্গৰ প্ৰতি কিছু পৰিমানে হ'লেও ৰ ভাৱনাই ঠাই পায়। বিষ্ণুৰাভাও ঠিক তেনেকুৱা তিৰে এজন ব্যক্তি। তেওঁ দেখাত আছিল ওখ- সুন্দৰ, সুঠাম তথা এক সু-স্বাস্থ্যৰ অধিকাৰী ত এক প্ৰণয়সুলভ মনৰো অধিকাৰী। গতিকে আন াৰ জনৰ জীৱনলৈ অহাৰ দৰে বিষ্ণুৰাভাৰ নলৈও প্ৰেমৰ দুকুল ওপচা বান আহিছিল। প্ৰেমৰ বান তেওঁৰ জীৱনলৈ একাধিক বান আহিছিল। ানে তেওঁৰ মনৰ সেউজ পথাৰ কেতিয়াবা ধ্বংস গৈছিলআৰু কেতিয়াবা পথাৰ বুৰাই নেপেলাই থৈ গৈছিল প্ৰচুৰ পলম।

ভূপেন হাজৰিকাই লিখিছে "বিষ্ণুৰাভাই ৰ এজনী ছোৱালীৰ প্ৰেমত পৰিছিল; তেওঁ এজন প্ৰেমিকো আছিল, প্ৰেমৰ গীতো লিখিছিল, কিন্তু নী ছোৱালীৰ প্ৰেমত পৰিছিল সেইজনী ছোৱালী  নিজৰ জাতে-পাতে মিলা আন এজনৰ লগত হৈ গৈছিল। তেতিয়া তেওঁৰ ভীষণ খং উঠিছিল। ং ভাবিলে নিজে বড়ো মানুহ বুলিয়েই ছোৱালীজনীক বিয়া কৰাব নোৱাৰিলে।" ইয়াৰ দ্বাৰা বুজিব পাৰি অন্য দহ জনৰ জীৱনলৈ অহাৰ দৰে বিষ্ণুৰাভাৰ জীৱনলৈও স্বাভাৱিক ৰূপতেই প্ৰেম আহিছিল আৰু প্ৰেমিকা জনীক চিৰ জীৱনৰ লগৰী কৰি লোৱাৰ এক বাসনাই তেওঁৰ মনতো ক্ৰিয়া কৰিছিল। 'ভাল' প্ৰেমিক বুলি কওঁতে প্ৰেম সম্পৰ্কীয় সুস্থ ধাৰণা এটা বিষ্ণুৰাভাৰ আছিল যেন বোধ হয়। অশেষ চাক্ষুস দৃষ্টিত তেওঁক কেইবাজনীও নাৰীৰ প্ৰেমত পৰা দেখা যায় যদিও তেওঁৰ হৃদয়ৰ গভীৰ কোনতমে মাথো এজনী বা দুজনীয়েহে মধুৰ স্থিতি লব পাৰিছিল সেই কথা তেওঁৰ প্ৰেম মূলক গীতবোৰলৈ চালে বুজিব পৰা যায়। অৱশেষত তেওঁ লিখা বহুত গীত সময়ৰ সোঁতত হেৰাই যোৱা বুলি অনুমান কৰা হৈছে।

যাহওঁক, ৰাভাই যি কেইজনী নাৰীক বিয়া কৰাইছিল তাৰে প্ৰতিজনীৰ সতেই বিশেষকৈ প্ৰথমা পত্নী প্ৰিয়লতাৰ সতে তেওঁৰ বিয়াৰ আগতে এক সুন্দৰ সম্পৰ্ক থকা দেখা যায়। প্ৰিয়লতাৰ অকাল বিয়োগ সহ্য কৰিব নোৱাৰিয়েই তেওঁ লিখিছিল ঃ "পৰ জনমৰ শুভ লগনত"। অৱশেষত ৰাভাই প্ৰেমৰ মিলনৰ সোৱাদ তথা মিলন তৃপ্তি সুউব কমেই অনুভৱ কৰা দেখা যায়। তেওঁৰ প্ৰেমমূলক গীতবোৰত মিলনৰ চিত্ৰতকৈ প্ৰেমৰ ব্যৰ্থতাৰ চিত্ৰই যথেষ্ট বেছিকৈ চিত্ৰিত হৈছে।

**বিষ্ণুৰাভাৰ গীতত প্ৰেম ঃ মিলনৰ চিত্ৰ ঃ**

. পূৰ্বৰাগ ঃ জীৱনৰ প্ৰথম বেলাতেই তেওঁ দেখা পাইছিল প্ৰণয়ৰ সুভ্ৰৰূপ। প্ৰেম যেন জীৱনৰ কোহে-কোহে, যৌৱনৰ পাহে-পাহে, নিমাতী কন্যাৰ মৌনতাতেই যেন প্ৰণয়ৰ লক্ষণ। তেওঁ দেখিলে ধূসৰ নীলা আকাশত জাক পাতি উষা বনৰীয়া পখী জাকৰ মাজতো যেন প্ৰণয়ৰ ভাবভঙ্গী মিহলি হৈ আছে। তেওঁ বুজি উঠিলে যে প্ৰণয়েই জীৱন পোহৰ পৰে। সেইবাবে নিজৰ জীৱনো প্ৰণয়ৰ শুভ্ৰ আলোকেৰে আলোকিত কৰাৰ উদ্দেশ্যে তেৰো এদিন নিমাতী কইনাৰ আলেখ-লেখ চাই নিমাতী কইনাক সুধি পেলালে ঃ

"তুমি মোৰ হিয়া ৰাণী হৃদ আসনত
পোহৰাই আহিবানে হিয়াৰ মাজত"

তেওঁ নিমাতী কইনাক এই কথাও কবলৈ নাপাহৰিলেযে নিমাতী কইনাৰ বেথাৰে উৰলি পৰা চকুৰ নীৰৱ ভাষাতেই তেওঁৰ শত আসা গাঁঠি থোৱা আছে। প্ৰেমিকৰ মৰম সনা দৃষ্টিয়ে, প্ৰণয়ৰ উষ্ম আহ্বানে নিমাতী কইনাক বেছিদিন নিমাতী কৰি ৰাখিব নোৱাৰিলে। ৰাভায়ো

"ওঠত মাথোন ৰাণী বিহীনা
তুমি ৰাণী বিহীনা"

বুলি বেছিদিন কৈ থাকিব লাগিব। চকুত হাঁহি সানি সলাজ সলাজ ভাৱেৰে কোনোৱা এটা বসন্তৰ কোনো এটি মিঠা আবেলিত নিমাতী কইনাই তেওঁৰ আশাত, তেওঁৰ ভাষাত সহাৰি জনালে ঃ

"নিগৰি নিগৰি মনৰ বাতৰি
মুখেদি ওলাই কয়
বাগৰি বাগৰি হৃদয় বিদাৰি
অমিয়া সোৱাদ লৈ"

এইবাৰ আৰম্ভ হ'ল কপৌফুলে, তগৰ ফুলে, নাহৰফুলে, শুৱনি কৰিব নোৱাৰে প্ৰিয়াৰ ঘিলা খোপাক লৈ সীমাহীন সপোন। প্ৰেয়সীৰ খোপাত কি ফু ডিঙিত কি মনি শুৱাব তাকে লৈ তেওঁ চিন্তিত

"নাহৰ ফুলে নুশুৱায়
তাগৰ ফুলে শুৱাব
তগৰফুলে নুশুৱায়
কপৌ ফুলে শুৱাব"

ৰাভাৰ মনোৰমা প্ৰেয়সীৰ মনে খোপাটি শুৱনি কৰিবলৈ প্ৰয়োজনত হিয়াফু দিম বুলি কবলৈও পাহৰা নাই প্ৰিয়াৰ লাৱনী উপৰিও শুপৱনি ডিঙিত নাচি থকাকৈ হাৰডালিত কিমনি সুৱাব সেই বিষয়ে তেওঁ নোহোৱাকৈ থকা নাই। মন সুৱনি ডিঙিত ফুলেও নুশুৱাব পাৰে। সেই সন্দেহত তেওঁ

"মানিক ফুলে নুশুৱায়
যদি সাত সৰীতে তোৰ
হিয়া ফুল পাৰি দিন
তেজাল পোৱাল মনিবোৰ"

প্ৰেয়সীৰ কাৰণে তেওঁ অসম্ভৱকে কৰিব পাৰে। মেঘৰ বুকুফালি তেওঁ বিজু আনিব পাৰে; প্ৰেয়সীৰ বিৰিত লগাবৰ বা কুৱলীৰ জালকাটি ৰূপোৱালী জোনাক আনি সাগৰ সিঁচি বগা মানিক মনি তুলি আনি তাৰে মালা সুঠি দিব পাৰে-

"সেই মানিকৰ মালা গুঠিম
সেই পদুমীৰ কেৰু গঢ়িম
কেৰু মালা পিন্ধিবানে?

এনেদৰে ৰাভাই প্ৰিয়তমাকলৈ ভিন্নৰঙীন সমাহাৰ পাতিছে।

সন্দেহ ঃ

নিমাতী কইনাৰ মাত উলিয়াই, প্ৰণয়

দায় কৰিলে যদিও ৰাভাৰ অন্তৰত মাজে মাজে ন্দহে ভুমুকি নমৰাকৈ থকা নাছিল। তেওঁৰ তিয়াবা সন্দেহ আহি যায় যে তেওঁৰ মনৰ সাতো ণি বাহীৰ সুৰে তেওঁৰ প্ৰেয়সীৰ কেঁচা কলিজাটি াকৈয়ে শাঁত পেলাব পাৰিছেলে নাই -

"ৰন্ধ্ৰে ৰন্ধ্ৰে তুলি সুৰ
বাজে মন বাহী মোৰ;
সেই সুৰতেই শাঁত কৰি লই
পৰিবনে হিয়া জুৰ?"

াৰ মৰমতেই তেওঁৰ হিয়াৰ ফুলনিত ফুল ফুলিল; ন্তু সেই ফুল আদৰিবলৈ তেওঁৰ প্ৰিয়াজনীয়েবা ান আগ্ৰহী? তেওঁৰ যেনিবা হঠাৎ সন্দেহৰ সীমা হোৱা হ'ল। সন্দেহৰ লুকা-ভাকুৰে আৰবা তেওঁৰ প্ৰিয়াক সুধিব খোজে -

"সাদৰে বুলোৱা হিয়াৰ বোলেৰে
সানিলোঁ যি ফুল প্ৰেমৰ ৰসেৰে
সি ফুলৰ প্ৰিয়ে, প্ৰণয় সুৰভি
হেপাহেৰে তুলি শুঙিবানে?"

নদৰে দেখা যায় ৰাভাৰ গীতত প্ৰণয়ৰ পাত্ৰীৰ পোৱাৰ প্ৰতি সন্দেহৰ চিত্ৰও দুই এঠাইত ফুটি কৈ থকা নাই।

**ন ঃ**

ওপৰত উল্লেখ কৰি অহা হৈছেই যে তেওঁ ৰ মিলনৰ অনুভূতি খুব কমেও অনুভৱ কৰিছে। ৱঁৰ গীত কবিতাৰাজি অধ্যয়ন কৰিলে দেখা যায় তেওঁ তা মিলনৰ স্পষ্ট চিত্ৰ আঁকা নাই। তেওঁৰ নাটকত তেওঁ মিলনৰ চিত্ৰ উদভাই দেখুৱাইছে। তেওঁৰ এটি গীতত নৰ সম্ভেদ এনেকুৱাকৈ দিয়া হৈছে।

"মেলানি বেলাৰ বিদায় লগন
যেতিয়া আহিব চাপি,
উছিবনে প্ৰিয়ে তেতিয়া এবাৰ
হৃদয় তোমাৰ কঁপি?"

জিৰ-জিৰকৈ বৈ থকা জুৰিটি দেখি, তেওঁৰ মনলৈ আহিল স্মৃতিৰ বকুল মালা। সেই মালা ধাৰি লিৰিকি-বিদাৰি থাকোতেই তেওঁৰ চাৎকৈ এবাৰ মনলৈ আহিল; তেওঁৰ প্ৰিয়াই তেওঁক কৈছিল-

"কঁপিছিল জোনালী কিৰণ
ওলাইছিল জোন।
ময়ো লৰি তোৰ কাষতে বহি
শুনিছিলোঁ বাঁহী।"

এটা (দীঘল) কবিতাত তেওঁ লিখিছে -

"জোৰেৰে বলেৰে সেই লৱনু তনুটি তাৰ হিয়াত সোমাই
ওঠত গালত দিয়ে কামুৰি কামুৰি সুহি চুমা সুধা ঢালি
পুলক জগাই"

এনেদৰে ৰাভাৰ গীতত প্ৰণয়ন পাত্ৰ পাত্ৰীৰ মাজৰ পাৰস্পৰিক মিলনৰ চিত্ৰও দুই এটি পোৱা যায়।

**বিষ্ণুৰাভাৰ গীতত প্ৰেম ঃ বিৰহৰ চিত্ৰ ঃ**

**লগন যেতিয়া পাৰ হৈ যায় ঃ**

বিষ্ণু প্ৰসাদ ৰাভাৰ এটি শ্ৰেষ্ঠ গীত লগন উকলি গ'ল ব্যৰ্থ প্ৰেমৰ কৰুণ ছবিৰেভৰা। গীতটিৰ কথা অংশ খুৱেই মৰ্ম্মান্তিক। মনে খন্দা পুখুৰীৰ পানী খাবলৈ নাপাই ৰাভাই যেন চিকোৰ কৰি উঠেছে।

"কিমান হেঙুলী উষা
কিমান জোনালী নিশা
মিছাতেই গ'ল মোৰ
কিমান গধুলি পুৱা।"

আকাশে বতাহে সবেই যেন ৰাভাৰ বিৰহৰ সংবাদেই বহন কৰিছে। তেওঁ কৈছে যে তেওঁৰ হৃদয়ৰ গোপন কথাটি তেওঁ কোনোদিনেই প্ৰিয়াৰ আগত

প্ৰকাশ কৰিব নোৱাৰিলে। "তেওঁ যে লহ'ল কোৱা"। প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰি থব পাৰি যে এজনী ব্ৰাহ্মন কন্যাৰ সৈতে হোৱা ৰাভাৰ প্ৰণয় আৰু দুয়োৰে মাজত সৃষ্টি হোৱা বিৰহ বিচ্ছেদৰ প্ৰৱল বন্যাই এই গীতটিৰ ৰচনাৰ বাস্তৱ ভিত্তি।

ৰাভাই মনৰ কথাটি প্ৰেয়সীক ক'ব নেপালেও প্ৰেয়সীয়ে যেন ৰাভাৰ মনত দুখ বুজিছিল। সেয়ে তাই ৰাভাক দেখিলেই বোৱাই দিয়ে চকুৰোৰ নৈ। প্ৰেয়সীৰ চকুত চকুলো দেখি ৰাভাই কৈ উঠিল -

"ডকা চাকনৈয়া আনি
নিশাৰে কালিমা সানি

নোবোৱাব: চকুলোৰ নৈ" ৰাভাই যেন বুজি উঠিছে, "তেওঁৰ জীৱনৰ বাকী ছোৱা কাল, অতীতৰ বকুল মালা ধাৰিৰ স্মৃতিৰে সম্পূৰ্ণ সিক্ত হৈ ৰ'ব। বিৰহৰ বুকুফটা হুমুনিয়াহেই বেৰি ৰাখিব তেওঁৰ ভৱিষ্যত জীৱন।

"লেৰেলা ফুলৰ মালাধাৰি লৈ
গুপুতে বুকুতে আকোঁৱালি থৈ
নিজানত বহি গুন গুনকৈ
গাম হায় হায় হায়।"

**প্ৰিয়া শূণ্য অনুভৱ ঃ**

বহু আশাৰে বিষ্ণুপ্ৰসাদ ৰাভাই যিখন ফুলনি সজাঁইছিল, সেই ফুলনিখন জকমক্‌কৈ ফুৰিব ধৰোতেই যেনিবা ক'ৰবাত কিবা কেনা লাগিল। ফলত তেওঁৰ হৃদয় ফুলনিৰ সকলো ফুল অকালতে মৰহি গ'ল। তেওঁ হৃদয়ৰ ৰং হ'ল নীলা। গোটেই ফুলনিখনত মাথোন এটি তপত হুমুনিয়াহ আৰু এষাৰি কথাই ইফাল সিফাল কৰি থাকিল-

হায় ! হায়!! মোৰ প্ৰিয়া নাই

তেওঁ হৃদয় শূণ্য কৰি যিদিনাৰ পৰা প্ৰিয়া জনী বহুদূৰলৈ গুছি গ'ল, সেইদিন ধৰি ৰাভাৰ জীৱনৰ সম্বল চকুপানী। তেওঁ এটা গীতত কৈছে-

"বাহিৰত বৰষুণ পৰে ধাৰাসাৰ
দুগালেদি বয় মোৰ চকুলো দুধাৰ"
উচাটন কৰে মোৰ মন যে এষাৰ
মোৰ প্ৰিয়া নাই ! মোৰ প্ৰিয়া নাই !!

কল্পনাৰ ৰাজ্য বাস্তৱৰ ৰাজ্য সকলোতে মাথো দুখ বেদনাৰ অস্তিত্বকে লগ পাইছে, কৰিছে। চাককি নেপাই ওমৰৰ অৱস্থা যেনেকুৱা অনুৰূপ অৱস্থা যেন তেওঁৰো হ'ল, তেৰে যেন চাকিয়ে যেনিবা তেওঁৰ প্ৰিয়া। চাকিৰূপী অবিহনে ৰাভাই তেওঁৰো হিয়াখন আল্লাক লৈ দিছে।

"হায় ! হায় !! চাকি নাই
কান্দে ইনাই বিনাই
চাকি নাই কান্দে উচুপি
নিজানে চকুলো টুকি
প্ৰিয়া নাই আছে মোৰ হিয়া
সেই হিয়া আল্লা মোৰ নিয়া"

এনেদৰে বিষ্ণুৰাভাই সপোন ৰাজ্য, বাস্তৱ সকলোতে প্ৰিয়াৰ অভাৱ অনুভৱ কৰি হতাশাত পৰিছে।

**স্মৃতি স্নিগ্ধ দেউলত ঃ**

বিষ্ণুৰাভাই তেওঁৰ হৃদয়ৰ নিভৃততম কোনত সাঁ... গোপন কথাযাৰি প্ৰিয়াৰ আগত প্ৰকাশ কৰিম ভাবি থাকোতেই এদিন প্ৰিয়া তেওঁৰ ওচৰৰ বহুদূৰলৈ আতৰি গ'ল। ৰাভাৰ মনৰ কথায় প্ৰকাশৰ বাট নেপালেই তথাকি তেওঁ বৈ ... তেওঁৰ একান্ত বিশ্বাস আছিল তেওঁৰ হিয়াৰ ... কুঠৰীত আৱদ্ধ হৈ থকা সেই সুন্দৰ কথাযাৰি ...

এদিনৰ বাবে হ'লেও তেওঁৰ প্ৰিয়া তেওঁৰ ওচৰলৈ
বই। কিন্তু ৰাভাৰ সেই ইচ্ছাও পূৰণ নহ'ল। প্ৰিয়া
নাদিন তেওঁৰ ওচৰলৈ নাহিল। ৰাবাৰ অন্তিম
াও এদিন তেওঁৰ অজ্ঞাতেই স্মৃতিৰ ফুলনিত
পাৰাৰ বেদনা হৈ পুনিন। অৰ্থাৎ সময়নৈ বাট চাই
ভাগৰি পৰি তেওঁ এদিন বিৰহ হৃদৰ প্ৰেমৰ
বনত চকুপানী সানি গঢ়িব লগা হ'ল এক স্নিগ্ধ
ল। তেওঁৰ সেই স্মৃতিৰ স্নিগ্ধ দেউলটি যেন
াহানৰ তাজমহলতকৈও এখোপ চৰা। তেওঁৰ
মহলটি ওনেকুৰা -

"এটুপি চকুলো মোৰ যে কেৱল
সেয়ে মোৰ তাজমহল
প্ৰণয়েৰে ভৰা, বেদনাৰ গঠা
শানত চিৰ উদ্বল"

কৈছে যে চাহজাহানৰ কবি আৰু তেওঁৰ কবিতা
ল শিলৰ কবিতা। তেৰো কবি, কিন্তু তেওঁ দুখীয়া
সেয়ে শিলৰ পৰিৱৰ্তে তেওঁৰ মাথো চকুলোৰহে
া -

"শিলৰ কবিতা নহয় মোৰ দান
টুপি লোহে কেৱল, সেয়ে মোৰ তাজমহল।"

স্মৃতিৰ সেই মোহনীয়া দেউলটিয়ে ৰাভাক
য়াবা বৰকৈ আমনি কৰে। যেন এক অসহ্য
াত। সেই স্মৃতিৰ দেউলৰ পৰা তেওঁ কেতিয়াবা
চ্চাৰণ কৰাদি গায় যায়

"ফুলৰ পাহি গ'ল মৰহি
স্মৃতিৰ সুৰভি আহি ভাহি
তাহানি কালৰ ওমলা কতাটি
মাজে মাজে সোৱৰায়।"

ৰ বেদনাৰ ইমানেই উত্তাপ যে সেই উত্তাপত
ৰ চকুপানীবোৰ এনেদৰে শুকাই গ'ল যে
চকুফালিলেও তেওঁৰ আৰু চকুলো নোলায়। তেওঁ
এতিয়া য'লৈকে যায় তাতেই অতীতৰ মধুৰ সোঁৱৰণ।
আপোন দুখৰ ভাৰ পাতলাবলৈ তেওঁ নিজানত
এলাল। শিলৰ হৃদয় কল্ কল্ শব্দৰে বৈ আছে জুৰিটি।
সেই জুৰিৰ পাৰতেই তেওঁ বহি পৰিল এধানি শান্তিৰ
বাবে। কিন্তু তাতো তেওঁৰ শান্তি নাই।

"এই জুৰিটিৰ ওচৰতে বহি
বজাইছিলি বাঁহী
সৌ পজাটিৰ এচুকতে বৈ
শুনিছিলো মই।"

মুঠতে স্মৃতিৰ কলীয়া মেঘ আহি তেওঁৰ মন আকাশ
এনেদৰে ছানি ধৰিছে যে তাৰ জাল ফালি তেওঁৰ
জীৱনত সুৰুযে নতুনকৈ পোহৰ পেলোৱাৰ আশা তেওঁ
দেখা নাই। তেওঁৰ মন যলৈ যায় তাতেই কেৱল স্মৃতিৰ
সফুঁৰাই পায় -

"যলৈকে মন ছুটি যায়
স্মৃতিৰ সফুৰা তাতে পাই
আনে মধুৰ সোঁৱৰণ।"

এনেদৰেই স্মৃতিৰ স্নিগ্ধ দেউলত ৰাভাৰ মনে
মধুৰ সোঁৱৰণ বিচাৰিলে। তেওঁৰ মন নিজৰাই পাহাৰে
ভৈয়ামে বৈ যাব ধৰিলে। তেওঁৰ সাদৰী প্ৰিয়া ক'তো
নাই কিন্তু যেনিবা সকলোতে আছে।

**পৰজনমৰ শুভ লগনত ঃ**

ওৰে জীৱনলৈ দুখৰ স্মৃতি সহি সহি পাৰ কৰি
দিয়া সহজ কথা নহয়। সেয়ে নোপোৱাৰ মাজত
পোৱাৰ আসা কৰাত বাদে গত্যন্তৰ নাই। কোনোবা
অচিন দেশৰ সেউজ পাহাৰৰ ওখটিলাত জুপুৰা মাৰি
বহি থকা ৰাবাৰ দুদিনৰ চিনাকীঅথচ বুকুৰ আপোন
বন পখীটিক উদ্দেশি ৰাভাই কতনা গান গালে, কবিতা
লিখিলে; স্মৃতিৰ সৌধ নিৰ্ম্মাণ কৰি অপেক্ষা কৰিলে;

চকুপানীক সাৰথি কৰি কেৱল নীৰৱে বাট চালে, কিন্তু সেই পখীক ৰাভাই দুনাই দেখা নাপালে। লাহে লাহে ৰাভাই যেন বুজিব পাৰিলে যে বুকুৰ আপোন বন পখীটি এইটো জীৱনত আৰু তেওঁৰ এটৰলৈ নাহে। কিন্তু বিৰহৰ প্ৰৱল বন্যাৰ মাজতো তেওঁ এধানি আসাৰ আলোক দেখিলে; আহি পৰিল পৰ জনমৰ কথা -

"পৰজনমৰ শুভ লগনত
যদিহে আমাৰ হয় দেখা,
পূৰাবনে প্ৰিয়ে এই জনমৰ
মোৰ হিয়াৰ অপূৰ্ণ আশা?"

তেওঁৰ প্ৰিয়া পখীক যেনেদৰে তেওঁ একো খুখ ফুটাই কব নোৱাৰিলে তেনেদৰে প্ৰিয়ায়ো অতি যতনে সজোৱা মিলনৰ কুসুম মালাধাৰি যেন তেওঁক এই জীৱনত পিনমধাই দিবলৈ আহৰিয়ে নাপালে। যাৰ বাবে ৰাভাৰ শূণ্য বুকু চিৰ জীৱন শূণ্য হৈয়ে ৰ'ল।

"এই জীৱনৰ আউসী ৰাতি
চকুলো টুকি যায়নে কাটি
কাহানিও সুখৰ ৰূপহী জোনীই
হৃদয়তে জিলিকনি নিবিলায়।"

গোপনে বুকুত থাকি নীৰৱে দুখৰ তুঁহৰ জুইকুৰা জ্বলি থকা তেওঁৰ বুকুৰ সেই
কথাবোৰৰ বিষয়ে যেন প্ৰিয়াই একোকে
অকল সেয়াই নহয়, তেওঁৰ প্ৰিয়াই তেওঁৰ হি
থোৱা দুখ শোকৰ ছবিটিও কোনো দিন নো

"পৰজনমৰ শুভ লগনত" গীত
প্ৰিয়পত্নী প্ৰিয়লতাৰ অকাল মৃত্যুত আঘাট প
বুলি ভাবিব পৰা যায়। এই গীতটি ৰাভাই
প্ৰাণৰ কন্দৰে কন্দৰে শোণিত প্ৰবাহৰ ল
ফুৰিছিল আৰু আজিও অসমীয়া সমাজত ম
গীত হিচাপে জনপ্ৰিয় হৈ আছে।

এনেদৰে দেখা যায়, বিপ্লৱ বিষ
ৰাজিৰ বাদেও ব্যক্তিগত প্ৰেম-বিৰহৰ ছুৰিৰে
এক শ্ৰেণীৰ সুন্দৰ গীতো ৰাভাৰ াছে। ৰাভ
সামগ্ৰিক ব্যক্তিত্ব উদ্ভাষিত কৰি তোলাত যদি
শ্ৰেণী গীতৰ স্থান ম্লান তথাপি ৰাভাৰ প্ৰথম
ৰোমান্টিচিজিমৰ প্ৰতি থকা আকৰ্ষণ মনত না
পূৰ্ণ বিষ্ণুৰাভাক বুজি উঠাটো নিশ্চয় জটিল হ
পূৰ্ণ মানুহজনৰ স্বৰূপটো উদ্ভাষিত নহ'ব। ইয়া
ৰাভাৰ প্ৰেম-বিৰহৰ গীত বিলাক অতি সুন্দৰ স
শব্দেৰে মালা গথা ব্যক্তিগত জীৱনৰ ভাৱ
গীত। এই গীতবোৰৰ সৈতে ৰাভাৰ জীৱনৰ
সাঙোৰ খাই আছে।

**সহায়ক পুথি ঃ**


১। বিষ্ণু ককাইদেউ ঃ ভূপেন হাজৰিকা

২। সহকৰ্মী দৰ্পণত বিষ্ণুপ্ৰসাদ ৰাভা ঃ মোহন লাল মুখাৰ্জী

৩। বিষ্ণু প্ৰসাদ ৰাভা ঃ ৰচনা সম্ভাৰ ঃ যোগেশ দাস (সম্পাদিত)

৪। কলাগুৰু বিষ্ণু ৰাভাৰ সান্নিধ্যিত ঃ বাদল দাস (সম্পাদিত)

# আদিকাব্য ৰামায়ণ

শ্ৰীৰাতুল ডেকা
স্নাতক ১ম বৰ্ষ

ভাৰতীয় সাহিত্যত ৰামায়ণক "আদিকাব্য" ইয়াৰ প্ৰণেতা বাল্মিকীক 'আদিকবি' বুলি হয়। ব্ৰহ্মাৰ উপদেশ মৰ্মে ৰত্নাকৰে পূৰ্বৰ ক স্বভাৱ পৰিত্যাগ কৰি কঠোৰ তপস্যাত হ মহৰ্ষি উপাধিৰে বিভূষিত হৈ মহৰ্ষি ী নামেৰে নতুন জীৱৰ লাভ কৰি নিজ ৰে মহিমমণ্ডিত হৈ অমূল্য গ্ৰন্থ ৰামায়ণ ৰচনা এদিনাখন কবিয়ে স্নান কৰিবলৈ নদীলৈ । তেনেতে কবিয়ে দেখিলে যে এহাল এটাক নিষ্ঠুৰ ব্যাধে শৰাঘাট কৰি বধ । মৃত্যুৰ আগমুহূৰ্ত্তত সেই চৰাইটোৱে মৃত্যু চাটি ফুটি কৰা দৃশ্যই কবিৰ হৃদয় কুল কৰি তুলিলে আৰু কবিৰ অজানিতে পৰা নিৰ্গত হ'ল এফাকি শ্লোক

"মা নিষাদ প্ৰতিষ্ঠাং ত্বমগম শাশ্বতী সমাঃ
যৎ ক্ৰৌঞ্চ মিথুনদেক মবধীঃ কামমোহিতম্।"

এনেদৰে কবিৰ শোক শ্লোকত পৰিণত এনেতে কবিৰ ব্ৰহ্মাই আদেশ কৰে যে তেওঁ সেই মুহূৰ্ত্ততে ৰামায়ণ ৰচনা কৰে।

আদিকবি বাল্মিকীয়ে ৰামায়ণ ৰচনাৰ কাম কৰে। ৰামায়ণ সৰ্বমুঠ সাতটা কাণ্ডত । ৰামায়ণত সৰ্বমুঠ ২৪০০০ টা শ্লোক । সচৰাচৰ মহাকাব্য প্ৰধানতঃ বীৰৰস প্ৰধান। কিন্তু ৰামায়ণত বীৰৰস প্ৰাধান্য ভাবে প্ৰদৰ্শন কৰা নাই। ৰামায়ণ ভাৰতীয় সভ্যতাৰ প্ৰতীক।

ৰামায়ণত ৰাম আদৰ্শৰ প্ৰতীক। তেওঁ সদায়ে অন্যায়ৰ বিৰুদ্ধে মাত মাতিছে। ৰামৰ চৰিত্ৰত কবিয়ে সকলো অনুভূতিয়েই সঞ্চাৰিত কৰিছে। ৰামায়ণত ৰামৰ চৰিত্ৰটো বাল্মিকীয়ে সকলোৰে আদৰ্শস্বৰূপ হ'ব পৰাকৈ অঙ্কণ কৰিছে। ৰামৰ গুণাৱলীৰ চৰ্চা, চিন্তা আৰু অনুকৰণ ভাৰতীয় মানুহৰ বাবে সদায় আদৰ্শনীয় কাৰ্য। ৰামায়ণত ৰামে কৈছে "মোৰ শৰণাগত হোৱাজনক মই বিমুখ কৰিব নোৱাৰো। এয়ে মোৰ ধৰ্ম। ৰাৱণো যদি মোৰ শৰণাগত হয়, তেওঁকো মই প্ৰত্যাখ্যান নকৰো"।

ৰামৰ ৰাজত্বকাল আছিল প্ৰজাৰ পৰম সুখৰ কাল। ৰামৰ ৰাজত্বত প্ৰজাৰ আভাৱ অনাটন কিম্বা অশান্তি, অমঙ্গল একোৱেই নাছিল। ৰামায়ণত শুভ শক্তিৰ প্ৰতীক ৰামে অশুভ শক্তিৰ প্ৰতীক ৰাৱণক ধ্বংস কৰি সমাজৰ কল্যাণ সাধিছিল।

লক্ষ্মণে শক্তিশেলত পৰাত ৰামৰ যি মুখনিসৃত কণী এনেকুৱা নিদৰ্শণ পৃথিৱীৰ অন্য সাহিত্যৰ বিৰল। ৰামায়ণৰ সীতা, মন্দোদৰী সতী সাধ্বী চৰিত্ৰ। লক্ষ্মণ, ভৰতৰ ভাতৃপ্ৰেম অতুলনীয়। ভৰতৰ চৰিত্ৰ গংগাৰ জলধাৰা সদৃশ নিৰ্মল আৰু স্বাৰ্থশূণ্য। উৰ্মিলাৰ চৰিত্ৰৰ মাজত দেখা যায় মহান

স্বাৰ্থত্যাগ। ভাৰতীয় নাৰীৰ গৌৰৱ বৃদ্ধি কৰি সীতাৰ নিম্নোক্ত উক্তি ফাঁকিয়ে।

"এই নিশাচৰ ৰাৱণৰ লগত প্ৰেম কৰাটো দূৰৰে কথা, মই ইয়াক ভৰিৰে- নহয়, নহয়- বাওঁ ভৰিৰেও নুচুওঁ"।

ৰাম আৰু সীতাৰ নিৰ্মল চৰিত্ৰ বাল্মিকীৰ কোমল কাব্য প্ৰতিভাৰ মনোৰম নিদৰ্শন। সীতাক উদ্ধাৰ কৰি ৰামে যেতিয়া সীতাৰ চৰিত্ৰৰ সম্পৰ্কে প্ৰজাসকলৰ মাজত সন্দেহৰ আভাস পালে, তেতিয়া প্ৰজাসকলৰ বাবে সীতাক তিৰস্কাৰ কৰে এনেদৰে,

"যি তিৰোতা বহুকাল আনৰ ঘৰত বাস কৰে, কোন সদবংশজাত তেজস্বী পুৰুষে প্ৰেমৰ লোভত সেই তিৰোতাক পুণৰ গ্ৰহণ কৰিব পাৰে? ৰাৱণে তোমাক পুনৰ কু-দৃষ্টিৰে চাইে তুলিছে, গতিকে তোমাক পুনৰ গ্ৰহ নিজৰ সু-মহান বংশক কলংকিত কৰিব সীতাই তাৰ উত্তৰত কৈছে-

"হে নৰ শাৰ্দূল, আপুনি মানৱ খণ্ডৰ আবেগত আপোনাৰ এই কথা সাধা সমান। আপুনি এই কথাৰে অলপো লক্ষ যে বাল্যকালত আপুনি মোৰ পাণি গ্ৰহ মই আপোনাৰ শাস্ত্ৰ অনুমোদিত ধৰ্ম আপোনাক ভক্তি কৰো আৰু মোৰ স্বভ আৰু পৱিত্ৰ। আচৰিত আপুনি যেন ন মোৰ স্বাভাৱিক ভক্তি তথা পাণি গ্ৰহণ ঠেলি দিছে; কেৱল স্ত্ৰীত্বক আগত ৰাখি

# জানি থোৱা ভাল

শ্ৰীপৰগ ডেকা
স্নাতক তৃতীয় বৰ্ষ

পঞ্চপাণ্ডৱ— যুধিষ্ঠিৰ, ভীম, অৰ্জুন, নকুল, সহাদেৱ।
পঞ্চযজ্ঞ— ব্ৰহ্মমজ্ঞ, পিতৃযজ্ঞ, দেৱযজ্ঞ, ভূতযজ্ঞ, নৃযজ্ঞ।
পঞ্চইন্দ্ৰিয়— চকু, নাক, কাণ, জিভা, ছাল।
পঞ্চভূত— পৃথিৱী, আকাশ, জুই, বায়ু, পানী।
পঞ্চৰত্ন— সোণ, ৰূপ, হীৰা, পোৱাল, পদ্মৰাগ।
পঞ্চশস্য— ধান, মুগ, মাটিমাহ, যৱ, তিল।
পঞ্চমৃত— দৈ, এৱা-গাখীৰ, চেনি, ঘিঁউ, মৌ।
পঞ্চনদ— শতদ্ৰু, বিপাশা, ইৰাৱতী, চন্দ্ৰভাগা, বিতস্তা।
পঞ্চতত্ব— পৃথিৱী, পানী, জুই, বায়ু আৰু আকাশৰ সমষ্টি।
পঞ্চকোষ— অনুময়, প্ৰাণময়, মনোময়, জ্ঞানময়, আনন্দময় কোষ।
পঞ্চপল্লৱ— আম, আহত, ডিমৰু, বৰ আৰু পলাশ গছৰ আগ।

# ভক্ত গুৰু ইলাৰাম দাস

ৰাতুল ৰাজবংশী
স্নাতক ২য় বৰ্ষ

মহাপুৰুষ শংকৰদেৱ আৰু মহাপুৰুষ ৱে ধৰ্মৰ বীজ ৰোপণ কৰি অসম ভূমি এৰি ৰাত, অসম ভূমিত যেতিয়া পুনৰ ধৰ্মৰ গ্লানি হ'ল, এই গ্লানি নাশ কৰি পুনৰ একশৰণ ৰ্ম প্ৰচাৰৰ, প্ৰসাৰ আৰু আধ্যাত্মিক চিন্তাৰ শক আধাৰ স্বৰূপ হ'ল কৈৱৰ্ত্য কুলৰ ভক্ত লাৰাম দাস।

'ব্ৰাক্ষণ ক্ষত্ৰিয় বৈশ্য ইটো তিনি জাতি।
নুশুনিব হৰি ভকতিক কাণ পাতি।।
শূদ্ৰসৱ অনেক কৈৱৰ্ত আদি কৰি।
অন্তত্য পৰ্যন্তে ভজিবেক মহা হৰি।।
অপ্ৰয়াসে লভিব ঈশ্বৰ মহ
এতেকে কলিত সূদ্ৰ কৈৱৰ্ত প্ৰধান।।'
(ভাগৱত)

ভাগৱতৰ এই বাণী আৰু সহস্ৰনাম বৃত্তান্ত আচাৰ্য ইলাৰাম দাসে, জগত গুৰু মহাপুৰুষ মাধৱ গুৰুৱে প্ৰৱৰ্তন আৰু প্ৰচাৰ কৰি যোৱা ন একশৰণ হৰি নাম ধৰ্মৰ সাধনা পুনৰ াৰ্থে দুজনা গুৰুৰ পৰৱৰ্তী কালত ভক্তগুৰু ৱতাৰ গ্ৰহণ কৰি কলিৰ পাপৰ পৰা সহস্ৰ জীৱক উদ্ধাৰ কৰি হৃদয়ত এক শৰণ নাম বীজমন্ত্ৰ ৰোপণ কৰিলেহি।

মহাপুৰু শংকৰদেৱে বিশ্বজগতৰ মায়াময় সংসাৰত অন্তকাল ত্ৰিগুণাত্মিক মায়াৰ জালত বন্দী হৈ থকা জীৱ সমূহৰ উদ্ধাৰাৰ্থে ৰচনা কৰি থৈছিল হৰি ভক্তি ৰাজমাৰ্গ। গুৰুজনাই কৈছিল—

'কিৰাট কাছাৰী খাচী গৰো মিৰি
যৱন কংক গোৱাল।
অসম মূলুক ধোৱায়ে তুৰুক
কুৱাচ ম্লেচ চাণ্ডাল।।
আনোপাপীনৰ কৃষ্ণ সেৱকৰ
সংগীত পবিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।' (ভাগৱত)

গুৰুজনাই নামঘৰকে সাধনাৰ মন্দিৰ হিচাপে প্ৰতিষ্ঠা কৰি, নগাৰ নৰোত্তম মিকিৰৰ জয়হৰি, মুছলমানৰ চান্দ ভোটৰ দামোদৰ, কৈৱৰ্তৰ হীৰা বণিয়াৰ পৰা শ্ৰীৰাম, ধ্বজা, বনবড়া, বকৰা, উৱনা, গুটিমালী, চন্দৰী পূৰ্ণানন্দ, ৰাধিকা, মাধৈমালতী এই সকলক কৃষ্ণপ্ৰেম, কৃষ্ণ চৰণত এক শৰণৰ সাধনা প্ৰদানেৰে বিশ্বাস কৃষ্ণৱ সৈতে একাত্মবোধ জাগৃত কৰাই বৃহত্তৰ উত্তৰ পূব ভাৰতত বৰ অসম ৰচনা কৰাৰ মূল কঠিয়া সিঁচি গৈছিল। এই সপোন সাফল্য হোৱাৰ পথত বাধাৰ প্ৰাচীৰ ৰূপে, কৰ্মকাণ্ড অন্য জড়দেৱো পাসনাৰ মায়াবাদী সমৰ্থকৰ দলে জনসাধাৰণক বিভ্ৰাট ঘটালে, তাৰে প্ৰতিফলন

আজি পুনৰ জাতি, উপজাতীয় সংঘাত। বড়োলেণ্ড, নাগালীম, কাৰ্বি স্বায়ত্ব পৰিষদ লালুং দৰবাৰ ৰচনাৰে বৃহত্তৰ অসমীয়া জাতি আজি বহুধা বিভক্ত হোৱাৰ পথত। গভীৰ সাধনাৰ পৰা বঞ্চিত আৰু ধৰ্ম তথা অন্যান্য বহিৰাগত ধৰ্ম প্ৰচাৰ সকলক পিছ হোহোকাব নোৱাৰা অৱস্থাত আচাৰ্য ইলাৰাম দাসে প্ৰচণ্ড শক্তিৰে অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে এক শৰণ নাম ধৰ্ম প্ৰচাৰ কৰি একতাৰ দোলেৰে ভক্ত সকলক মেৰিয়াই লৈ ভাগৱতী সমাজ প্ৰতিষ্ঠা কৰিছে।

আচাৰ্য ইলাৰাম দাসে যি এক শৰণ ভাগৱতী ধৰ্ম প্ৰতিষ্ঠা কৰিলে তাত বড়ো, কছাৰী, তিৱা, কোঁচ, কলিতা, কৈৱৰ্ত প্ৰমুখে অসমৰ বিভিন্ন জাতিক অন্তৰ্ভুক্ত কৰিছে। এইদৰে সকলোবোৰ অনুসূচিত জাতি আৰু জনজাতিৰ মাজত এক শৰণ ভাগৱতী ধৰ্ম প্ৰচাৰ কৰে। লগতে তেওঁ ডেকা, তৰুণ-তৰুণী সকলৰ কথাও চিন্তা কৰি তৰুণ বিদ্যাৰ্থী সমাজ নামৰ এটি অনুষ্ঠান প্ৰতিষ্ঠা কৰি আজিৰ যুৱক-যুৱতী সকলৰ সেৱা কৰ্মত ব্ৰতী হৈ সংযমী, স্বাৱলম্বী হ'বলৈ তেওঁলোকক দিহা-পৰামৰ্শ আগবঢ়াই। এই দিশত পুস্তক-পুস্তিকা প্ৰকাশ কৰি মানুহক কৰ্মৰ প্ৰতি আকৰ্ষিত কৰিছে। 'অতি বিতোপণ ধৰ্ম সনাতন' এই সনাতন কৃষ্ণ সংস্কৃতি জীৱ সমূহক অন্তৰ্ভুক্ত কৰি সমাজ.জীৱনৰ ব্যাধি স্বৰূপ অস্পৃশ্যতা, মাদক দ্ৰব্য সেৱন, জুৱাখেল, আদি উন্মুলনৰ অসমৰ অনেক জনগোষ্ঠীয়ে লোকক পূৰ্বৰ জীৱন চৰ্যাতকৈ উন্নীত এক সংস্কাৰ পূৰ্ণ জীৱন চৰ্যা প্ৰদান কৰিবলৈ সমৰ্থ হৈছিল ভক্ত গুৰু ইলাৰাম দাসে। সমান্তৰাল ভাৱে অসবৰ্ণ বিবাহ, স্ত্ৰী-শিক্ষা আদিৰ জৰিয়তে সমাজৰ অনগ্ৰসৰ অনুসূচিত জাতি, জনজাতি, চাহ বাগানৰ বনুৱা আদিৰ অৰ্থ সামাজিক আৰু সাংস্কৃতিক

উত্থানৰ হকে তেখেতে বিভিন্ন উন্নয়ন মূ
গ্ৰহণ কৰি বিভিন্ন দিশৰ ওপৰত অমৃ
প্ৰদান কৰি থৈ গৈছে। আচাৰ্য ইলাৰাম
ধৰ্ম প্ৰচাৰকেই নহয়, তেওঁ লিখা প্ৰ
পাণ্ডিত্য আৰু বস্তুনিষ্ঠতা বহুত বিশ
পণ্ডিতৰ লিখনিত প্ৰকাশ পাইছে। দাসদে
ভাগৱত, কীৰ্তন ঘোষা, নামঘোষা আদি
অনন্ত জ্ঞানৰসৰ মাজত তেওঁ গভীৰ ভা
কেইবাখনো তত্বমূলক কিতাপ ৰচনা
যিবোৰ বিখ্যাত সমাজৰ পৰা প্ৰভুত অ
পাইছে। দাসদেৱে এগৰাকী ধৰ্মগুৰু
পণ্ডিত ৰূপেই নহয়, তেওঁৰ সাহিত্য
আছিল অপৰিসীম। নিজৰ ৰচনা মসূহত
যাউতি যুগীয়া কৰি গৈছে। শংকৰদেৱ
নানা তাত্বিক দিশ সাৱলীল ভাৱে বাখ্যা
একেৰাহে কেইবা ঘণ্টাও বক্তৃতা দিচি
এগৰাকী সুবক্তা আছিল। প্ৰয়াত নীলম
উপৰি সাহিত্য চাৰ্য অতুল চন্দ্ৰ হাজৰিকা
'বাগ্মীবৰ' আখ্যা দিছিল। এই মহান
জনক ২০০১ চনত অসম চৰকাৰে শংক
প্ৰদান কৰে। কিন্তু আজিৰ অসমীয়া ৰাই
মাধৱৰ পৰৱৰ্তী গুৰুৰূপে যেন তেওঁক
কৰিব নোৱাৰিলে। যেনেকৈ পূৰ্ণব্ৰহ্ম
ভগৱন্ত পুৰুষকো যদুকুলৰ সকলো
পূৰ্ণব্ৰহ্মা ঈশ্বৰ বুলি মানিব পৰা নাছিল।

'যাদৰ বংশৰ কিনো মিলিল অভ
নাজানিলে কৃষ্ণক লগতে পায়া
সাগৰত আছিলেক শশধৰ।
মৎস্য সেনে বোলে ইত এক জ
সেহিমতে ঈশ্বৰক পাই যদুগণ।
মনে মানিলন্ত এন্তে জ্ঞাতি একজ
(কীৰ্ত

ইলাৰাম দাসদেৱে শ্ৰীমন্ত শংকৰে প্ৰচাৰ কৰা মাজিক তাৎপৰ্য ভালদৰে উপলব্ধি কৰিছিল তথাকথিত অন্যান্য জাতিৰ প্ৰতি এই ধৰ্মৰ সম্পৰ্কে সম্যক ধাৰণা কৰিব পাৰিছিল। এটা উদাহৰণ দিয়া যাওক, তেওঁ লিখিছিল নামত কেতবোৰ অন্ধবিশ্বাসে সমাজখন ৰাখিছিল। ঐশ্বিক জগতৰ ভোগ বিলাস, লতৰ আশাত মানুহে বিভিন্ন দেৱ দেৱতাৰ কৰি অলেখ হাঁহ, ছাগলী, পাৰ আদি বলি। তেনেকৈয়ে ঠায়ে ঠায়ে নৰবলি পৰ্যন্তও। চৈতন্য পৰম্পৰাৰ মাজত আত্ম বিদ্বেষৰ হৈছিল। উচ্চ জাতিৰ বুদ্ধিজীৱী সকলে ৰ পিছপৰা অৱহেলিত লোকসকলক সকলো ত সমাজৰ ন্যায্য অধিকাৰৰ পৰা বঞ্চিত ল। বিশেষকৈ তথা কথিত নীচ জাতিৰ কল আধ্যাত্মিক জ্ঞান চৰ্চাৰ পৰা সম্পূৰ্ণৰূপে হৈছিল। যাৰ ফলত তেওঁলোকে এই ৱী সকলৰ দাস ৰূপে পশু পক্ষীতকৈ অধম ৰিছিল। ঠিক এনে সময়তে মহাপুৰুষ দেৱে অসমত জন্ম গ্ৰহণ কৰি যুগে যুগে ত্মিক জ্ঞানৰ পৰা বঞ্চিত হৈ থকা জীৱসকলৰ এক কালজয়ী ধৰ্ম প্ৰতিষ্ঠা কৰি গ'ল। সেই নাম এক শৰণ হৰিনাম ধৰ্ম' আচাৰ্য দাস দেৱে কৰা এক শৰণ ভাগৱতী ধৰ্মৰ মূল হ'ল গুৰু, 'এক দেৱ এক সেৱ এক বিনে নাই কেৱ,' হামন্ত্ৰযাৰ। আচলতে কাম, ক্ৰোধ, লোভ, আদিৰ বশৱতী হ'লেহে মানুহে বহু দেৱতাক কৰে। এইবোৰত ভকতি নাথাকে, থাকে পাৰ্থিৱ সম্পদ আদি পোৱা নোপোৱাৰ কথা। ৰুষ সৃষ্টি, পালনামৰ যোগেদি আত্মপ্ৰকাশ দাসে প্ৰকৃত ভকতি থকা এক শৰণ ভাগৱতী শৰণ ল'বলৈ মানুহক উপদেশ দিয়ে।

ভক্ত গুৰু ইলাৰাম দাসদেৱে জীৱ সমূহ তৰনৰ্থে যি অমৃত ময় বাণীৰে কৃষ্ণ ভক্তিৰ কথা কৈছিল তাৰে থূলমূল আভাস দিয়া হ'ল—

তেওঁ কৈছিল ধৰ্মসাধনা, কোনো অন্ধগোড়ামী বা অন্ধবিশ্বাস নহয়, মনুষ্য জীৱনক পূৰ্ণাংগ কৰি গঢ়ি তোলাই ধৰ্ম সাধনাৰ মূল লক্ষ্য। সেয়ে, ধৰ্ম সাধনা মনুষ্য লোকৰ শ্ৰেষ্ঠ আৰু অপৰিহাৰ্য্য কৰ্তব্য। শ্বাশ্বত ধৰ্ম বা সনাতন ধৰ্ম ঈশ্বৰেই, একান্ত ভাৱে পৰমেশ্বৰ কৃষ্ণৰ ভক্তি সাধনাই সনাতন ধৰ্ম সাধনা।

- ❑ 'শৰণ'ৰ গুৰুবাক্য লোৱা আৰু 'শৰণ' প্ৰাপ্তি দুটি অৱস্থা। শুদ্ধ গুৰু বাক্যৰে 'শৰণ' অনুশীলন কৰোতে কৰোতে জীৱৰ এদিন 'শৰণ' প্ৰাপ্তি হ'ব। সিদিনাহে সেই জীৱ পৰমেশ্বৰৰ একান্ত ভক্তৰ শাৰীত স্থান পাৱ সি পদৰ কোনো কালে স্খলন নাই।
- ❑ জগত গুৰু শ্ৰীমন্ত শংকৰ গুৰুজনাৰ অভিন্ন হৃদয় বঢ়াৰপো মাধৱ পুৰুষৰ যোগে জীৱজগতলৈ প্ৰৱৰ্তন কৰা শৰণৰ শুদ্ধ গুৰুবাক্য অনুশীলন কৰোতে কৰোতে জীৱৰ শৰণ প্ৰাপ্তি হ'ব।
- ❑ অন্য জড়দেৱোপসনা পৰিত্যাগ, দেৱোপাসকৰে আন্তৰিক সংশ্ৰৱ পৰিত্যাগ বিনে জীৱে পুৰুযোত্তৰ 'শৰণ' সাধনাৰ কাষকে চাপিব নোৱাৰে।
- ❑ দেৱতা সকলে দেৱ পূজক সকলক শৌচ-সদাচাৰ, চৰিত্ৰ বল, শ্ৰীসৌন্দৰ্য সকলো দিব পাৰে, কিন্তু নোৱাৰে দিব মায়াময় সংসাৰৰ পৰা মুক্তি আৰু দুৰ্ল্লভ কৃষ্ণ ভক্তি। সেয়ে একান্ত কৃষ্ণ ভক্তিৰ সাধনা দেৱৰো দুৰ্ল্লভ।
- ❑ মহাপুৰুষ সকল, বীৰ বীৰংগনা আৰু সাহিত্য-সংস্কৃতিৰ সাধক-সাধিকা সকলৰ জীৱনৰ মহৎ

আদৰ্শৰেই এটা মহা জাতি গঠনৰ সুদৃঢ় ভেঁটি প্ৰতিষ্ঠা হয়। যদি সেই মহাপুৰুষ সকলৰ জীৱনৰ মহৎ আদৰ্শেৰে আমাৰ জীৱনক গঢ় দিবলৈ কিঞ্চিতো চেষ্টা নকৰোঁ, এনেদৰে প্ৰাণহীন, শ্ৰদ্ধাহীন ভাৱে তিথিৰ দিনা মাহ প্ৰসাদ খাই, মহাপুৰুষ জনাক সোঁৱৰণ কৰা নিৰৰ্থক। মহাপুৰুষ মাধৱদেৱে শংকৰ গুৰুক কল্পতৰু সদৃশ গুৰু মানি, ঈশ্বৰ মানি আমাৰ পৰম গুৰু বুলি আজীৱন গুৰুজনাৰ সেৱাত ব্ৰতী হৈ গুৰুজনাৰ সমশক্তি লাভ কৰিছিল বাবে জগত গুৰু জনাইও ভক্ত সকলক পৰিচয় কৰাই দিছিল। 'বঢ়াৰ পোৱে মোকে অভেদ বুলি মানিবা।'

- এটা জাতিৰ ঐতিহ্যমণ্ডিত ধৰ্ম সংস্কৃতি জীয়াই ৰাখিবলৈ হ'লে, সেই জাতিৰ ধৰ্ম সংস্কৃতিৰ প্ৰৱৰ্তক গুৰু জনাৰ আৰ্হি আদৰ্শ, মতবাদ আৰু সাধন সম্পদ ৰাজিৰ যুগজয়ী ৰক্ষণাবেক্ষণ দিয়াৰ অৰ্থে উঠি অহা যুৱক-যুৱতী সকলক অনুপ্ৰাণিত কৰিব লাগিব আৰু চামে চামে সাধক সৃষ্টি হ'বৰ বাবে প্ৰেৰণা যোগাব লাগিব। সেয়ে নহ'লে কালক্ৰমত জাতিটোৰ আত্ম বিস্মৃতি ঘটি, আধ্যাত্মিক আৰু বৌদ্ধিক শক্তি দুৰ্বল হৈ ছিন্ন ভিন্ন হৈ পৰাৰ আশাংকা থাকে। বৰ্তমান অসমীয়া সমাজ তেনে এক দুৰ্যোগপূৰ্ণ সন্ধিক্ষণত আহি উপস্থি হৈছেহি।
- এই পৃথিৱীত কোনেও নাম নজনা, সৰু কীৰ্তনঘৰ এটিত নাম জপ কীৰ্তন কৰি থকা এজন নিমাখিত ভকতক, কোটি ব্ৰহ্মাণ্ডপতি ঈশ্বৰ কৃষ্ণই নিৰীক্ষণ কৰি থাকে, তেওঁক চিনি পায়, ডাঙৰ ডাঙৰ কিতাপ লিখি পাণ্ডিত্যৰ চূড়ামণি, পণ্ডিত এজনক কিন্তু ঈশ্বৰে চিনিয়ে নাপায়। মায়াৰ ৰাজ্যতহে তেওঁলে[...] আৰু সন্মানিত, যি গুণ গৰিমা[...] সন্মান, অনিত্য অসাৰ। এনে সন্[...] এজনো যম-দুৱাৰে গতি কৰা দে[...]
- এই পৃথিৱীত যিদিনাই এজনো এ[...] ভক্ত নোহোৱা হ'ব সেইদিনাই ভা[...] সংস্কৃতিৰ বট বৃক্ষ কালৰ ধুমুহা[...] পৰিব। পৃথিৱীখনো ধ্বংস হ'ব।
- এজন একান্ত ভক্ত থকালৈকে পৃ[...] থাকিব। এই পৃথিৱী ধ্বংস হ'বৰ অ[...] সেইজনকো পৰমেশ্বৰে উঠাই লৈ[...] বৈকুণ্ঠ গামী হোৱাৰ আগমুহূৰ্তত উ[...] সংগত বৈকুণ্ঠে গমন কৰিবৰ ই[...] কৰাত পৰমেশ্বৰ কৃষ্ণই কৈছিল, [...]

  তুমি আমি দুয়ো গৈলে মিলিবে অ[...]  
  লুপ্ত হৈব জ্ঞান ইটো ভকতিৰ প[...]  
  ভকতিক ৰাখিয়া ৰহিয়ো মহাবল।। ([...]

- কৃষ্ণ শৰণীয়া জীৱৰ কৰ্মকাণ্ডীয় বি[...] ক্ষুদ্ৰ জড় দেবোপসনা সংঘটিত হো[...] দুৰ্যোগ, চৰম দুৰ্ভাগ্য। যি কাৰ্য্যই[...] আত্মাক কাললৈ অধোগামী কৰি নি[...] একশৰণ ভ্ৰষ্টাচাৰৰ সংগ বৰ্জন [...] একান্ত ভক্তিৰ সাধন পথৰ পৰা, কৃ[...] পৰা জীৱ নিশ্চিত ভাৱে বঞ্চিত হয়[...]

  'মই নিজ পিতৃক কৰিলে অপমান[...]  
  ব্ৰহ্মাণ্ডত পাপী নাহি তাহাৰ সমান[...]  
  নৰকৰ পৰা তাক নেৰো উঠিবাক[...]  
  মই কালৰূপে মেহ্লাই মেহ্লাই ধৰো [...]  
  (কৃষ্ণবাণী)

- জীৱনৰ সমস্ত পৰিসমৰ অন্ত পুঞ্জীভূ[...] ধনেৰে যেনেকৈ ধুনীয়াকৈ পকী [...] সাজিবলৈ মানুহে বাঞ্ছা কৰে,

ৰতী জন্মত বুদ্ধিদীপ্ত এটি শ্ৰেষ্ঠ জন্ম গ্ৰহণ ৰিবলৈকো আপুনি ধন সংগ্ৰহ কৰিবই গৈব, সেই ধন 'নাম-ধন' বা 'নামৰত্ন'।

এনেদৰে আচাৰ্য দাসদেৱৰ ধৰ্মীয় ভাষণ ৰি কালমায়াত ডুবদি থকা বহুলোকেই ষীয়া সনাতন ধৰ্ম গ্ৰহণ কৰি নাম, সাধনা, াধনা ব্ৰতী হৈছে। বহিৰ্মুখী শ্ৰোতাক কৰি আত্ম সাধনা মুখী কৰাটো তেখেতৰ মূহৰ কৃতিত্ব। অসম জুৰি মহাপাল নাম চাৰ কৰিবলৈ গুৰুজনাৰ কৃপাত তেখেত মাজলৈ আহিল। তাপিত জীৱন হৃদয়ত মহাশান্তিৰ অমিয়া বৰ্ষণ কৰা আচাৰ্য ইলাৰাম দাসৰ সাধন প্ৰসূত তত্বগধুৰ ভাষণ শ্ৰৱণ কৰি থকা শ্ৰোতাৰ হৃদয়ত, বিজুলীৰ দৰে জ্ঞান ৰশ্মি বিতৰণ কৰি যোৱা অমৰ তত্ববাণী সমূহে নিশ্চয় ভক্তসকলক সাধনা মুখী হোৱাত সহায় কৰিব। শেষত এই মহান ভক্ত গুৰুজনাৰ লিখনি মাধৱ দেৱৰ ঘোষা এটিৰে সামৰমি মাৰিলো।

হৰি যেন অতি কৃপাময় ভক্ত গুৰুজনো সেইনয়
দুয়োজন এক শৰীৰত মাত্ৰ ভিন্ন।
কৃপাৰসে তুষ্ট হয়াচিত্ত লোকৰ হিতক চিন্তানিত
নিজ গুণে তুষ্ট দুয়ো অহংকাৰে হীন।।

---

# কৌতুক

সংগ্ৰাহক ঃ শ্ৰীজোনালী ডেকা
স্নাতক প্ৰথম বৰ্ষ

িক্ষক ঃ দুখন সাগৰৰ নাম কোৱাচোন?
াত্ৰ ঃ ব্ৰহ্মপুত্ৰ আৰু গংগা।
িক্ষক ঃ এই দুখন নদীহে।
াত্ৰ ঃ হ'ব দিয়ক ছাৰ ইহতো গৈ সাগৰতে পৰিবগৈ।

িচাৰক ঃ তুমি ঠিক থানাৰ সন্মুখতে কিয় চোৰ কৰিলা? তাত দেখোন ধৰা পৰাৰ ভয় বেছি।
চোৰ ঃ যাতে ধৰা পৰিলে বেছি খোজ কাঢ়ি যাব নালাগে। তাৰ বাবেহে ছাৰ।

শিক্ষক ঃ কোৱাচোন ৰামচন্দ্ৰ কিয় বনলৈ গৈছিল?
ছাত্ৰ ঃ ছাৰ, ৰামায়ণ বাদ দি মোক মহাভাৰতৰ কথা সোধাই ভাল হ'ব।
শিক্ষক ঃ কিয়?
ছাত্ৰ ঃ মানে ছাৰ, ৰামায়ণ শেষ হোৱাৰ পিছতহে আমাৰ ঘৰলৈ টিভি অনা হৈছিল।

ৰুণ ঃ বাছখন সময়মতে চলেনে?
মন ঃ নহয়, চকাৰ মতেহে চলে।

# অন্তিম সময়

জো
স্নাত

হেৰা হেৰা। বুলি জোনালীয়ে চিঞৰি চিঞৰি মাতিছিল ৰূপমক। ৰূপম যে তাইৰ ওচৰতে লুকাই আছিল তাই গমকে পোৱা নাছিল। দুৱাৰখনৰ আৰৰ পৰা ওলাই জোনালীক জোৰেৰে সাবট মাৰি ধৰিছিল সি। এনেদৰে প্ৰায়েই ৰূপমে লুকাই জোনালীৰ খং তোলে। তাই পিছে তাৰ এই নিৰ্দোষ ধেমালিবোৰ খুব ভাল পায় কিন্তু অলপ মিছা অভিমান কৰি তাৰ পৰা আৰু অলপ মৰম আদায় কৰে। তাইৰ বৰ গৌৰৱ হয়, তাৰ এই তাইলৈ থকা মৰমবোৰৰ ওপৰত। জোনালীক ৰূপমে মৰমতে জোন বুলি মাতিছিল।

বিয়াৰ পিছত যিদিনা তাৰ বহল বুকুখনত তাই মূৰ গুজি শুইছিল, তাই অনুভৱ কৰিছিল এক অনামী আনন্দ। তাৰ বুকুৰ মাজত মৰমৰ নিজৰা অনবৰতে বৈ আছে যেন তাইলৈকে। তাৰ বুকুৰ ধপধপনিবোৰ তাই গভীৰ ভাবে উপলব্ধি কৰিছিল। সেই ধপধপনিৰ মাজত ভীষণ ভাল লাগিছিল তাইৰ। কেতিয়াও অনুভৱ নকৰা এটা ভাল লগা অনুভৱ উপলব্ধি কৰিছিল তাই। সেইদিন ধৰি তাই কেতিয়াও অকলশৰীয়া অনুভৱ কৰা নাই। ৰূপমৰ গভীৰ মৰম, ভাল পোৱাৰ মাজত তাইৰ সংসাৰখন আগবঢ়াই যাবলৈ ধৰিলে।

সিহঁতৰ মৰম বোৰৰ সাক্ষী হৈ আহিল এটি মৰম লগা শিশু, মন। সিহঁতৰ সময়বোৰ আৰু খৰকৈ বাগৰিযাব ধৰিলে। দিনৰ পিছত পিছত বছৰ কেতিয়াগৈ মন এদিন স্কু জোনে তত'কে ধৰিব নোৱাৰিলে। মন দুষ্টালিবোৰৰ মাজত সিহঁতহালে ব থাকিল। বহুতো মৰম, ভাল পো দিনবোৰ পাৰ হৈ গৈ থাকিল। ৰূপ এপলক নাথাকিলে জোনালীৰ বৰ লাগিছিল। তাই ছায়াৰ দৰে সিহঁতৰ থাকি বৰ ভাল পাইছিল। জোনকো মনে এটা মুহূৰ্তৰ বাবে নাপালেও পাইছিল। জোন আৰু মন আইতাক গ'লেও ৰূপমে বৰ অকলশৰীয়া অনুভ কোনো কথাতে মন বহুৱাব পৰা নাছি জোনালীয়ো তাক এৰি বেছি নাথাকিছিল। ঘৰখনৰ প্ৰতিটো বস্তুতেই তিনিটাৰ পৰশ লাগি আছিল।

কিন্তু এদিন হঠাৎ সিহঁতৰ মা নামি আহিল। সিহঁতৰ সুখবোৰ হয়তে সহ্য নহ'ল। যিদিনা কথাটো গম পালে, কথাতো বিশ্বাস কৰিবলৈ টান পাই অবিহনে এই সংসাৰ চলিব জানো এট

জোনৰ মাজে মাজে পেটৰ বিষ কথাটো তাই বৰ গুৰুত্ব দিয়া নাছি টেবলেট খাই থাকে তাই মাজে মাজে।

ম তাইক ডাক্তৰৰ কাষলৈ গৈছিল। সেই বিষটোয়েই যে ইমান ভয়ানক বেমাৰ এটাৰ হ'ব পাৰে তাই সপোনতো ভবা নাছিল। ৰৰ মতে তাইৰ লিভাৰত কেন্সাৰ হৈছে। হেনো 'লাষ্ট-ষ্টেজ' আৰু কেইটামান দিন তাই ৰূপম আৰু মনক চিৰদিনৰ বাবে এৰি যাব লাগিব কথাটো তাইৰ ভাবিবলৈ কষ্ট া। কেনেদৰে চম্ভালিব ৰূপমে এই সংসাৰখন। ৰূপমৰ আশা জোনৰ অসুখ ভাল হ'বই। াথো নিজকো চম্ভালি ল'লেই হ'ল। ভগৱানৰ ত তাৰ অসীম বিশ্বাস আছে। সি কেতিয়াও শৰীয়া নহয়। জোন তাৰ চিৰদিনৰ বাবে হৈ থাকিব লাগিব। কিন্তু তাই জানে আৰু া মাত্ৰ কেইটামান মাহৰ পিছত সিহঁত দুটা শৰীয়া হৈ পৰিব। তাই ভগৱানক প্ৰাৰ্থনা ছে। ভগৱানে যেন তাইক সুস্থ কৰি দিয়ে, া অতি শীঘ্ৰে ভগৱানৰ কাষলৈ লৈ যায়। ৰূপমে বয়স থাকোতে সি পুনৰ বিবাহ কৰিব । কিন্তু মনক বাৰু মাকৰ দৰে আন কোনোবাই কৰিবনে? তাইৰ বুকুখন বিষাই যাই াৰকে ভাবি ভাবি।

জোনালীয়ে মনটো ডাঠ কৰি লয়। যি া দিন তাইৰ হাতত আছে সেইকেইটা দিন নিবিড় ভাৱে সিহঁতৰ মাজত কটাই দিব। মন আৰু ৰূপমক তাই এটা মুহূৰ্তৰ বাবেও অকলশৰীয়া হ'বলৈ নিদিয়ে। তাই চিকিৎসাৰ মাজে মাজে অভিনয় কৰি যাবলৈ ধৰিলে। তাই যেন আগতকৈ অধিক আৰোগ্য লাভ কৰিছে। মনক বুকুৰ মাজত ৰাখি খুব মৰম কৰিছে। সি ভাল পোৱা প্ৰতিটো বস্তু তাই নিজ হাতে ৰান্ধি খুৱাইছে। তাইৰ অবিহনেও যেন ঘৰখনত একো অসুবিধা নহয় তালৈ লক্ষ্য ৰাখি সদায় প্ৰয়োজনীয় বস্তুবোৰ এঠাইতে পোৱাকৈ থানথিত লগাই থৈছে। মনৰ হেঁপাহ পলুৱাই তাই ঘৰখন সজাইছে। কিন্তু আৰু কিমান দিন। তাই যে অধিক কষ্ট অনুভৱ কৰিবলৈ ধৰিছে। একো বস্তুকে খাব নোৱাৰা হৈ আহিছে আৰু এয়া আজি তাই নাৰ্ছিং হোমত পৰি আছে। কাষত ৰূপম আৰু মন। চকুৰ পলক নমৰাকৈ সিহঁতলৈ চাই আছে তাই আৰু অলপ পিছতে তাইক লৈ যোৱা হ'ব অপাৰেচন থিয়েটাৰলৈ। তাই ঘূৰি আহি দেখিব জানো মন আৰু ৰূপমক।

তাইৰ যে অৱস্থা খুব বেয়া। ষ্টেছাৰত উঠাই তাইক লৈ গৈছে অটিলৈ। কাষত ৰূপম অনবৰতে লাগি আছে। এতিয়া হয়তো লুকা-ভাকু খেলিবলৈ তাৰ মন যোৱা নাই। তাইক জোকাবলৈ মন যোবা নাই। শেষবাৰৰ বাবে ৰূপমক তাই চাই ল'লে। তাক কাণৰ কাষত ফুচফুচাই ক'বলৈ মন কৰিলে তুমি অকলশৰে নাথাকিবা? মই আহিলো। মনক চাবা...।।

# বন্ধুত্ব

মহঃ ৰিয়াজুদ্দিন আহমেদ

স্নাত

মানৱ সমাজত সহজ আৰু সুলভ সম্পৰ্কটোৱেই হৈছে বন্ধুত্ব। তেজৰ সম্পৰ্ক নথকা বয়সৰ সীমা নথকা দুখন হৃদয়ৰ মাজত প্ৰতিশ্ৰুতিৰ নামেই বন্ধুত্ব। সকলো সম্পৰ্কৰ ভিতৰত এক শ্ৰেষ্ঠ সম্পৰ্ক হৈছে বন্ধুত্ব। মানুহ সদায় সংগপ্ৰিয়, অকলশৰীয়া জীৱন কোনো মানুহৰে কাম্য নহয়। কেতিয়াবা আকৌ বহু মানুহৰ মাজত থাকিও নিসংগ অনুভৱ হয়। এনে নিসংগতা দূৰ কৰিবৰ বাবে প্ৰয়োজন এজন বন্ধুৰ। মানুহৰ জীৱনত বন্ধুত্বই এক বিশেষ প্ৰভাৱ পেলায়। যদি এজন সচা বন্ধু পোৱা যায় জীৱনৰ সকলো সমস্যা নিমিষতে সমাধা হয়। বন্ধুত্ব আবেগৰ নহয়। বন্ধুত্ব হৈছে বিশ্বাসৰ। আমাৰ আত্মীয়ৰ সম্বন্ধ মা-দেউতাৰ দ্বাৰা জন্মলগ্নৰে পৰা পাওঁ, কিন্তু বন্ধুত্ব এক এনে সম্পৰ্ক যাক হেজাৰ জনৰ মাজৰ পৰা কোনো আত্মীয়তা বা তেজৰ সম্পৰ্ক নথকা এজন পুৰুষ বা নাৰীক বিশ্বাস আৰু সাহসেৰে আপোন কৰি ল'ব পাৰো। বন্ধুত্ব মৰমৰ এনাজৰীৰে বান্ধ খাই থকা এক সম্পৰ্ক। বন্ধুত্বৰ সম্পৰ্ক মনৰ ক্ষন্তেকীয়া অনুভূতি নহয়। বন্ধুত্ব হ'ল হৃদয়ৰ পৰা ওলাই অহা এক চিৰস্থায়ী অনুভূতি। আমাৰ শৈশৱৰ পৰা বৃদ্ধ অৱস্থালৈকে জীৱনৰ এই সময়ছোৱাত লগ পোৱা

সকলো ব্যক্তিকে আমি বন্ধুত্বৰ ডোৰে
ৰাখিব নোৱাৰে। সময়ৰ সোঁতত এদিন
হেৰাই যায়। যিহেতু প্ৰত্যেকজন মানু
ধাৰণা বেলেগ বেলেগ। তথাপি জীৱনৰ
এজনক লগ পাওঁ যাৰ আগত নিজৰ
সন্মুখত ক'ব নোৱাৰা কিছুমান কথা
নিশ্চিত মনে ক'ব পাৰো। এজন সচা বন্ধু
আমাৰ জীৱন জীপাল কৰি তোলাৰ লগ
যুদ্ধত সংগ্ৰাম কৰিবলৈ আমাক প্ৰেৰণা
এজন প্ৰকৃত সঁচা বন্ধুৰ মাজতে থকা
মনোভাৱে জীৱনৰ পথৰ কঠিনখিনি
অতিক্ৰম কৰিব পৰা যায়। বন্ধুৰ মাজ
অকৃত্ৰিম মৰম, শ্ৰদ্ধা, ভক্তি, আবেগ,
সহায়-সহানুভূতি, পাৰস্পৰিক বুজাবুজি,
বিশ্বাস, স্বাৰ্থহীন, ভালপোৱা, আহান-প্ৰ
তেজৰ সম্পৰ্ক নাথাকিলেও এটি সম্প
মাজত বৰ্তী থাকে চিৰদিন চিৰকাল। সে
পবিত্ৰ সম্পৰ্কই হৈছে বন্ধুত্ব। বন্ধুত্ব
অবিচ্ছেদ্য অংগ। আমি সৰুতে বিদ্যাল
দিয়ে বন্ধু পতাৰ কথা ভাৱো। ভাল ব
নিৰ্বাচন কৰো কোমল বয়সতে। আ
বিচাৰো। ই মানুহৰ সহজাত লক্ষণ। কি

গত জানো যুৱ বয়সক তুলনা কৰিব পাৰি। যুৱচামো সঠিক বন্ধু নিৰ্বাচন কৰি বন্ধুত্বৰ গাঁ সুমধুৰ কৰি তোলা উচিত। প্ৰকৃত বন্ধুত্বই প্ৰতি খোজতে প্ৰেৰণা হৈ থাকে। জীৱনক হাঁহিৰে, চকুপানীৰে নহয়, বয়স খোজা বছৰৰে নহয়। সঁচাকৈ বন্ধু অবিহনে টাত শুণ্যতা অনুভৱ কৰো। আমাৰ মনৰ কিছুমান নিজস্ব কথা থাকে; যিবোৰ কে ক'ব পৰা নাযায়, কিন্তু কাৰোবাক ও মনতো গধুৰ হৈ থাকে; তেনে পৰিস্থিতিত ন এজন সঁচা বন্ধুৰ। বহুত লোকে বিচৰা ন্ধৱী নাপাই দুখ প্ৰকাশ কৰে। কিন্তু বন্ধু যে সমনীয়া হ'বই লাগিব তাত কোনো ধৰা বন্ধা নিয়ম নাই। আমাৰ পিতৃ-মাতৃকো নিজৰ বন্ধুৰূপে গ্ৰহণ কৰিব পাৰো। পিতৃ-মাতৃক বন্ধুৰূপে জ্ঞান কৰিব পাৰিলে আমাৰ বাবে মঙ্গলজনক। কিয়নো বিশ্বাসৰ এই যুগুত পিতৃ-মাতহে আমাৰ সকলো সময়ৰে শুভাকাঙ্খী। বন্ধুত্বৰ এনাজৰীডাল হ'ল বিশ্বসৰ প্ৰতিশ্ৰুতিৰ। এজন বন্ধু এডোখৰ হীৰাৰ দৰে মূল্যবান। বিশ্বাস অবিহনে বন্ধুত্বৰ ৰং সলনি হৈ গ'লেও; ই সদায় এক সুন্দৰ অনুভূতি হৈ ৰয়। বন্ধুত্বই জীয়াই থাকিবলৈ শিকায় আৰু শিকায় আনক জীয়াই থকাৰ প্ৰেৰণা দিবলৈ।

# কেইখনমান দেশৰ স্বাধীনতাৰ সময়

সংগ্ৰাহক ঃ শ্ৰীজোনালী ডেকা
স্নাতক প্ৰথম বৰ্ষ

ভাৰত কেতিয়া স্বাধীন হয়— ১৯৪৭ চনৰ ১৫ আগষ্টত।
পাকিস্তান কেতিয়া স্বাধীন হয়— ১৯৪৭ চনৰ ১৪ আগষ্টত।
শ্ৰীলংকা কেতিয়া স্বাধীন হয়— ১৯৪৮ চনৰ ৪ ফেব্ৰুৱাৰীত।
চীনদেশ কেতিয়া স্বাধীন হয়— ১৯১১ চনৰ ১১ অক্টোবৰত।
আমেৰিকা কেতিয়া স্বাধীন হয়— ১৭৭৬ চনৰ ৪ জুলাইত।

# যৌতুক

মহঃ
স্নাত

ৰাতিপুৱা শুই উঠি মুখ হাত ধুই চুমিয়ে পঢ়া মেজত বহি কিবা কিবি ভাবি আছে। তাইৰ আজি পঢ়িবলৈ অলপো মন যোৱা নাই। মনটো অজান ভাৱে আৱৰি ৰাখিছে। এনেকৈয়ে বহি থাকোতে দেউতাকে আগফালৰ বাৰাণ্ডাত খবৰ কাগজখন লৈ বহি আছিল। তাই গৈ দেউতাকক সুধিলে - "দেউতা মোক কিয় মাতিছা"। তেতিয়া দেউতাকে এটা হুমুনিয়াহ কাঢ়ি ক'লে এটা বৰ দুখ লগা খবৰ মাজনী। বাতৰি কাকতখন তাইৰ হাতত দি যৌতুকেই আজিৰ বোৱাৰীৰ মৃত্যুৰ কাৰণ শীৰ্ষক কথাখিনি পঢ়িবলৈ দিলে। চুমিয়ে বাতৰি কাকতখন হাতত লৈ মমী নামটো পাই আচৰিত হৈ দেউতাকক ক'লে দেউতা এয়া দেখোন মোৰ স্কুলীয়া বান্ধৱী মমীৰ মৃত্যুৰ বাতৰি। হে ভগৱান ইমান সহজ-সৰল, গুনী-জ্ঞানী নিৰিহ ছোৱালীজনীকো এনেকৈ মাৰিব পাৰেনে? ইমান নিদাৰুণ মানুহো পৃথিৱীত থাকিব পাৰে।

মমী সৰুৰে পৰা সহজ-সৰল, নম্র ছোৱালী আছিল। ঘৰৰ অৱস্থা একেবাৰে বেয়া আছিল। পিছে পঢ়া-শুনাত মমী ভাল আছিল। মমীয়ে ঘৰৰ সকলো কথা মোক কয়। মই তাইক কি আদিৰে বহুত সহায় কৰিছিলো। তেনে মমী প্ৰবেশিকা পৰীক্ষাত প্ৰথম বিভা হয়। তাইৰ পঢ়িবলৈ বহুত মন আছিল অভাৱৰ কাৰণে তাইৰ আশা পূৰণ ন দেউতাকে তাইৰ বিয়াৰ কথা ভাবিলে এটা চাই মমীক সোনকালে বিয়া দি তেওঁলোক আজৰি হ'ব পাৰে।

এনেকৈ এদিন মাক-দেউতাকৰ এজন উপযুক্ত ল'ৰাৰ লগত বিয়া অপৰিচিত ঘৰখনলৈ আহি অলপো নাছিল। তথাপি তাই গোটেই ঘৰখনৰ থাকিবলৈ যত্ন কৰিছিল। মমীৰ সহজ- ব্যৱহাৰেও তাইৰ গিৰিয়েক আৰু মোহিত কৰিব পৰা নাছিল। কাৰণ তা দিয়া যৌতুকত তেওঁলোক সন্তুষ্ট হো কিন্তু ওচৰ-চুবুৰিয়াই মমীক বহুত ভাল এনেকৈ এদিন দুদিনকৈ দিনবোৰ প ধৰিলে। মমীৰ দিন নাযায়; ৰাতি নুপুৱাই অৱস্থা হ'ল যৌতুকৰ বাবে শাহুয়েক আৰ

ৈশাই গালি শপনি পাৰি থাকে। সময়ত নিদিয়ে; প্ৰতিটো কথাতে মাৰধৰ কৰে। তাই কেনেকৈ মাক-দেউতাকক যৌতুকৰ য়। একো উপায় নাপায় ভগৱানৰ ওচৰত নিৰ্ভৰ কৰি থাকে। এদিন মমীক গিৰিয়েক াহুয়েকে ঘৰৰ ভিতৰত কেৰাচিন ঢালি জুই দিলে। তাই জুইৰ মাজত চত ফতাবলৈ । ইফালে শাহুয়েকে ইনাই বিনাই কান্দিবলৈ । কান্দোন শুনি ওচৰ-চুবুৰীয়াৰ মানুহ আহি ঘৰ ভৰি পৰিল।

মানুহবোৰে কোৰা কুই কৰিবলৈ ধৰিলে। ইহঁত শাহুয়েক আৰু গিৰিয়েকে লগ লাগি সহজ সৰল ছোৱালীজনীক পুৰি মাৰিলে। মানুহবোৰৰ কেইজন মানে পুলিচক খবৰ দিলে। লগে লগে পুলিচ আহিল। পুলিচে গিৰিয়েক আৰু শাহুয়েকক লৈ গ'ল। মমীৰ মাক-দেউতাকে খবৰটো পাই লৰি আহিল। মমীৰ মাকে মৃত দেহটোৰ ওচৰত বহি কান্দি কান্দি ক'বলৈ ধৰিলে -এই পৃথিৱীত দুখিয়া হৈ জন্ম লোৱাতকৈ নোলোৱাই ভাল। কান্দি কান্দি মমীৰ মাক তাতে ঢলি পৰিল।

# মহৎ লোকৰ বাণী

সংগ্ৰাহক ঃ শ্ৰীজোনালী ডেকা
স্নাতক প্ৰথম বৰ্ষ

কোনো বিপ্লৱেই সফল হৈ নুঠে, যদিহে তাত নাৰী সমাজে অংশগ্ৰহণ নকৰে

— মাও-চে-টুং

মিঠা মিঠা কথা ক'লেই, হাঁহি মুখীয়া হ'লেই সৎ হ'ব নোৱাৰি

— কনফুচিয়াছ

যদি আনৰ পৰা সন্মান পাব খোজা নিজেও আনক সন্মান কৰিবা

— বেঞ্জামিন ফ্ৰেংকলিন

ভাগ্যক বিশ্বাস নকৰিবা, বিশ্বাস কৰিবা তোমাৰ শক্তিক

— লক্ষ্মীনাথ বেজবৰুৱা

# এয়াই জীৱণ নেকি?

শ্রী

দেউতা আহিছে, দেউতা আহিছে ঐ তিনি বছৰীয়া পিংকুৱে মাকৰ কাষলৈ প্ৰায় দৌৰি যোৱাৰ দৰে গ'ল। তাৰ মাতত আছিল এক উত্তেজনা। ইমান দিনৰ পিছত দেউতাকক দেখিছে, ভাল লগাৰে কথা। যিমান উৎসাহেৰে মাকৰ কাষলৈ দৌৰি গৈছিল তাৰ তুলনাত পাপৰি ইয়াতকৈ অধিক পৰিমানে নিৰুৎসাহ দেখুৱাই ৰান্ধনি ঘৰৰ কামত ব্যস্ত হৈ থাকিল। কামৰ মাজতে ভাবিব ধৰিলে শেষবাৰ কেতিয়া আহিছিল পিংকুৰ দেউতাক তাৰিখ মনত নাই। কি কথাৰ পিছত ঘৰলৈ অহা নাছিল সেই ঘটনাটোহে মনত আছে। সেই দিনটোৰ প্ৰায় ডেৰমাহ মান পিছত পাপৰিৰ মাক কুম্ভ মেলালৈ গৈছে। কতা? ইমান দিনটো ঘৰতে নাছিল। সেই দিনা হঠাৎ আৰ্বিভাৱে পাপৰিৰ মনত বিশেষ একো এজন মানুহৰ লগত বিবাহ হব য'ত তাই এনেদৰে সংসাৰ চলাব লগা হ'ব। চাবলৈ গ'লে মাক আৰু স্বামীৰ বাহিৰে ঘৰখনত আন কেনো নাই। বিবাহৰ পিছত পিংকুৰ জন্মৰ ডেৰবছৰ পিছত আৰু তাৰ ডেৰ বছৰ হোৱালৈ কিবাকে কটালে স্বামীৰ গৃহত। সকলো কথাৰ

জানো ধৰ্ম নাই। ইমান স্বাস্থ্যৱান ম
এনে নিভুকা হ'ব পাৰে পাপৰিয়ে
নাছিল। বিবাহিতা ভনীয়েক দুগৰাকী
কথাতে মাকক পৰিচালনা কৰে ল
বোৱাৰীয়েকক মাজে মাজে এনে বি
কৰিব দিয়ে যিবোৰৰ কাৰণে পিছত
জগৰীয়া হয়।

এদিনৰ কথা এটা পাপৰিৰ ভা
আছে। যদিও খুৰা শহুৰেকহত পৃথ
তথাপি প্ৰায় একেটা কোম্পাউণ্ডৰ
শহুৰেকৰ মদ্যপান কৰা অভ্যাস। প্ৰায়
বুলি কলেও বঢ়াই কোৱা নহয়। কেতি
ঘৰৰ পৰা ওলাই পাপৰিৰ স্বামীৰ ঘ
হুলস্থুল পৰিবেশৰ সৃষ্টি কৰে। এনে এ
শাহুৰেকে সৰু জীয়েকক ফোন কৰি জ
লগে লগে পাপৰিক ফোন কৰিলে- প
কাম কৰা তুমি গৈ ওচৰৰ পুলিচ থা
এন্টি দিয়া। কি ক'লে সৰু বাইদেউ ম
কিয় যাম? আপুনি ভায়েকক নকয় কিয়
নাই নাই নোৱাৰে। সি এইবোৰ ক

।
আৰে কি কয় আপোনালোকে?
শুনা পাপৰি; মই যি কৈছো তাকেই কৰা
ড়াদেউ আহি এইবোৰ উৎপাত কৰিব আৰু
হ্য কৰি থাকিব নেকি?
এইখন ঘৰত মা অকলে থাকে নেকি? আমি
ী থাকো। তেনেস্থলত আপুনি অকল
।
পাপৰি এতিয়া তৰ্ক কৰাৰ সময় নহয়, মই
ছো তাকেই কৰা।
ৰু বায়েকৰ ফোনটো থৈ দিয়াৰ পিছত
পৰিৰ কাষলৈ আহি কবলৈ আৰম্ভ কৰিলে।
া তাই?
কি আচৰিত। তেওঁ মোক পুলিচ থানালৈ
ছে কিয়, আপোনাৰ ল'ৰাক নপঠায় কিয়
মটোৰ বাবে?
নাই, সি নোৱাৰিব সেয়েহে তাই তোমাক
-কিয়নো কয়, পাচঁ ফুট এঘাৰ ইঞ্চি ওখ,
দহ কেজি ওজনৰ মানুহজনে যদি নোৱাৰো
ৰিম নেকি?
শুনা পাপৰি, তৰ্ক নকৰিবা সৰু ছোৱালী যি
তাকে কৰা।
পাপৰিয়ে মাক জীয়েকৰ কথা শুনি নিজকে
যেন লাগিল। মাকক ফোনত জনালে যে
াইক ইমান দৌৰা দৌৰিকে বিবাহ দিছিল।
ক চলিব এনে মানুহৰ লগত আৰু
তকৈ আচৰিত গিৰিয়েকে একো মুখেৰে
। শাহুৱেকহঁতৰ কথামতে কাম কৰিব কলে
ৰ মাকেও। গিৰিয়েকক লগত লৈ গৈ থানাত
ত হ'ল আৰু গোটেই বাট খণ্ডৰ কোবত কি
ল গমকে নাপালে। গিৰিয়েকে মৌনতা ভংগ
লে। থানাত গৈ খুড়া শহুৰেকৰ বিষয়ে

আটাইখিনি কথা কোৱাৰ পিছত অ'চিয়ে লিখিত আকাৰত দিব কলে। এজাহৰখন লিখা শেষ হৈছে, এনেতে পাপৰিৰ ম'বাইল ফোনটো বাজি উঠিল।

- হেল্ল' কওক। বিপৰীত দিশৰ পৰা গিৰিয়েকৰ ডাঙৰ বায়েকৰ কথা ভাঁহি আহিল, এনেদৰে পাপৰি ক'ত আছা?

থানাত। এজাহাৰখন দিলো। কওকচোন কি কথা?

-শুনা সৰু ভন্টি আৰু মায়ে যিটো কথা কৈছে সেয়া কৰিব নালাগে।

কি? কি কয়হে আপোনালোকে? মোক পাগল কৰিব নেকি?

মোৰ কথা শুনা ভালদৰে। যিমানে যি নহওক কিয় তেওঁ আমাৰ একমাত্ৰ খুড়া। দেউতা ঢুকুৱাৰ পিছত তেৱেঁই আমাৰ জেষ্ঠ লোক। এতেকে ঘপহকে এনে কাম নকৰিবা। তেওঁ এটা স্বভাৱ গঢ়ি তুলিছে যেতিয়া, ইমান সহজতে সলনি কৰিব নোৱাৰে। এজেহাৰখন উঠাই লোৱা।

-বাইদেউ, আপোনালোকে যে মোক এইবোৰ কাম কৰিবলৈ কৈ থাকে, নিজৰ ভায়েকক নকয় কিয়?

নাই, নাই। সি নোৱাৰে বুলি জানো। সেয়েহে তোমাক কৈছো।

ইমান ডাঙৰ মানুহজনে নোৱাৰে আৰু মই পাৰিম? মই এইখন ঘৰলৈ বিবাহ হৈ নাহিলে আপোনালোকে কি কৰিলেহেঁতেন।

- তুমি সকলো কৰিব পাৰিবা কাৰণেহে কৈছো। এতিয়া মই যি কৈছো তাকেই কৰা। এজেহাৰখন উঠাই লৈ ঘৰলৈ যোৱা।

অ'চিক প্ৰায় কান্দি কান্দিয়ে পাপৰিয়ে গিৰিয়েকৰ ঘৰৰ সকলো কথা জনালে আৰু তাই যে সেইখন ঘৰলৈ বিবাহ হৈ আহি বিপদত পৰিছে

তাকো জনালে। অ'চিয়ে পাপৰিৰ কথাটো উপলব্ধি কৰিছিল যদিও কিছু ৰূঢ়ভাৱে কেইটামান কথা নুশুনুৱাকৈ নাথাকিল। নিজকে পাগলী পাগলী লগা অৱস্থাত কান্দি কান্দি আহি ঘৰ পালে। শাহুয়েকক একো নক'লে। ভাত নাখাই নিজৰ ৰূমত শুই থাকিল। পাপৰিৰ বিবাহিত জীৱনত এনে নানান ঘটনা ঘটিব ধৰিলে যাৰ ফলত পাপৰিয়ে গিৰিয়েকৰ ঘৰত থকাতো অসম্ভৱ দেখিলে। নিজৰ মনতে শংকা উপজিল যে কেতিয়াবা হয়তো জীৱনৰ গতিয়ে সলনি হৈ যাব নাইবা জীৱনেই নাথাকিব। গতিকে বহু ধৈৰ্য্য ধৰি পিংকুৰ ডেৰবছৰ হোৱালৈ থাকিল আৰু শেষত নিজৰ সকলো সামগ্ৰী তাতেই এৰি থৈ অফিচৰ বৰবাবুৰ জৰিয়তে অফিচৰ সন্মুখত দুটা ৰূমৰ ঘৰটো ভাড়া ল'লে। অকলশৰীয়া মাকক লগত আনি ৰাখিলে। জীৱনটো হাঁহি কান্দোনৰ মাজেৰে অতি বাহিত হ'বলৈ ধৰিলে।

ঘৰটো ভাড়া লোৱাৰ প্ৰায় দুমাহ পিছত ওলাল গিৰিয়েক। বহু সময় কথা বতৰা নাই। ইতিমধ্যে শাহুয়েকে জোঁৱাইক চাহৰ যোগান ধৰিলে। কিয় ভাড়া ঘৰলৈ আহিছে বুলি সোধাত বুলি শোধাত গিৰিয়েকে একো মুখেৰে নামাতিলে। পাপৰিয়ে বুজিলে যে তেওঁ ৰাতিটো তাতেই কটাব ল'ৰাটোৱে দেউতাকক পাই লগ নেৰা হ'ল। নিশা ভাত খোৱাৰ পিছত গিৰিয়েকে আৰম্ভ কৰিলে পাপৰি ব'লা ঘৰলৈ। মা যিহেতু অকলে থাকে মইনো মাক কেনেকৈ এৰি থাকিম এতেকে তোমালোকক নিবলৈ আহিছো। ব'লা ঘৰলৈ।

কি কৈছা? তোমালোকৰ সেইখন ঘৰলৈ? য'ত শাহুৰ কথা জীয়েকৰ লগত নিমিলে,য'ত দুই ভনীয়েকৰ কথা নিমিলে আৰু মাজত মোক সোমাই ধেমালী চাবলৈ, কিয় তেনে অৱস্থাত তোমাৰ মাত নাছিল, কিয়?

কি কৰিম? মই যে মাইতৰ নোৱাৰো। আনকি তোমাক লৈ ক'ৰে নোৱাৰো। মাইঁতে যাব কলেহে দেখিছাই।

মই সেই বিলাক একো না নুবুজো। মোক পাগল কৰিবলৈ তালৈ যদি মই যাব লাগে তেতিয়া হ'লে এটা অকলশৰীয়া ৰূপ বান্ধি দিব তোমালোকৰ ঘৰুৱা কথাত মা, বাইদে একো ক'ব নোৱাৰিব।

তোমাক অকলে ৰূপ কেনেকৈ মায়ে কি ক'ব? বাইদেউহঁতে কি ভাবি নোৱাৰিম। আমি মাৰ লগতে থকিব

যদি তুমি নোৱাৰা মইও নোৱাৰে বয়সতে পাগল হ'বৰ মন নাই। যদি নামানা তেতিয়াহলে ডিভোৰ্চ হোৱাই

ডিভোৰ্চ? নাই নাই তুমি ভাবাচোন পিংকুই তাৰ আইতাকৰ বঞ্চিত হৈছে। ইয়াত তাৰ কি দোষ? যাও।

যাম মই দিয়া কণ্ডিছনত আৰু কথাত প্ৰতিবাদ কৰিব লাগিব যে মই তে

মই, আচলতে মা বা বাইদেউহঁতে একো কব নোৱাৰো।

পাপৰিৰ এনে যুক্তিপুৰ্ণ কথাত অন্তৰ্দ্ধান হয়। এইদৰে, আনকি ফোন খবৰ নলয়। মাক কুম্ভ মেলাত যোৱা অকলে আছে ল'ৰাটোক বুকুত সাবতি। খবৰ ৰখা নাই ল'ৰাটোৰ বা আজিকালিৰ দিনতো এনে পুৰুষ আছেনে যেতিয়াই দৃঢ় কৰে ডিভোৰ্চৰ বাবে তেতি ওলায় গিৰিয়েক, কেতিয়াবা এৰাতি

ায়। মাজে মাজে মাকক গালি দিয়ে আৰু য়ে নিজৰ কপালকে ধিয়াই। ল'ৰাটোক ৰ্ক পাৰ কৰে বহুতো বিনিদ্ৰ ৰজনী। কি 'লৈ যাব? ভগবানক খাতে অন্য ঠাইত ালেও কিছু খাম কাটিব। নিজৰ চাকৰিটো । নিশ্চয় এই সংসাৰৰ পৰা চিৰবিদায় ল'ব তেন। চাকৰিটোইহে জীৱন বচাইছে। র্তমান অৱস্থাত পাপৰি দিশহাৰা। কোনদিশে যাব? গিৰিয়েকক কিমান ক'ব? এই জটিল পৰিবেশত কিমানদিন চলিব এইদৰে? পিংকু নথকাহেঁতেন হয়তো কেতিয়াবাই চিৰবিদায় ল'লেহেঁতেন। বহুদিনৰ পিছত দেউতাকৰ আগমনত পিংকুৱে যিমানেই চিঞৰি চিঞৰি মাকৰ কাষলৈ দৌৰি নাহক কিয়, কোনো প্ৰতিক্ৰিয়া নহয়। পাপৰি যেন লাহে লাহে জঠৰ হৈ যাব ধৰিছে। ভয় হয় যদি কেতিয়াবা শিলামূৰ্ত্তিলৈ ৰূপান্তৰিত হৈ পৰে।

# কুইজ

সংগ্ৰাহক ঃ শ্ৰীচুমীডেকা
প্ৰাক্তন ছাত্ৰী

১। ভাৰতৰ ক'ত হীৰাৰ খনি আছে?
— গোলককুণ্ডত।

২। পৃথিৱীৰ আয়তন কিমান?
— ৫,১৫৪ কোটি বৰ্গ কিলোমিটাৰ।

৩। পৃথিৱীৰ আটাইতকৈ ডাঙৰ ফুলবিধৰ নাম কি?
— ৰাফলেছিয়া।

৪। ৰকেট কোনে আবিষ্কাৰ কৰিছিল?
— আমেৰিকাৰ গাডাৰ্ড।

৫। কি প্ৰাণী চকুৰে শুনে।
— সাপ।

# প্ৰতিজ্ঞা

স্নাত

অমল আৰু অজয় দুয়ো নলে গলে লগা বন্ধু। অজয় আছিল দুখীয়া ঘৰৰ ল'ৰা। আনহাতে অমল আছিল ধনী ঘৰৰ ল'ৰা। প্ৰথম অৱস্থাত অজয় পঢ়াত বৰ ভাল নাছিল। এদিনাখনৰ কথা। সেইদিনা দুৰ্গা পূজাৰ সময়ত আন ল'ৰা-ছোৱালীয়ে কাপোৰ লোৱা দেখি অজয়ে দেউতাকক খাটনি ধৰাত দেউতাকে কল একাশী আৰু নাৰিকল এযোৰ লৈ বজাৰলৈ গ'ল। ঠিক সেই সময়তে এজন মানুহ আহি দাম কিমান বুলি সোধাত তেওঁ উৎফুল্লিত হৈ ক'লে যে পঞ্চাশ টকা। শান্ত পৰকৃতিৰ মানুহজনে এখন পঞ্চাশ টকীয়া নোট উলিয়াই দিলে। দেউতাকে সেইখিনি টকাৰে কাপোৰ নাপায় বুলি গম পায় কিবা কিবি খোৱা বস্তু কিনি আনিলে। দেউতাক আহি ঘৰ পোৱাত অজয়ে সুধিলে— দেউতা মোলৈ অনা নতুন চোলাটো ক'ত? এই কথাষাৰ শুনি দেউতাকে কান্দিবলৈ ধৰিলে। সামান্য কথাৰ কাৰণে দেউতাকে কন্দা দেখি তেওঁ ক'বলৈ ধৰিলে— দেউতা সাধাৰণ কথা এটাৰ কাৰণে কান্দিব নেলাগে। আজিৰ পৰা মই ভালদৰে পঢ়িম। চাকৰি কৰিলে আমি বহুতো নতুন চোলা কিনিম। অজয় এতিয়া সপ্তম শ্ৰেণীৰ ছাত্ৰ। অজয়ৰ স্থান দ্বিতীয়। লাহে লাহে অমলহঁতে দশম শ্ৰেণী পালে। HSLC পৰীক্ষা দিলে। ৰিজাল্ট ওলাল। সেই কাৰণে

অমলহঁতে ৰাতিপুৱা গা-পা ধুই বিদ্যা
শিক্ষক-শিক্ষয়িত্ৰী, মাক-দেউতাকৰ
অলেখ অযুত আশা ৰিজাল্ট আহি
অসমৰ ভিতৰত প্ৰথম আৰু অমল
অজয় আহি ঘৰত অসমৰ ভিতৰত
বুলি কোৱাত মাক-দেউতাকৰ মুখ ম
আলোকিত হৈ পৰিল। শিক্ষাগুৰু
আহি অমল আৰু অজয়ৰ খবৰ ল'
বৰ্তমান কি পঢ়িব বুলি সোধাত মেডি
বুলি ক'লে। কথাষাৰ শুনি মা
হুমুনিয়াহ কাঢ়িলে আৰু ক'বলৈ ধৰিলে
এই চাল চিঙা ভিকহুৰ তোক পঢ়া
নাই। তই নিজে কিবা কৰ। এই
হুকহুকাই কান্দিবলৈ ধৰিলে। তেতি
ক'লে 'তহঁতে এই বিষয়ে চিন্তা নকৰি
দেউতাকে মোক মেডিকেল পঢ়ুৱাব
দিছে।' কথাষাৰ শুনি মাক-দেউতাকৰ
ৰেঙণি উঠিল। অমলে আৰু অজ
দেউতাকৰ কথামতে পঢ়িবলৈ গ'ল।
চাৰি বছৰৰ মূৰত দুয়ো ডাক্টৰী পাঁচ
কৰিলে। অমল আৰু অজয়ে ঘৰ
দেউতাকৰ আগত চাকৰি পোৱাৰ খবৰ
আৰু তেওঁলোকে একেলগে গৈ চ
শান্তিৰে বাস কৰিবলৈ ধৰিলে। অজয়ে
আগত সৰুতে কৰা প্ৰতিজ্ঞা ৰাকৈয়ে

# এন্ধাৰৰ মাজত জোনাক

শ্ৰীগিতিমা ডেকা
প্ৰাক্তন ছাত্ৰী

তিপুৰা ৰাতুলৰ দেউতাক অভিজিতে যাবলৈ ওলাইছে তেতিয়া ঘৰৰ ভিতৰৰ লৰ সৰু ভনী স্নেহাই দৌৰী আহি ক ক'লে দেউতা তুমি অফিচৰ পৰা মোৰ কাৰণে এজোৰ চুৰিদাৰ আনিবা। কলে হ'ব বাৰু সময় পালে আনিম। নটো সেইদিনা আনন্দৰে ভৰি পৰিছিল। অফিচলৈ গৈ থাকোতে অফিচৰ দুৱাৰ ওঁতেই হঠাৎ কেইজনমান উগ্ৰপন্থীয়ে হত্যা কৰিলে। অভিজিতৰ মৃত দেহটো ন বয়সীয়াল মানুহে চিঞৰি দিলে লগে ফিচৰ সকলো মানুহ দৌৰি আহিল। মিলি অভিজিতৰ প্ৰাণহীন শৰীৰটো মৰ দাঁতিলৈ লৈ গ'ল। তাৰ মাজেৰে ৰ বন্ধু এজনে অভিজিতৰ ঘৰলৈ ফোন ৰাতুলৰ মাকে ফোনটো দাঙি সেইফালৰ ৰি জনালে হেল্লো। অ' মই অভিজিতৰ শে কৈছো - বাইদেউ আপোনাৰ স্বামীৰ মাৰ অফিচৰ সন্মুখত এক দুৰ্ঘটনাত মৃত্যু লৰ মাকে ফোনটো কাণত লৈ থাকোতেই লি পৰিল। ৰাতুলৰ মাকৰ অৱস্থা দেখি গৈ মাকক সাৱতি ধৰিলে। মাক আৰু ক দেখি তায়ো ওচৰলৈ আহি একো নোৱৰিলে। সিহঁত তিনিও মজিয়াত হ পৰি থাকোতে দুৱাৰ মুখত গাড়ীৰ শব্দ ড়ীৰ ভিতৰৰ পৰা অভিজিতৰ মৃত দেহটো সিহঁত তিনিও একো গম নাপালে। ৰ মৃতদেহটো শ্মশানলৈ নিয়া হ'ল। ৰমৃত্যুৰ পিছতে মাকৰো অৱস্থা বেয়া হ'ল। ঘৰৰ দায়িত্ব, ল'ৰা-ছোৱালী দুটাৰ পঢ়া-শুনা কৰি ডাঙৰ মানুহ কৰাৰ চিন্তা আদিয়ে জুমুৰি দি ধৰিলে। এদিন মাকৰ অৱস্থা একেবাৰে বেয়াৰ ফালে ঢাল খালে। মামাকহঁতে মাকক হাস্পাতাললৈ নিলে কিন্তু দুৰ্ভাগ্যক্ৰমে হাস্পাতাল নাপাওতেই মাকৰো মৃত্যু হ'ল। স্নেহা আৰু ৰাতুল অকলশৰীয়া হৈ পৰিল। সিহঁত দুয়োটা বহু কষ্টৰ মাজত ডাঙৰ হৈ আহিল। ৰাতুল কোম্পানী এটাত সোমাল আৰু তাৰে ছোৱালী এজনী বিয়া পতিলে। এইফালে স্নেহাই ঘৰত অকলে খাবলৈ নাপায়, পিন্ধিবলৈ নাপাই তাই পাগলী হৈ গ'ল। গাঁৱৰ মানুহে স্নেহাক এনে অৱস্থা দেখি গাঁৱৰ পৰা খেদি দিলে। ৰাতুলে স্নেহাৰ কথা পাহৰি গ'ল। স্নেহা ৰাস্তা ঘাটৰ কাষত পৰি থাকে। এদিন সেইফালেদি ৰাতুল আৰু তাৰ পত্নী পূজাৰ লগত আহি আছিল। ৰাস্তাৰ কাষত স্নেহাক দেখি তাৰ চকুপানী ওলাইছিল। কিন্তু তাৰ পূজাৰ আগত স্নেহাৰ কথা ক'বলৈ লাজ পালে। এজনী তিৰোতা সেইফালেদি গৈ থাকোতে স্নেহাক দেখা পালে। স্নেহা দেখাত বহুত ধুনীয়া আছিল। তেনেকুৱা এজনী কুমলীয়া ছোৱালীৰ তেনেকুৱা অৱস্থা দেখি তেওঁৰ পুতৌ উপজিল। তেওঁ স্নেহাক তাৰ পৰা লৈ গ'ল আৰু তেওঁ একমাত্ৰ পুত্ৰ ৰাজদ্বিপৰ লগত বিয়া পাতি দিলে। মৰহি যোৱা ফুলপাহ যেন বৰষুণৰ পানী পায় জীপাল হৈ উঠাৰ দৰে স্নেহাৰ মনটো পুনৰ আনন্দৰে ওপচি পৰিল। আগৰ দুখ-বেদনাবোৰ নোহোৱা হ'ল। ডুব যোৱা বেলিটোত যেন এচমকা পোহৰ পৰিছে। ○

# কষ্ট কৰিলে ফল পায়

এগৰাকী শিক্ষয়িত্ৰী আছিল। তেওঁৰ নাম আছিল অৰুণিমা। এদিন পঞ্চম শ্ৰেণীৰ ৰতন নামৰ এজন ছাত্ৰই শিক্ষয়িত্ৰী গৰাকীক সুধিলে- "কষ্ট কৰিলে ফল পায়" এই কথাষাৰৰ অৰ্থ কি বাইদেউ? শিক্ষয়িত্ৰী গৰাকীয়ে অলপ সময় চিন্তা কৰি এই প্ৰসংগত এটা কাহিনী ক'ম বুলি ক'লে। তেওঁ আৰম্ভ কৰিলে এজনী ছোৱালী আছিল। তাই সৰু থাকোতেই দেউতাক ঢুকাল। তাইৰ মাকে দিন হাজিৰা কৰি আনৰ ঘৰৰ পৰা ফটা কাপোৰ খুজি আনি কেঁথা চিলাই বেচিছিল আৰু তেনেদৰে পেট প্ৰৱৰ্তাইছিল। মাজে মাজে মাকে কাপোৰ চিলাই থাকোতে ভাগৰি টোপনি যোৱা দেখি তাইৰ চকুপানী ওলাইছিল। তেতিয়া তাইৰ দুখ লাগে আৰু ভাৱে যে তাই ভালকৈ পঢ়ি-শুণি চাকৰি কৰি মাকক সুখেৰে ৰাখিব। সেই মতে তাই কষ্ট কৰি হাইস্কুল শিক্ষাৰ পৰীক্ষা আৰু উচ্চ মাধ্যমিক পৰীক্ষ... উত্তীৰ্ণ হয়। আনহাতে টেট পৰীক্ষা দি... আৰু যথা সময়ত শিক্ষয়িত্ৰী হয়। ... মাকক আনৰ ঘৰত কাম কৰিবলৈ নিদি... বুজি পালানে বুলি শিক্ষয়িত্ৰী গৰাকী... শেষ কৰিলে আৰু সুধিলে। তেতিয়া ... ছাত্ৰই সুধিলে - বাইদেউ সেই ছোৱালী... আছিল? শিক্ষয়িত্ৰী গৰাকীয়ে শ্ৰেণীকো... কান্দিবলৈ ধৰিলে আৰু ছাত্ৰজনে কথা... ভুল কৰিলে নেকি বুলি শিক্ষয়ত্ৰী গৰা... লগে লগে তেওঁ ভুল হোৱা নাই বু... ছোৱালীজনী যে তেৱেঁই সেই কথা ক... ছাত্ৰ-ছাত্ৰী অবাক হ'ল আৰু চকুপানী টু... বেল পৰাত শিক্ষয়িত্ৰী গৰাকী শ্ৰেণীৰ... গ'ল। ○

## কৌতুক

শিক্ষক - ৰমেন, তই স্কুললৈ সদায় কিয় দেৰিকৈ আহ। তোৰ পঢ়িবৰ ম...
ৰমেন - আছে, ছাৰ। কিন্তু মই সদায় স্কুললৈ অহাৰ সময়ত ছাইন ব'ৰ্ড এ... থাকে আগত স্কুল আছে। লাহে লাহে যাব।

শিক্ষক - কণী কিয় সিজাই খাব লাগে?
অনিভা - কাৰণ, কণী সিজাই নাখালে পেটত পোৱালি হোৱাৰ ভয় থাকে...

# ়চাৰিলে সকলোবোৰ পোৱাহেঁতেন দুখ জানো থাকিলহেঁতেন জীৱনত?

মনোজ ডেকা
স্নাতক তৃতীয় বৰ্ষ

চাৰিলেই যদি আমি সকলোবোৰ
তেন আমি কেতিয়াও দুখ
হঁতেন। কিন্তু আমি বিচৰা সকলোবোৰ
াও কিয়? কিছুমান পালেও কিছুমান
ইয়াৰ দুটা কাৰণ হ'ব পাৰে। প্ৰথমতে,
চৰা বস্তুটো আমাৰ কঁপালত নাই।
, আমি পৰম ঈশ্বৰক সন্তুষ্ট কৰিব পৰা
মি সকলোৱে এটা কথা জানো যে আমাক
া কৰাৰ কাৰণে এজন সৃষ্টিকৰ্তা আছে।
ম ঈশ্বৰ আছে। আমি ভাল কাম কৰিলে
মাৰ প্ৰতি সন্তুষ্ট হয় আৰু বেয়া কাম
তেওঁৰ অন্তৰত আঘাত লাগে। উদাহৰণ
ৰাস্তা পাৰ হ'বলৈ বিচৰা অন্ধ মানুহ
যদি আমি সহায় কৰো ঈশ্বৰ আমাৰ প্ৰতি
ব। কিন্তু অন্ধ মানুহজনক যদি আমি মাৰ-
া ঈশ্বৰে আমাক বেয়া পাব। গতিকে ভাল
াৰা আমি ঈশ্বৰৰ প্ৰিয় হ'ব পাৰো।

কিন্তু আমি বেয়া কামবোৰ কৰি ফুৰো
য়াৰ একমাত্ৰ কাৰণ হ'ল আমি ৰিপুবোৰক
ৰিব নোৱাৰো। আমাৰ দেহৰ ভিতৰত ৬টা
াকে। সেইকেইটা হ'ল— কাম, ক্ৰোধ,
মোহ, মদ, মাৎসৰ্য্য। এই ৰিপু কেইটাই আমাক বেয়া কামৰ কাৰণে আমন্ত্ৰণ কৰি থাকে। এই ৰিপুই যেতিয়া আমাক আক্ৰমণ কৰে তেতিয়া আমি মনক দমন কৰিব নোৱাৰো আৰু বেয়া কাম কৰিবলৈ ঢাপলি মেলো। এতিয়া প্ৰশ্ন হ'ল— আমি ৰিপুবোৰক দমন কৰো কেনেকৈ? এই ৰিপুবোৰক দমন কৰিবলৈ হ'লে আমি ঈশ্বৰৰ প্ৰতি আসক্ত হ'বই লাগিব। কিছুমান নীতি-নিয়ম পালন কৰি আমি জীৱন নিৰ্বাহ কৰিব লাগিব। পুৱা-গধূলি গা ধুই আহি নিজ নিজ উপাস্য দেৱতাৰ ওচৰত কমেও এডাল হ'লেও ধূপ জলোৱাৰ অভ্যাস আমাৰ থাকিব লাগে। প্ৰত্যেক মানুহেই নিজ নিজ–ধৰ্মৰ ধৰ্মগ্ৰন্থ সমূহ সপ্তাহত এদিন হ'লেও পঢ়া বা শুনাৰ অভ্যাস কৰিব লাগে। সমাজত এটা ভুল ধাৰণা আছে যে মানুহৰ জীৱনৰ বুঢ়া কালটোহে ধৰ্ম কৰাৰ সময়। তেনে ধাৰণা কেতিয়াও শুদ্ধ হ'ব নোৱাৰে। কাৰণ ঈশ্বৰৰ আশীৰ্বাদ অবিহনে আমি কোনেও আগবাঢ়ি যাব নোৱাৰো। গতিকে ডাঙৰ-সৰু সকলোৱে ঈশ্বৰ চিন্তাৰ জৰিয়তে ৰিপুবোৰক দমন কৰি ভাল কামৰ স্পৃহা মনত জগাই তোলা উচিত। ভাল কামৰ দ্বাৰা ঈশ্বৰক সন্তুষ্ট কৰিব পাৰিলে আমি বিচাৰিলেই সকলোবোৰ নাপালেও দুখ নোহোৱাকৈ জীয়াই থাকিব পাৰিম। ○

# PROF. A. P. J. ABDUL KALA

M
T.D

Abdul Kalam was born in a middle class Tamil Family in Rameswaram. His father was Jainulabdeen and mother was as Hiamma. Through his father had not much formal education, he had great innate knowledge and was generous. His mother was hospitable. Kalam was a short boy without remarkable signs of his parents who were hansome. They lived in an in hented pucca house in the Mosque street.

Kalam was eight years old when the second world war brock out. There was a sudden in crease in demand for tamarind seeds. He collected them and sold in the market and earned good money. His cousin Samsuddin was a Newspaper agent. The bundles of Newspaper were theoun out from running train. He was in need of a helper. Kalam came forward and earned his first wages in life.

Children inherit some traits. Kalam inhented honesty and self-discipline from his father and faith in goodness and kindness from his mother. He had there close friends Ramananda Shastry, Arabindan and sivaprakashan. They were from Brahmins.

Their family managed t special plarfrom for carrying id range Shri Rama Kalyanam eve new teacher came to the school was in class-v. He saw kalam si Hindu Brahmin's son. He c tolearate and sent kalam to the ba Ramananda Shastry wept and t lasting effect in Kalam's mind.

After school they went h told the paraents the incident. L Shastry could the teacher and ster him not to do such things further communal poison and beg apo what he had done. Finally the aegretted. Kalam's science Sivasubramania tried his his lest the barriers. His wife was conserva he wanted kalam to be equal to th educated people of cities.

One day kalam's science invited him to take his meal. His wi not even imagine that a Muslim c

ure kitchen. She refused to serve But Subramania himself served and ing beside him. Again he invited Kalam was worried but his teacher at they had to confront with such ns if they liked to change the . That time Subramania's wife kalam with her own hands.

At the end of the second would war was going to achive 1. Gandhiji declared that Indin's will make their own India. A madness of optisum overflowed throughout the country. Kalam sought his father's permission to go to Ramanathpuram for higher study. He happily allowed and told his hesitant wife that they were not her children through they come through her. She might love them but could not give them her thoughts. They had their own thought. The name of kalam's outo biography is 'The wings of Fire'

# কুইজ

সংগ্ৰাহক ঃ মহঃ মইনুল হক
স্নাতক ৩য় বৰ্ষ

প্ৰথম এছিয়ান গেমচ ক'ত অনুষ্ঠিত হয়?
— ১৯৫২ চনত নতুন দিল্লীত।

আধুনিক অলিম্পিক খেলৰ আৰম্ভ কেতিয়া হয়?
— ১৯১৬ চনত।

ভাৰতে প্ৰথম কেতিয়া অলিম্পিকত যোগ দিয়ে?
—১৯২৪ চনত, পেৰিছ অলিম্পিকত।

উৰিব পৰা ভেকুঁলীটোৰ নাম কি?
— ৰাকুছ ফুৰচ।

গোটেই বিশ্বত কেইটা ভাষা কোৱা হয়।
— ২৭৯২ টা।

বিশ্বৰ সকলোতকৈ ওখ পুৰুষ জনৰ নাম কি?
— পাকিস্তানৰ আলমচন্না ৮ ফুট ইঞ্চি ওখ।

# সেউজীয়া বননিৰ অসমী আই

প্ৰদীপ ডেকা
স্নাতক ১ম বৰ্ষ

সেউজীয়া বননিৰ অসমী আই।
অতীতৰ অসম এতিয়া আৰু নাই।।
আছে মাথো অসমৰ কংকাল পৰি।
অসম প্ৰেমিক প্ৰায় গ'লগৈ মৰি।।
যিও দুই এজন আছে বীৰ।
ওলাই আহিবলৈ খোজ কাঢ়ে ধীৰ।।
সোণালীও নহয় ৰূপালীও নহয়।
অতীতৰ অসম এতিয়া নহয়।।
অসমৰ অসমীয়া নোহোৱাই হ'ল।
কেউপিনে মাথো বিদেশী হ'ল।।
বৰদৈচিলাহে বিদেশী আহিল।
গোটেই অসমখন বেৰি ধৰিল।।
হঠাৎ আহি বিদেশী লোক।
অসমৰ অসমীয়া হ'ল
মামা, পেহী, খুড়া, আই বুলি
কণ্ঠত মলিন সুৰ সানি
আত্মীয় স্বজন হ'ল।
বিদেশীৰ মিঠা মাত শুনি শুনি
অসমৰ অসমীয়া গৈছে ভোল।
সুযোগ বুজি মাজে সময়ে সিহঁতে
অসমীয়াৰ পিঠিত মাৰে ঢোল। আকৌ
চোৱাচোন অসমীয়া দুৰ্ভগীয়া ভাই
চকু মেলি ভালকৈ চোৱা
পশ্চিম দেশীয়া বা বোৰ বলি।
অসমীয়াৰ গাত লাগিল ধূলি-বালি।।
অসমীয়া ভাষা-সংস্কৃতি ক'ত যে কি হ'ল।
পশ্চিম দেশীয়া বা লাগি উৰি গুচি গ'ল।। ○

# এৰি অহা আ

উজ্জ্
স্না

এৰি অহা আবেলিটোৱে পলে পলে ম
কৃষ্ণচূড়া গছজোপাৰ তলৰ মুহূৰ্ত্তটো,
কেৱল তুমি আৰু মই
মোৰ দেহ-মন চুই যোৱা অনুভূতিবো
মোৰ চৌপাশে উজলি উঠিছিল প্ৰেম
তোমাৰ কণ্ঠত আছিল এক ঐশ্বৰিক
য'ত বিচাৰি পাইছিলো মধুময় মোৰ
সূৰ্যৰ হেঙুলীয়া আভাৰ দৰে এক বি
আশাৰ সঞ্চাৰ।
মোৰ মন উৰি যাব খোজে বহুদূৰলৈ
শৰতৰ আগমন দেখি আনন্দত উত্ৰাৱল হৈ
শাৰদীয় নিশাৰ আৱৰণ ফালি ওলাই
জোনাকৰ পোহৰে চাৰিওফালে উজ্বলা
মোৰ চৌপাশে উজ্বলি উঠিছিল প্ৰেমৰ
শেৱালীজোপাৰ সুৱাসে চাৰিওফালে আমোলমো
জোনাকী পৰুৱা জাক ওলাই আহিছিল
আন্ধাৰৰ স'তে,
সন্ধিয়াৰ আন্ধাৰত প্ৰকৃতিৰ মন মোহনীয়া
পাতখোৱা পোকটোৱে আহি শেৱালিজো
লঠঙা কৰিছিল।
মোৰ কল্পনাৰ পাখি এখন এখনকৈ খহি
প্ৰলয়ংকৰ বানে নিমিষতে প্লাৱিত কৰিছি
শেৱালীৰ সুৱাস হেৰুৱাৰ দৰে
আজি মোৰ অসহায় হৃদয়ে কান্দে। ○

## ...সপোনৰ শেষ স্মৃতি

স্নেহা বৰুৱা
স্নাতক ২য় বৰ্ষ

...তা তুমি আজি পাহৰি পেলাইছা
...বা পাহৰিব বিচাৰিছা
...তোমালৈ কৰা অপেক্ষাৰ দিনৰ কথা
...তা পাহৰি গৈছা আমাৰ হাঁহি ধেমালিৰ কথা।
... আজিও মনত আছে সেই
...১ চনৰ নৱাগত আদৰণি সভাৰ দিনটোৰ কথা।
...দিনা তোমাৰ মুখখন দেখিবলৈ কেনে
...ছিল জানা...
...য়া আঘোণৰ পূৰ্ণিমাৰ নিশা জোনৰ পোহৰ
...জীয়া ধাননিত পৰে আৰু নিয়ৰৰ কণাবোৰ
...ৰ পোহৰত উজ্বলি উঠাৰ দৰে
... সেই অপৰূপ সৌন্দৰ্য
...াৰ মুখমণ্ডলত দেখা পাইছিলো।
... দিনটো আছিল মোৰ
...াক দেখাৰ প্ৰথম দিন।
...াৰ ভাষাত ভাষা মিলাবলৈ
... তোমাৰ সুৰত সুৰ ধৰিবলৈ
...হেঁপাহেৰে চেষ্টা কৰিছিলো কিন্তু
...নিজক পাহৰি গৈছিলো
...যে এগৰাকী সাধাৰণ নাৰী
... মোৰ সপোন ৰচাৰ হেঁপাহ আছে;
...া এয়াই সপোনৰ শেষ...
... শেষ... স্মৃতি ○

## ড° ভূপেন হাজৰিকা

ৰেছমা বেগম
স্নাতক ২য় বৰ্ষ

বিশ্ববাসীৰ মনৰ দিগন্তত তুমি ভোটাতৰা
নদী, গছ-লতিকা, পাহাৰ সকলোতে মাথো তুমি
গীতৰ ঝংকাৰেৰে বিকশিত কৰিছা আমাক
জগতত তোমাৰে জ্যোতিৰেই আমিও জ্যোতিষ্মান।
হে শ্ৰদ্ধাৰ ড° ভূপেন হাজৰিকা।
হে ভূপেনদা,
তুমি কি কৰা নাই...
সংগীত, নাট, সাহিত্য, চিনেমা
সকলোতে তুমি মহান।
গীতৰ সভাত তুমি মালা গাথি,
জাতি-ধৰ্ম-বৰ্ণ-নিৰ্বিশেষ লুইতপৰীয়া আমি
তোমাৰ দৈহিক বিদায়ে আমাক আকৌ এক কৰিলে
তুমি সদায় চিৰপ্ৰবাহ মান হৈ থাকা
আমাৰ শোণিতৰ মাজত
এয়াই আমাৰ কামনা। ○

# নিষ্ঠুৰ দিন

দেৱজিৎ নাথ
স্নাতক ৩য় বৰ্ষ

সুখৰ পৃথিৱীখন
পৰিণত হ'ল নিষ্ঠুৰ দিনত।
পীড়িত হ'ল
জোনাকৰ শিখা,
সুৰুযৰ শিখা।
ফুলৰ সুবাস,
আশা দিগন্ত ভালপোৱা
আৰু যে কোমল হৃদয়।
ইয়াত
'হিংসাৰ অৰ্থ জয়'
আৰু'অহিংসাৰ পৰাজয়'
পৃথিৱীৰ অভিধানত
লুপ্ত হ'ল একতা চিৰদিনলৈ
কেতিয়া কোনে যে হেৰায়
জীৱনৰ চন্দ্ৰমা?
সেয়েহে প্ৰতি ঋতুতে
কবি সকলে পাতে
বিষাদৰ দিৱস
আৰু আটায়ে একেস্বৰে গায়
শান্তিৰ আস্বাদ নুমাই আনা,
প্ৰভু শান্তিৰ আস্বাদ...। ○

# জীৱনৰ ছন্দ

সংগীতা বৰুৱা
স্নাতক ২য় বৰ্ষ

অকলে নিজানত বহি মই ৰচো
জীৱনৰ ছন্দ
অক্লান্ত দেহত নৈৰ মৃদু পবনে
দি যায় এক আস্থা আৰু
মাতি যায় আকুল সুৰত
ভাৱত বিভোৰ মন বাজি উঠে এপাক
হৃদয়ৰ জয়গান।
সীমান্তত উৰি থকা বগা বগলী জাকে
উৰি উৰি দিগন্তত হেৰাই যায়
দি যায় মনত এক উৎসাহ প্ৰেমৰ উদ্দীপনা
সাতো ৰঙী মনত অলেখ কল্পনা।
সুন্দৰী বসুন্ধৰাৰ বুকুত নানা বীজ সিচি
প্ৰাকৃতিক সজীৱতা বঢ়াই যাওঁ আগুৱাই
জীৱনৰ ছন্দ বিচাৰি
হৃদয়ৰ জয়গান গাই... ○

# অবিস্মৰণীয়

উৎপল কাকতি
স্নাতক ২য় বৰ্ষ

মোৰ হিয়াৰ সাগৰত
বুকুজুৰি আছে বৈ,
আকাশী গংগা স্বৰূপ
তোমাৰ ফটোখন।
কাঁইট বিহীন নিভাঁজ বুকুত
সোণাৰু ফুলৰ দৰে,
আছে তোমাৰ কথাবোৰ
বিশ্বাসৰ বগা কঁপালখনত।
এতিয়াও হৃদয়ত থোৱা আছে সাঁচি
আবেলি ৰঙা সুৰুযৰ দৰে।
এতিয়াও
আছে নিসংগতাৰ সংগী হিচাপে,
তোমাৰ ফটোখন। O

# চেনাই

হেলেনা দাস
স্নাতক ১ম বৰ্ষ

সুখৰ কালত আহিবা চেনাই,
মুখত মিচিকিয়া হাঁহি।
দুখৰ কালত আহিবা চেনাই,
যেন হৈ গোলাপৰ পাহি।
অকলশৰীয়া জীৱন কটাই
আছো এই ঠাইত বহি
আহিবা আহিবা বুলি,
নাহিবা নে বাৰু তুমি,
আৰু কত দিন কটাম এইদৰে
উৰুঙা মনটি লৈ
ভাবোতে চিন্তোতে মন দহিছে
নাহিলা যে উৰি ঐ।
তিল তিলকৈ দহিছে
প্ৰাণ মোৰ
তোমাৰ ঐ ভাৱনাত
আৰুনো কিমান ঠেহ পাতা
মৰিলো যে মই যাতনাত। O

# প্ৰিয়জনৰ স'তে

নন্দিতা ডেকা (জোন)
স্নাতক ১ম বৰ্ষ

সপোনবোৰ শেষ হয়,
শেষ হয় সকলো উৎসৱ
আৰু সাঁচি থোৱা অজস্ৰ সম্পত্তি।
লাহে লাহে ম্লান পৰে
সকলো গৌৰৱ
পুৰণি দিনবোৰ বিচাৰি ফুৰাৰ ব্যাকুলতা
সকলো সলনি হয়,
হেৰাই যায়,
কেৱল শেষ নহয়
প্ৰিয় জনৰ স'তে বান্ধি থোৱা
বুকুৰ সম্পৰ্ক। O

# কি এই যৌৱন

মঃ ৰিয়াজুদ্দিন আহমেদ
T.D.C. 3rd Year

বুকুত কঢ়িয়াব পৰা একোটা ঠিকনা
যাৰ নাম প্ৰেম ভাল পোৱা।
উচ্চ কণ্ঠৰে কব নোৱাৰা কি এই যন্ত্ৰনা,
বসন্তৰ পৰশ লাগি চঞ্চল হয়
যৌৱনৰ পূৰ্নতা,
জীপাল পাই উঠে সংগোপনে কামনা
কেতিয়াবা হঠাৎ হেৰাই যায় আচল ঠিকনা।
এনেকৈয়ে আহে নেকি যৌৱনৰ বাসনা,
কেতিয়াবা হয়তু নিৰ্জণ ৰাতি
দুখবোৰে কথা পাতে আত্মাৰ সৈতে,
প্ৰশ্ন কৰে?
ভালপোৱাৰ বেদনা সীমা ক'ত
কিমান দুখ পালে ধৈৰ্য্যৰ
বান্ধ খোল খাই
দুচকুৰে চাই থাকোকেই
শেষ হয় যায় সপোনৰ ৰং
হেৰায় যায় আচল ঠিকনা
মাথো ৰৈ যায় নিৰ্জনতা
কেতিয়াবা ভাৱ হয় নিঃগতা
কি এই দুদিনীয়া যৌৱন
নিঃশব্দে শেষ হয় যৌৱনৰ ধুমুহা।। ○

# বিৰহৰ বেলাত

হেলেনা বেগম
স্নাতক ৩য় বৰ্ষ

বাৰিষাৰ আগমনি বৰষুণ আজি
'মা'ৰ সকিয়নি নিতিতিবলৈ
উন্মাদ মন মোৰ, কিবা এক
নুবুজা বেদনা,
মুকলি আকাশ আৰু বৰষুণত মই
দুচকুৰে বৈছে বিৰহৰ বন্যা।
তোমাৰ বিদায় বাৰ্তা
মোৰ জীৱনৰ পৰা...
বৰষুণ মোৰ ভাল লাগে
বহুদিনৰ প্ৰতীক্ষাৰ অন্তত
আজি বাৰিষাৰ প্ৰথম বৰষুণ।
হৃদয়ৰ বেদনা ধুৱাবলৈ
মই তিতি ৰৈছো... অকলে অকলে...
তুমি আৰু কাহানিও নাহিবা
মোৰ জীৱনত ৰং সানিবলৈ
নিস্তেজ হৈ যাওঁক মোৰ দেহ-মন
ম্লান পৰি ৰওঁক জীৱন।
তুমি উভতি নাহিবা
মাথো আগুৱাই যোৱা নতুন দিশে
আৰু চকুলো নোটুকো কোনোদিনে
তোমাৰ বাবে, তুমি সুখী হোৱা
আৰু মোক হেৰাই যাবলৈ দিয়া
এসাগৰ বেদনাৰ কোবাল সোঁতত... ○

# বালিঘৰ

ৰেকিবুদ্দিন আহমেদ
স্নাতক ৩য় বৰ্ষ

ব্যৰ্থ এই জীৱন,
অৰ্থ শূন্য এই কৰ্ম,
যেই ফালে চাওঁ
'শূন্য মাথো শূন্য'।
সাজিছো বালিঘৰ
কিহৰ আশাত, কাৰ মায়াত?
এই গৰাখহনীয়াৰ মাজত
ধুমুহা আহে হিলদল ভাঙি
কৰি যায় চুৰমাৰ এই বালিঘৰ।
মনৰ আশা মনতে উচন,
দুদিনৰ বালিঘৰ,
কোন কাৰ আপোন পৰ
চিনাকী মাথো দুদিনৰ
এই মায়াময় জগতৰ।
যাত্ৰী যে আমি একেটি বাটৰ
ভ্ৰমি আছো মাথো দুদিনৰ বাবে।
কিয় বাৰু কৰিছো আপোন পৰ
যাত্ৰী যে আমি দুদিনৰ।
খেলিছো, ফুৰিছো, সাজিছো বালিঘৰ
একেখন নদীৰ পাৰত
একেখন নাৱৰে যাত্ৰী আমি
ৰৈছো একেটি ঘাটত। ○

# পম্পিয়াৰ আগ্নেয় গিৰি

দীপজ্যোতি দাস
স্নাতক ১ম বৰ্ষ

কবিতা কবিতা লগা
মনৰ ভাঁজত,
দেহৰ বিচ্ছেদিত
সুকোমল ছবি।
যৌৱনৰ ধুমুহাত উৰি অহা,
নাকত লাগে আহি
আউলি-বাউলি চুলিটাৰি।
প্ৰচ্ছায়া বিহীন কাগজৰ পাতত
অনুভূতিৰ খলকনি
বৈ যায় মলয়া,
দেহ মন উলাসিত কৰি
হৃদয়ৰ উত্তাপেৰে
জুখিব খোজা
লালায়িত দেহভংগী।
উষ্ণ শীতল পৰশেৰে
চুমা আঁকিব খোজে
পৰ্বত সদৃশ কঁপালত
প্ৰশান্তৰ নিৰিবিলি ছাঁ
জ্বলিছে পম্পিয়াৰ আগ্নেয়গিৰি। ○

# বলিয়া বতাহ

মিছ নুৰিমা বেগম
স্নাতক ৩য় বৰ্ষ

আলোকিত ৰমক জমক অন্তৰত
একোটা মানসিক স্থিতি
সভ্যতা সংস্কৃতিৰ
এটি অনুভূতিৰ চমক
সু-সজ্জিত প্ৰদীপৰ মালাইহে
শৃংখল জীৱণৰ পৰিভাষাক
প্ৰকাশিত কৰে।

উষ্ণ বায়ুৰ খলকনিয়ে
গছৰ পাতেৰে মোহাৰি কৰিব খোজে বিভেদ
দেশে দেশে অনৈক্যতা অৰাজকতা
বোমা বাৰুদৰ বিস্ফোৰক ধ্বনি
লুণ্ঠন য'ত পাপ কৰ্মত আসক্ত হৈ
উত্তাপবোৰ জ্বলি উঠে অগ্নিৰ্গভা হৈ
ৰঙা সংঘাতত বলিয়া হৈ।

নিৰীহ লোকৰ প্ৰাণ নাশ
হৃদয় বিদাৰক কৰুণ বিননি
উত্তাপত হৃদপিণ্ডবোৰ
বাষ্প হৈ ধৰিত্ৰীৰ বুকুত
চিৰাল ফটা মেলিছে ভয়ংকৰ ৰূপত।

বলিয়া বতাহে হেনো
বিভৎস আত্মাৰ হৈ
ডেকা শক্তিক ধ্বংস কৰে।
বিশ্বৰ নেতাবোৰ আজি ধনৰ লোভত
ধুঁৱলি-কুঁৱলি যেন অন্ধ ধৃতৰাষ্ট্ৰ
নিশ্চিতভাৱে পাপৰ কাৰাগাৰতহে
আকৃত আৰু মন মুগ্ধ। ○

# এন্ধাৰ, মই আৰু আৱেগ

ভনিমা কলিতা
স্নাতক ২য় বৰ্ষ

এখন নিৰল পৃথিৱী...
এটা নিস্তব্ধ পৰিবেশ...
এটা নিৰ্জীৱ আত্মা...
এটা নিসংগ দেহা...
এখন উকা হৃদয়...
এটা নিষ্ঠুৰ মন...
এটা আধা পোৰা চিগাৰেট
কল্পনাত বিভোৰ হৈ লিখিছে
কিছু কথা...
এৰি অহা জীৱনটোৰ কুঁহিপাত আৰু
ঘড়ীৰ টিকটিকবোৰ।
তাৰ সেমেকা চকুত ভাঁহি আছে কাৰোবাক
এৰাৰ বেদনাবোৰ।
নিমাত উদং বুকুৰ কুল কুলনিত ফুটি উঠিছে
কিছুমান পাৰ নোহোৱা
সময় আৰু সপোন। ○

# অভাৱ

গীতিমা দাস
স্নাতক ১ম বৰ্ষ

অভাৱ, মাথোন অভাৱ
চৌদিশে কেৱল অভাৱ;
অভাৱৰ বাবেই থানবান হয়
ক'ত ৰঙীন সপোন।
কাৰোবাৰ হয়তো খাবলৈ নাই
এজনৰ আকৌ পিন্ধিবলৈ নাই।
উচ্চ শিক্ষা গ্ৰহণ কৰি
ক'ত জনে জীৱন গঢ়াৰ সপোন দেখে
হঠাতে থমকি ৰয় ছাত্ৰ জীৱন
অভাৱেই ইয়াৰ কাৰণ।
মনৰ ৰঙীন সপোন এনেকৈয়ে
চুৰমাৰ হয় এদিন
চুৰমাৰ হৈছিল মোৰো সপোন
কাৰণ এতিয়াও অভাৱেই। ○

# প্ৰকৃত মানুহ

ভবিতা কলিতা
প্ৰাক্তন ছাত্ৰী

মানুহ বুলি ক'লেই নহ'ব
মানুহ বুলি নিজকে পৰিচিত
কৰিব পাৰিব লাগিব।
ভিজা মেকুৰী হৈ থকাৰ দৰকাৰ নাই,
নিজৰ দেশৰ হ'কে, শত্ৰু-সৈন্যৰ হ'কে
যদি আগবাঢ়ি ওলাই আহিব নোৱাৰা
মানুহ বুলি ক'লেই নহ'ব,
তাৰ প্ৰমাণো দিব পাৰিব লাগিব।
আজিৰ সন্তানক যদি
প্ৰকৃত শিক্ষা দিব নোৱাৰা
তেনে মানুহ হোৱাৰ কোনো
দৰকাৰ নাই।
দুখীয়া-দৰিদ্ৰৰ প্ৰতি সহানুভুতি,
বয়োজ্যেষ্ঠ, সৰু-ডাঙৰৰ প্ৰতি,
যদি মৰম-চেনেহ, দৰদ অলপো নাই,
তেনে মানুহৰ কোনো দৰকাৰ নাই।
আমাক লাগে এনে এজন
প্ৰকৃত মানুহ যাৰ নাম!
কনকলতা, জয়মতী, মণিৰাম দেৱান,
কুশল কোঁৱৰ
আছেনে বাৰু, আজিও এনে
এজন প্ৰকৃত মানুহ?
যাক আমি বিচাৰি
পোৱা নাই। ○

# আকাশ

জুৰি ডেকা
স্নাতক ৩য় বৰ্ষ

আকাশ, তুমি মোৰ কাষলৈ কিয় নাহা?
সদায়েচোন তুমি দূৰত থাকা
আকাশ, তুমি বৰষুণ কিয় দিয়া
আমাৰ শইচবোৰ যে তল যায়
তুমিয়েতো বানপানী আনা
আমাৰ ঘৰ-দুৱাৰ উটুৱাই নিয়া।
আকাশ, কাৰ লগত থাকা তুমি
ইমান দূৰত
আকাশ, এবাৰ আহিবানে
মোৰ কাষলৈ। ○

# সপোন

নিভা কলিতা
স্নাতক ৩য় বৰ্ষ

হিয়াৰ ফুলনিত
ফুটি উঠিছিল
খৰিকাজাই,
কাৰোবাৰ আগমনত
উৎসাহিত হৈ পৰিছিল
উচ্ছল যৌৱন।
কজলা এহালি চকুৱে
মেৰিয়াই পেলাইছিল
মোৰ আশা আৰু সপোনক,
দূৰত বাজিছিল কোনোবা
উজানৰ এটি মিঠা সুৰ,
পিৰালিত ৰুণ দিয়া কপৌটিয়ে
হাঁহিছিল...
তোমাৰ দুগালত ৰক্তিম
আভাৰ কোবালত
ভালপোৱাই ঢাকি ৰখা
এখন কলিজাৰে
ব্যস্ত হৈ পৰিছিলো মই
খৰিকাজাইৰ আবদাৰত...
চকু মেলি দেখিলো...
চৌপাশে মাথোন
মৰিচীকা আৰু মৰিচীকা... ○

# প্ৰতিদান

সংগীতা ডেকা
স্নাতক ৩য় বৰ্ষ

মই যি কবিতা লিখো
সি হয়তো কবিতা নহয়
মই যেতিয়া কাৰোবাক
আপোন বুলি ভাবো
সিওঁ হয়তো আপোন নহয়।
মই যেতিয়া কাৰোবাৰ
মৰম বিচাৰো
তেতিয়া মৰম অনুপাতে পাওঁ
দুচকুৰ দুধাৰি চকুপানী
মোক লৈ ইতিকিং কৰে
মোৰ চন্দহীন কবিতাবোৰত
বিচাৰিছো হিয়া উপচাই
এবুকু প্ৰেৰণা
কিন্তু প্ৰেৰণা যে
মোৰ বাবে বৰ দুৰ্লভ।
মই যেতিয়া মৰম বিচাৰো।
সঁহাৰি বিচাৰো, তেতিয়া পাওঁ
হৃদয়ৰ সমস্ত দুখ।
সঁচা হৃদয়ৰ উপচা মৰমৰ
দুধাৰি চকুলোৰ
অবুজ বেদনা...। ○

# মোৰ সপোন

ৰেখাৰাণী ডেকা
প্ৰাক্তন ছাত্ৰী

মোৰ অতীতৰ মধুৰ সোণোৱালী
সপোনবোৰ;
কাগজৰ নাওঁ হৈ
চকুলো সাগৰত।
উটি-ভাঁহি গ'ল, ৰৈ গ'ল মাথো
তাৰ স্মৃতি;
বাগৰি গ'ল, জীৱনৰ আশা
ভৰষাবোৰ।
কোনোবা বিশাল গৰ্ভত,
বিলিন হৈ ৰ'ল;
ৰৈ গ'ল, মাথো তাৰ স্মৃতি।।
স্মৃতিৰ মৰুভূমিত মৰিচিকা;
খেদি খেদি একোকে
নাপালো মই;
পালো মাথো হতাশা
আৰু নিৰাশা।। ○

# প্ৰেতাত্মা

বৰ্ণালী ডেকা (মাইনা)
স্নাতক ২য় বৰ্ষ

অন্ধকাৰ ৰাতি কোঠাটোত মই
অকলে বহি আছিলো;
কোনোবাই যেন কাৰোৱাক মাতি আছিল
কোন... কোন সেয়া!
ইমান নিস্তব্ধতাৰ মাজত
মাততো যেন প্ৰতিধ্বনি হৈ
দুবাৰ তিনিবাৰ মোৰ কাণত লাগিছে;
মাততো মই ভালকৈ শুনিবলৈ
চেষ্টা কৰিছিলো;
কোন হ'ব পাৰে ইমান অন্ধকাৰ ৰাতি
কাকনো বিনাই আছে;
হয়তো কাৰোবাৰ মৃত আত্মাই
কাৰোবাক বিনাইছে;
কাৰ মৃত আত্মা হ'ব পাৰে
ইমান বিননীৰ মাজত
হয়তো ই আমাৰ চিনাকী প্ৰেতাত্মা। ○

# মৃত্যু

দীপ্তি ডেকা
স্নাতক ৩য় বৰ্ষ

হে মৃত্যু! কিয় অহা! পৃথিৱীৰ বুকুলৈ
কিয় আহা তুমি মানুহৰ জীৱনলৈ?
তুমি দেখা নাই নে মৰমৰ বান্ধোন
নুশুনানে জীৱনত কিমান যে দুখ,
তুমি নিবিচাৰা নেকি হাঁহি ভৰা মুখ?
মনুষ্য জীৱন যে কচুঁপাতৰ পানী।
এই কালছোৱাত হয় বহুতো হানি।
পৃথিৱীত জীৱ এপাহ ফুল স্বৰূপ।
এদিন যে মৰহিব এইটো ধুৰূপ।
মৃত্যু!! তুমিতো নিশ্চিত এই জীৱনত।
তথাপি ধৰো জনম এই সংসাৰত
পৃথিৱীত যদি কোনো জনম নধৰে
মৃত্যু আৰু কেতিয়াও আহিব নোৱাৰে। ○

# বহাগৰ নতুন পোছাক

জোনালী ডেকা (জোন)
স্নাতক ১ম বৰ্ষ

দিচাঙৰ বলিয়া বানে
পিতাইৰ কুঁহিয়াৰ ডৰা উচন কৰিলে।
বুধবৰীয়া বজাৰত ঔ-টেঙা, কচু-শাক, ঢেঁকীয়া, বগৰী বেচি
পিতায়ে নগদ বাৰকুৰি টকা পালে।
ঘামি-জামি, ফোঁপাই-জোপাই বজাৰৰ পৰা
তেওঁ দুটা চোলা আনিলে।
মোৰটো জোখৰ হ'ল, বাৰটো গাত নাখায়
দেহত লিপিট খাই ধৰে।
বৌ'টিয়ে বা'ক ক'লে মহঙা দিন হ'ব দে।
চকুৰ পানী, নাকৰ পানী একাকাৰ কৰি
জেউতীৰ বিয়ালৈ বিজুলী বেগেৰে বা'য়ে প্ৰস্থান কৰিলে।
পাহিতা বুঢ়ীৰ প্ৰচণ্ড খং। ছিঃ লাজ নাইকিয়াবোৰ।
'আদাক দেখি উঠিল গা, কেতুৰীয়ে বোলে মোকো খা'।
বিয়াঘৰ ৰজনজনাই যোৱাকৈ গোলাপীয়ে ভেঙুচালি কৰিলে।
ল'ৰাবোৰেও হাঁহিলে।
ইজনীয়ে সিজনীলৈ, সিজনীয়ে ইজনীলৈ চাই
সিহঁতজাকে ওঁঠ টিপি টিপি হাঁহিলে
জোনালী ক'লে, বুজা নহয়
এয়া বহাগ, বহাগৰ নতুন পোছাক। ○

# অসীম কল্পনা

দিপিকা ডেকা
স্নাতক ২য় বৰ্ষ

চিত্ৰকৰ,
তোমাৰ তুলিকা তুলি লোৱা
কল্পনাৰ পৃথিৱী আঁকি
প্ৰাণ দিয়া তাত
নেথাকে য'ত উচ্চ নীচ
জাতিৰ ভেদ ভাৱ।
নাৰাখিবা হিংসা দ্বেষ
নাৰাখিবা দুখ ক্লেশ,
থাকিব মাথো তাত
শান্তিৰ সমাবেশ।
থাকিব জোনাক তাত
মলয়া বলিব।
শৰতৰ প্ৰেমতে তাত
শত শুভ্ৰ শেৱালী ফুলিব
নালাগে আঁকিব তাত
শ্বহীদৰ তেজৰ চেকুঁৰা
প্ৰাণে প্ৰাণে আঁকি দিয়া
স্বদেশৰ প্ৰেমৰ সঁফুৰা।
তাত থাকক
উৎফুল্লিত পৃথিৱী,
আনন্দৰে ভৰি থাকক
গোটেই বিশ্বজুৰি। ○

# মা

লভিতা দাস
স্নাতক ৩য় বৰ্ষ

মা...
এটি মৰমৰ মাত
এটি চেনেহৰ মাত
জীৱনৰ শান্তিৰ ছায়া
আশ্ৰয়ৰ নিবিড় মায়া
এটি মিঠা দৰদী গীত।

মা...
তুমি পূজাৰ বেদীৰ
স্নিগ্ধ প্ৰদীপ
তুলনা বিহীন তোমাৰ
ৰূপ।
সাগৰ বিশাল,
আকাশ বিশাল,
তাতোকৈ বিশাল
তোমাৰ হিয়া।
শ্ৰদ্ধা ভক্তিৰ অনন্য
প্ৰতিমা
পশু-পক্ষী নৰ মানৱৰ
এটিয়ে শ্ৰেষ্ঠ শব্দ
মা... মা... মা...।। ○

# আবিয়ৈ ছোৱালীৰ বুকুত কইনা হোৱাৰ সপোন

ৰঞ্জিয়া বণিয়া
স্নাতক ১ম বৰ্ষ

দোকমোকালি ৰাতিপুৱাতে
ফেঁচাৰ উৰুলিত সাৰ পালোঁ।
সৰুতে আইতাই কোৱা শুনিছিলোঁ।
ফেঁচাৰ উৰুলিয়ে হেনো বিবাহৰ আগজাননী দিয়ে
আবিয়ৈ ছোৱালীৰ বুকুত কইনা হোৱা সপোন।
ময়ো সপোন দেখোঁ ফেঁচাৰ উৰুলিত নিজকে কইনা
সাঁজো বুলি,
মাহ-হালধিৰে নোৱাব-ধোৱাব, জাকে জাকে তিৰোতাই
উৰুলি দিব।
শিৰত সেন্দুৰ দিব, ডিঙিত গলপাতা পিন্ধব,
কাণত থুৰিয়া, হাতত সাৰু পিন্ধিম,
জোৰণত অনা পাটৰ কাপোৰেৰে শৰীৰ ঢাকিম।
কঁপালত ৰঙা সূৰ্যটো আঁকি
ওৰণিৰে মুখ ঢাকি
হোমৰ জুইক সাক্ষী কৰি
তেওঁক বৰমালা পিন্ধাম বুলি...।। ○

# মাতৃৰ কৰুণ বিননি

নয়ন গোস্বামী
স্নাতক ২য় বৰ্ষ

হে আই নকৰে এতিয়া
তোমাক আৰু শ্ৰদ্ধা
নুচুৱে তোমাৰ চৰণ
নকৰে তোমাক মৰম।
পাহৰিলে সিহঁতে তোমাক
তোমাৰ ক্ষুদ্ৰ ক্ষুদ্ৰ হেঁপাহক
মৰমৰ উমাল আঁচলখনক
নিৰাপত্তাৰ এসময়ৰ কোলাখনক।
ফুটো-নুফুটো মাতবোৰ
আজি বিৰহৰ,
এখোজ-দুখোজ খোজবোৰ
আজি দেখোন অবাটৰ।
কথা ক'ব শিকালা
অহিংসা, অন্যায়, ৰোধিবলৈ,
খোজ দিবলৈও শিকালা
জ্ঞানৰ পথেৰে বাট বুলিবলৈ।
পাছে, সকলো ওলট-পালট
পৰিবৰ্তন সময়ৰ
মাতৃৰ ক্ৰন্দন বিৰহ-বেদনাত যেন,
ধূসৰ জীৱন। ○

# বন্ধুত্ব

ৰাজা আহমেদ
স্নাতক ৩য় বৰ্ষ

জীৱনৰ বাটত বহুতো অচিনাকি
লগ পোৱা যায়
সেই অচিনাকিৰ মাজতো
গঢ়ি উঠিব পাৰে
এক নিবিড় সম্পৰ্ক
যাক কোৱা হয় বন্ধুত্ব।
বন্ধুত্ব হ'ল মৰম, বিশ্বাসৰ বান্ধোন
যাক কেতিয়াও চিঙিব নোৱাৰি।
বন্ধুত্বক অনুভৱহে কৰিব পাৰি।
ইয়াক ভাষাৰে বুজোৱা কঠিন।
বন্ধুতত নাথাকে সৰু-ডাঙৰ
নাথাকে ধনী-দুখীয়াৰ ভেদাভেদ।
বন্ধুত্ব গঢ়ি উঠাতো সহজ।
কিন্তু ইয়াক জীয়াই ৰখাটোহে কঠিন।
যিজনে বিপদৰ সময়ত
সহায়ৰ হাত আগবঢ়াব
সেই জনহে প্ৰকৃত বন্ধু। ○

# মোৰ সপোনবোৰ

ৰূপজ্যোতি গোস্বামী
স্নাতক ১ম বৰ্ষ

তুমি যে কৈছিলা
জীৱন মাথো দুদিনৰ,
সপোন বৰ মৰমৰ
বিশ্বাস এগছি জলন্ত চাকি
কিন্তু, মোৰ এতিয়া কি অনুভৱ
হয় জানা?
বাস্তৱ বৰ কঠোৰ আৰু
সময় বৰ নিষ্ঠুৰ।
তুমি যেতিয়া আছিলা
এই নৈখনৰ কোলাত বহি
অলেখ স্বপ্ন দেখিছিলোঁ।
ভাবিছিলো, মই এখন যন্ত্ৰ চালিত
জাহাজ
যাক কোনো শক্তিয়ে ডুবাব নোৱাৰে
কিন্তু আজি...
তুমি হীনতাত উপলব্ধি কৰিছো
মই এখন পালতৰা
মোৰ গুৰি বঠা একোৱেই নাই
বিশৃংখল হৈ পৰিছে জীৱন
কাক কম কোনে পতিয়াব?
নাই যে তোমাৰ ঠিকনা।
হয়তো, মোৰ মৃত্যুত অৱসান হ'ব
মোৰ হৃদয়ৰ সমস্ত
সেই ভাষা হীন শব্দবোৰ...।। O

# তোমালৈ বুলি

লিনা দাস
স্নাতক ১ম বৰ্ষ

তোমলৈ বুলি
ৰঙা নীলা কাগজত মেৰিয়াই
দিবলৈ
মই একোৱেই বিচাৰি নাপালো।
মাথো
মোৰ কোমল হিয়াত
সাঁচি ৰখা
তোমাৰে চিনাকী কথাবাৰি
যি কথা কাকো কোৱা নাই,
ভাল পাওঁ তোমাক
জীয়াই থকাৰ জোখাৰে
পঠিয়ালো তোমালৈ
জন্ম দিনৰ শুভকামনা।। O

# স্বপ্ন দুচকুত

অনামিকা দাস
স্নাতক ২য় বৰ্ষ

মই নিলিখা কবিতাৰ শব্দবোৰ,
মাথো তোমাৰ বাবেই সাঁচি ৰাখিছো।
মোৰ আঙুলিয়েও সদায় বিচাৰি ফুৰে,
তুমি ভালপোৱা ভাষাবোৰ।
তোমাৰ বাবে শৰতত শেৱালি ফুলে,
আহিনত কঁহুৱা ফুলে।
আৰু নিয়ৰৰ মুকুতা মণি সৰে,
তুমি আছা বাবেই,
শৰতৰ বৈৰাগী মেঘে সাজ সলাই।
আকাশৰ নীলাবোৰেও
সদায় তোমাকে বিচাৰে।
যেতিয়া নিৰৱতাৰ মাজত
অকলশৰীয়া ভাৱে দূৰণিলৈ চাও
পৃথিৱীৰ সমস্ত সেউজীয়াৰ মাজতে
তোমাক বিচাৰি পাওঁ। ○

# মৌ

ৰাতুল ৰাজবংশী
স্নাতক ২য় বৰ্ষ

মই যেন আজিবন উৰণিয়া মৌ
জিৰাবলৈ নাই কোনো তৰু-তৃণ
তোমাৰ নিশ্চিত প্ৰেমৰ মাদকতা
পোৱাৰ লগে লগে হয়টো মোৰ
সিৰা-উপসিৰা উতবাউল হৈ পৰিব।
তোমাৰ প্ৰেমৰ তেজৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সোমাই
মই তোমাৰ মৰমৰ কোলাত জিৰণি বিচাৰো,
তোমাৰ প্ৰেমক আশ্ৰয় কৰি ঘাট প্ৰতি ঘাটে
মোৰ হৃদয়খনক কবিতাৰ ভাষাৰে
বুজনি দিবলৈ অহোপুৰুষাৰ্থ প্ৰয়াস কৰিছো,
নিস্বাৰ্থ তোমাৰ হৃদয়ত পুলকিত হোৱা
প্ৰেমৰ সুৱাসেৰে মোৰ দুষ্ট হৃদয়ক
শান্তনাৰ ভাষাৰে বুজনি দিবানে?
তুমিটো মোৰ বাবে শৰৎ কালৰ নিশাৰ চন্দ্ৰাৱলী
মোৰ নিষ্ঠুৰ, কপতা, কুৎচিত হৃদয়খনত
তুমি পোহৰ বিলাই ঐশ্বৰ্যৰ জোৱাৰ আনিবানে?
মই আশা কৰিছো, তুমি যিদিনা মোৰ হিয়াখন পূৰ্ণ কৰিবা
মহাযোগী শিৱৰ জঁটাৰ মাজেৰে যেনেদৰে
চিৰ প্ৰবাহ মান হৈ গংগা বৈ আছে
তেনেদৰে মোৰ হিয়াৰ মাজেৰে বৈ আহিব
আনন্দৰ অশ্ৰুভৰা জল
তাৰে আশাত বন্দী মোৰ জীৱন যৌৱন।। ○

# প্ৰেমিক চৰাই

ৰুমি ডেকা
স্নাতক ৩য় বৰ্ষ

পঢ়িছানে কেতিয়াবা কাৰোবাৰ
বিধ্বস্ত প্ৰেমৰ লিখনি,
কিনো লিখা থাকে তাত
এখন ভগ্ন হৃদয়ৰ বিননি আৰু
তপত দুটোপাল চকুলো।
পাইছানে ভাষাবোৰৰ অৰ্থ
তুমি হয়তো বুজি নাপাব পাৰা, কিয় জানা?
তুমিয়ে যে ব্যৰ্থ প্ৰেমিকৰ প্ৰেয়সী জনী।
ভাঙি থৈ গ'লা কিয় বাৰু,
তাৰ জীপাল সপোন বোৰ।
যাৰ সহায়ত সি পাইছিল
জীয়াই থকাৰ সম্ভাৰ।
নুবুজিলো তাৰ সঁচা মৰমখিনি,
দেখুৱালা তুমি নিৰ্দয়তাৰ শ্ৰেষ্ঠ নিদৰ্শন।
কৰিলা অভিনয় ভুৱা প্ৰেমৰ
ভাঙি গ'ল তাৰ সেউজ সপোনবোৰ,
আৰু দি গ'লা পাহৰিব নোৱাৰা
কিছুমান স্মৃতিৰ ৰেঙণি। ○

# অনুভৱ

ৰেছমা তালুকদাৰ
স্নাতক ৩য় বৰ্ষ

বেলি ডুবু ডুবুৰ সেই মায়াবী ক্ষণত,
জালুকবাৰীৰ কৃষ্ণচূড়াৰ তলত,
তোমাক লগ পোৱাৰ কথা
আজিও মনত পৰে জানা।
হেমন্তক ঠেলি, শীতৰ পৰশ দিয়া
সেই হিম-শীতল বতাহ জাকে
আমাকো চুই যাবলৈ পাহৰি যোৱা নাছিল।
আমি যে অনুভৱ কৰিবলৈ লৈছিলো
ইজনে সিজনৰ বুকুৰ উত্তাপ
চাৰি চকুৰ মিলনেৰে যেন পঢ়িব বিচাৰিছিলো
প্ৰথম প্ৰেমৰ আদি পাঠ।
মই তোমাৰ প্ৰেমত পৰিছিলো জানা
আৰু অজানিতেই যে
তোমাৰ বুকুত সোমাই কৈছিলো,
ৰোহিত, মই তোমাক ভালপাওঁ বুলি।। ○

# প্ৰত্যাহ্বান

দীপ্তি দাস
স্নাতক ১ম বৰ্ষ

মোৰ কলিজাৰ ৰঙা তেজ,
আঁকিব নোৱাৰে তোমাৰ ছবি
মোৰ হৃদয়ৰ হেজাৰ সপোনে
চুব নোৱাৰে তোমাৰ স্বপ্নময় স্মৃতি।
মই ভবা নাছিলো সপোনৰ মাজতো যে,
সপোনবোৰ লুকাই থাকে
আশাৰ মাজতো যে আশা লুকাই থাকে
প্ৰেমৰ মাজত প্ৰেম আৰু
প্ৰতিশ্ৰুতিৰ মাজত লৈ শেষৰ ধুমুহা।
তোমাক সুৰক্ষা দিবলৈ মোৰ ক্ষমতা নাই
নাই মোৰ চৰকাৰী চাকৰি কিম্বা,
কম্পেনীৰ উচ্চ পদবী
তথাপি প্ৰেমৰ ধুমুহাত সুৰক্ষিত কৰিম
এয়াই মোৰ প্ৰত্যাহ্বান। ○

# স্তব্ধ

পম্পী দেৱী
স্নাতক ৩য় বৰ্ষ

মৰমে মৰমক যেতিয়া
প্ৰতিহত কৰে,
মৰমে বিচাৰি যায় অতীতৰ
কৰুণ স্মৃতি।
অজানিতে হৃদয়খন কঁপি উঠিল
তথাপি নিৰৱে ৰ'ল চকুলো
অমাৱস্যাৰ নিশা
মৰমক, পূৰ্ণিমাৰ অপেক্ষাত থৈ
বাস্তৱ নদীৰ পানীত ওপঙে,
অমাৱস্যাৰ সম্পূৰ্ণ জোনাক
মৰমে লুকাই ৰাখিছে
হৃদয়ে বুজাব নোৱাৰা বেদনা
সেইদিনা বুজিবা
চিৰদিনৰ বাবে বিদায়
মাগিম যিদিনা। ○

# আকাংশা

অনুপজ্যোতি ডেকা
স্নাতক ২য় বৰ্ষ

স্মৃতিৰ মণি কোঠাত
লেউ লেউৱাই থকা
বিষাক্ত এটি পোক
মুক্তিৰ অপেক্ষাত,
বাৰে বাৰে মূৰ খুণ্ডিয়াই
ভাগৰি পৰিছে
ক্লান্ত অবুজ ভাৱে
প্ৰকাশৰ আলি দোমোজাত,
বাসনাৰ সোণালী স্বপ্ন
ধুসৰ, নিৰ্বাক, স্পন্দনহীন
কথাৰ ফুলজাৰি
সিৰা-উপসিৰা কলিজাত
প্ৰবাহিত তেজৰ সোঁত
স্তব্ধ নিষ্প্ৰাণ
বৰফ স্তূপত।
স্মৃতিৰ ভড়ালত চলিছে
অবিৰাম ঘাট-প্ৰতিঘাট
আৰু সীমাহীন আৰ্তনাদ
মুক্তিৰ আকাংখাত। ○



# উপ-সভাপতিৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে দেশৰ অস্তিত্বৰ বাবে প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত শত সহস্ৰ ছহিদলৈ মোৰ সশ্ৰদ্ধ প্ৰতিপাত জনাই শ্ৰদ্ধাৰে সুঁৱৰিছো।

পাতিদৰং মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰীয়ে ইং ২০১১-২০১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ সভাপতি পদৰ বাবে নিৰ্বাচিত কৰি এই গুৰুভাৰ অৰ্পণ কৰিলে তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আমাৰ মহাবিদ্যালয়ত বহুতো অভাৱ অভিযোগ নথকা নহয়। বহুতো অভাৱ অভিযোগৰ মাজতো অধ্যক্ষ তথা শিক্ষাগুৰু সকলে ছাত্ৰ-ছাত্ৰীসকলক জ্ঞান আহৰণৰ ক্ষেত্ৰত অশেষ কষ্ট কৰি আহিছে। এইক্ষেত্ৰত আমি যদি অধ্যক্ষ তথা শিক্ষাগুৰু সকলক পাহৰি যাও তেতিয়া হ'লে আমাৰ চৰ্চা আধৰুৱা হ'ব।

মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় সহযোগ কৰা বন্ধু-বান্ধবী সকল ক্ৰমে— সংগীতা, ৰিয়াজুদ্দিন, ৰেকিব, দীপ্তি, মোবাৰক, ৰৌচন, ৰেচমা, ৰাতুল, গুনিন্দ্ৰ, ৰুমী, পৰাগ এই সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়ৰ অধ্যক্ষ তথা শিক্ষাগুৰু সকললৈ শ্ৰদ্ধা যাচি পাতিদৰং মহাবিদ্যালয়ৰ গৌৰৱ উজ্বল ভৱিষ্যৎ কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিছো আৰু কেতিয়াবা অজানিতে কৰা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

"জয় আই অসম"

জয়তু পাতিদৰং মহাবিদ্যালয়

**শ্ৰীতপন ৰাজবংশী**
উপ-সভাপতি
২০১১-১২ ছাত্ৰ একতা সভা

# সহঃ সাধাৰণ সম্পাদক প্ৰতিবেদন—



প্ৰতিবেদনৰ লিখনিৰ প্ৰাকমূহুৰ্তত মহাবিদ্যালয়খনিয়ে যি সকল ব্যক্তিৰ শ্ৰম আৰু ত্যাগৰ বিনিময়ত জীপাল হৈ উঠিছে সেইসকল মহামানৱলৈ মোৰ শ্ৰদ্ধা যাচিছোঁ, লগতে জাতীয় খুটিৰ সুৰক্ষিত কৰিবলৈ গৈ যি সকলে নিজৰ জীৱন আহুতি দিলে সেই সকললৈও মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

ইং ২০১১-১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সহঃ সাধাৰণ সম্পাদক পদত মোক বিনাপ্ৰতিদণ্ডিতাৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনিত সেৱা আগবঢ়োৱাৰ বাবে যি সুযোগ কণ দিলে তাৰবাবে ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ইং ২০১১-১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত আমি বিভিন্ন অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল। বিভাগীয় সম্পাদকৰ অনুপস্থিতিয়ে আমাৰ কৰ্ম কাৰ্যৰ মাজত কিছু ব্যাঘত জন্মাইছে। তথাপিও একতা আৰু পৰামৰ্শৰ মাজেৰে আমি সুচাৰুৰূপে দায়িত্ব পালন কৰিছিলোঁ।

সমাজ সংস্কৃতিৰ আদৰ্শৰ মূল ভেটি শিক্ষা আৰু শিক্ষাই হ'ল সমাজৰ মূল খুটি। সমাজ বিৰোধী কাৰ্যই এটা জাতি বা এখন সুস্থিৰ সমাজ গঢ়াত বাধা আৰোপ কৰে। সেয়েহে আমি একতাৰ বান্ধোনেৰে ইয়াক জীয়াই ৰখিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হব লাগিব আৰু সকলোৰে মাজত জাতি, বৰ্ণ, ধৰ্মৰ ভেদ মাথো প্ৰয়োজন ঐক্যশান্তি আৰু আদৰ্শৰ। এয়ে মোৰ অনুৰোধ পাতিদৰং মহাবিদ্যালয়ৰ বিদ্যাৰ্থীলৈও।

ইং ২০১১-১২ বৰ্ষৰ ছাত্ৰ একতা সভাই শপত গ্ৰহণ কৰাৰ পিছত ৩১ জানুৱাৰীৰ পৰা ছয় দিনীয়া কাৰ্য-ক্ৰমণিকাৰে (২০১২) মহাবিদ্যালয়ৰ খেল প্ৰতিভা সপ্তাহ অনুস্থিত কৰা হয়। লগতে বিভিন্ন উৎসৱ পাৰ্বন পালন কৰা হয় যেনে - স্বাধীনতা দিৱস, গনতন্ত্ৰ দিৱস, সৰস্বতী পূজা, মিলাদ-এ-মেহফিল, বাথৌ পূজা আৰু মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস আদি নিয়মীয়াকৈ উদ্‌যাপন কৰা হয়। ইং ১৬/০৯/২০১২ তাৰিখ শনিবাৰে নৱাগত ছাত্ৰ-ছাত্ৰী সকসক আনুস্থানিক ভাৱে স্বাগতম জনাবলৈ উলহ মালহেৰে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছিলোঁ, অনুষ্ঠানত বহু কেইগৰাকী শিল্পীয়ে গীত গাই ছাত্ৰ-ছাত্ৰীৰ মন আকৰ্ষিণ কৰে।

পাতিদৰং মহাবিদ্যালয়খনে ২৪ বছৰ অতিক্ৰম কৰিলে যদিও অভাৱ অনাতনৰ যেন অন্ত পেলাব পৰা নাই। ইয়াৰে কেইটামান মুখ্য অভাৱ মই তলত উল্লেখ কৰিলোঁ।

ক) মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ কাৰ্যালয়ৰ কোঠাৰ অভাৱ।

খ) বিশুদ্ধ খোৱা পানীৰ অভাৱ।

গ) ছাত্র-ছাত্রীৰ চাইকেল থোৱা ঠাইৰ অভাৱ।

ঘ) ছাত্র-ছাত্রীৰ উভয়েৰে জিৰণী কোঠাৰ অভাৱ।

ঙ) ছাত্র-ছাত্রীৰ উপযুক্ত শৌচাগাৰৰ অভাৱ।

চ) উপযুক্ত প্ৰস্ৰাৱগাৰৰ অভাৱ।

ছ) সভাগৃহৰ অভাৱ।

জ) প্ৰতিটো শ্ৰেণী কোঠাত বিজুলী পাঙ্খাৰ (আৰু থকা কেইখনো জৰাজীৰ্ণ অৱস্থা) অভাৱ।

কৃতজ্ঞতা স্বীকাৰ ঃ ২০১১-১২ বৰ্ষত মহাবিদ্যালয় খনৰ সহঃ সাধাৰণ সম্পাদকৰ দায়িত্ব লোৱাৰ পিছত বিভিন্ন দিশত পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰু তপন শৰ্মা, মুকুতাৰ ৰহমান, ধীৰাজ তালুকদাৰ, দুলাল শৰ্মা, ৰচিদ আলী, দীপক বড়োৰ লগতে সমূহ ছাৰ-বাইদেউলৈ মোৰ কৃতজ্ঞতা জনাইছোঁ আৰু সকলো সময়তে দিহা পৰামৰ্শ তথা সহায়-সহযোগিতা আগবঢ়োৱা বন্ধুবৰ মানব ডেকা, ডিম্বেশ্বৰ বৈশ্য, আয়ুছ, ৰেকিব, আব্দুল ৰহিম আকন্দ, দীপ্তি ডেকা, হীৰামণি বৰুৱা, মোবাৰক আলী, উদয় ভাস্কৰ, ৰাজু ডেকা, জোনালী ডেকা, ৰাতুল ৰাজবংশী, তিলক শৰ্মা, সংগীতা বৰুৱা, পৰাগ বড়া এই সকলৰ লগতে পাতিদৰং মহাবিদ্যালয়ৰ সমূহ ছাত্র-ছাত্রী তথা বন্ধু-বান্ধৱীলৈ মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল ত্ৰুটিবোৰৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় আই অসম

জয়তু পাতিদৰং মহাবিদ্যালয়

জয়তু পাতিদৰং মহাবিদ্যালয় ছাত্র একতা সভা।

শ্ৰদ্ধাৰে

মহঃ ৰিয়াজুদ্দিন আহমেদ (ৰিয়াজ)

সহঃ সাধাৰণ সম্পাদক

পাতিদৰং মহাবিদ্যালয় ছাত্র একতা সভা

ইং - ২০১১-১২



# খেল সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল মহান ব্যক্তিৰ চেষ্টা আৰু ত্যাগৰ বিনিময়ত পাতিদৰং মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিলে সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সোঁৱৰিছো লগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ইং ২০১১-১২ বৰ্ষৰ পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক খেল বিভাগৰ সম্পাদক পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়খনিত সুবিধা কণ দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীকে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ইং ২০১১-১২ বৰ্ষৰ মহাবিদ্যালয়ৰ খেল প্ৰতিভা সপ্তাহ আয়োজন কৰা হয়। প্ৰতিভা সপ্তাহত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে উলহ-মালহেৰে অংশ গ্ৰহণ কৰে আৰু যি সকল ছাত্ৰ-ছাত্ৰীয়ে খেল প্ৰতিভা সপ্তাহত অংশ গ্ৰহণ কৰিলে সেইসকল ছাত্ৰ-ছাত্ৰীলৈ মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ অনাটনৰ মাজতো খেল বিভাগৰ বিভিন্ন সামগ্ৰীৰ স্থায়ী ব্যৱস্থা কৰা হয়। যেনে- ফুটবল, ফুটকা, ভলিবল, ভলিবল নেট, ক্ৰিকেট বল, ষ্টাম, বেত, কেৰাম বোৰ্ড, ক'ক নেট, আদি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ভড়ালত মজুত হয়।

মোৰ কাৰ্যকালত বিভিন্ন দিশত উৎসাহ অনুপ্ৰেৰণা তথা সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু মহঃ ৰচিদ আলী, মুকুতাৰ ৰহমান, দুলাল, তপন শৰ্মাৰ লগতে বন্ধুবৰ মানৱ ডেকা, ডিম্বেশ্বৰ বৈশ্য, মইদুল ইছলাম, আব্দুল ৰহিম আকন্দ, ৰিকু, ৰিয়াজুদ্দিন, দীপ্তি, মৌচুমী, ছাজিনা, এই সকলৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ শুভেচ্ছা যাচিলোঁ।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল ক্ৰুতিবোৰৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় আই অসম

জয়তু পাতিদৰং মহাবিদ্যালয়

জয়তু পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা

শ্ৰদ্ধাৰে—

মহঃ আইজুদ্দিন আহমেদ (আমুছ)

খেল সম্পাদক

পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা

ইং- ২০১১-১২



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

জয় জয়তে প্ৰতিবেদনৰ আৰম্ভণিতে ভাৰত ভূমিৰ সমস্ত জীৱ সমূহৰ মংগলৰ কাৰণে মোৰ সমস্ত মস্তক ভগৱানৰ চৰণত অৰ্পণ কৰি প্ৰাৰ্থনা জনাইছো।

যিসকল মহান ব্যক্তিৰ অহোপুৰুষাৰ্থৰ ফলত সেউজীয়া পৰিবেশৰ মাজত পাতিদৰং মহাবিদ্যালয়খন জন্ম পালে সেইসকল মহান ব্যক্তিলৈ মোৰ অন্তৰিক শুভ কামনা তথা শ্ৰদ্ধা নিবেদন কৰিছো।

ইংৰাজী ২০১১-২০১২ বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক সম্পাদক পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ বাবে যি সুযোগ সুবিধা দিলে তাৰ কাৰণে মসুহ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো।

বোৱতী নদীৰ দৰে সংস্কৃতি হৈছে এটা জাতীয় জীৱনৰ গতি ধাৰা। মানুহৰ সৌন্দৰ্য্য তথা আত্মবোধৰ সৃষ্টিৰ প্ৰতিভা আৰু মানসিক উৎকৰ্ষই সংস্কৃতিৰ মূল উৎস। ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক চেতনা জগাই তুলিবলৈ আৰু গুপ্ত হৃদয়ত লুকাই থকা প্ৰতিভা ৱিকাশ কৰিবলৈ পাতিদৰং মহাবিদ্যালয়ে সময়ে সময়ে একো একোখন মঞ্চ যোগান ধৰি আহিছে।

২০১১-২০১২ বৰ্ষৰ মহাবিদ্যালয়ৰ খেল প্ৰতিভা সপ্তাহত পাতিদৰং মহাবিদ্যালয়ত বাৰে ৰহনীয়া সাংস্কৃতিক প্ৰতিযোগিতা আৰম্ভ কৰা হয়। সাংস্কৃতিক প্ৰতিযোগিতাত যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মনৰ মাজত লুকাই থকা প্ৰতিভা বিলাক প্ৰকাশ কৰিছে, সেই সকল ছাত্ৰ-ছাত্ৰীক মই আন্তৰিকতাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছো লগতে সাংস্কৃতিক প্ৰতিযোগিতাৰ কাৰ্য্যসূচী ৰূপায়ন কৰাৰ ক্ষেত্ৰত মোক সহায় কৰে পাতিদৰং মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, তপন শৰ্মা, ধীৰাজ তালকুদাৰ, দুলাল শৰ্মা, এখেতসকলক মই শ্ৰদ্ধা নিবেদিছোঁ।

নৱাগত আদৰণি সভাৰ সাংস্কৃতিক অনুষ্ঠানত অঁনাতাৰ শিল্পী ভূপেন বণিয়াদেৱে তেওঁৰ গীতৰ সুমধুৰ সুৰেৰে সাংস্কৃতিক অনুষ্ঠানত থকা সকলো ব্যক্তি তথা ছাত্ৰ-ছাত্ৰীৰ মন আকৰ্ষিত কৰে।

পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰি সাংস্কৃতিক ভড়াল টনকিয়াল কৰিব নোৱাৰিলেও ছাত্ৰ-ছাত্ৰীৰ বৰঙণিৰে এযোৰ তবলা অনা হৈছে। মহাবিদ্যালয়খনে আজি প্ৰায় ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিবলৈ সক্ষম হ'ব কিন্তু সংগীত বাদ্য যন্ত্ৰৰ অভাৱ আজিলৈকে শেষ হোৱা নাই। গতিকে মোৰ ফালৰ পৰা মহোদয়ক জনাও যে অতি সোণকালে

বাদ্য যন্ত্ৰৰ অভাৱ পূৰণ কৰি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ আৰু প্ৰেৰণাৰে আগুৱাই নিয়ে যেন।

সদৌ শেষত এই অভাজনৰ কাৰ্যকালত বিভিন্ন দিশত সহায় তথা দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰু সকলৰ লগতে বন্ধু-বান্ধৱী সকল ক্ৰমে— সংগীতা, ৰিয়াজুদ্দিন, গুণিন, আয়েবুৰ ৰহমান, এইসকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো, লগতে পাতিদৰং মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ কাৰ্য্যকালত জ্ঞাত-অজ্ঞাত ভুলৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু পাতিদৰং মহাবিদ্যালয়'

'জয় আই অসম'

শ্ৰীৰাতুল ৰাজবংশী
সাংস্কৃতিক সম্পাদক
ছাত্ৰ একতা সভা
ইং ২০১১-২০১২

# ছাত্ৰ জিৰণি কোঠাৰ বিভাগীয় সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই অসমী আইৰ স্বাৰ্থ অস্থিত্ব ৰক্ষাৰ্থে শৰাইঘাট যুদ্ধৰ সেনাপতি লাচিত বৰফুকনৰ সহযোগী যোদ্ধা বাঘ হাজৰিকা আৰু জ্ঞাত অজ্ঞত বীৰ শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা সোঁৱৰিছো আৰু যিসকল মহান ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগ আৰু প্ৰচেষ্টাত এই মহান অনুষ্ঠানটি গঢ়ি উঠিল। সেইসকল মহান ব্যক্তিলৈ কৃতজ্ঞতা জনাইছো।

মই ২০১১-২০১২ ইং চনৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক বিভাগত প্ৰতিদ্বন্দ্বিতাৰে জয়ী হওঁ। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয়ৰ প্ৰতিভা সপ্তাহ আৰম্ভ হয়। প্ৰতিভা সপ্তাহত মোৰ বিভাগত কেৰম খেল অনুষ্ঠিত কৰো আৰু বৃক্ষৰোপণ কৰো।

সৰ্বশেষত মোৰ কাৰ্যকালত হোৱা অনিচ্ছাকৃত ভুলৰ বাবে বন্ধু-বান্ধৱী, দাদা-বাইদেউ তথা চাৰ-বাইদেউৰ ওচৰত ক্ষমা বিচাৰি পাতিদৰং মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

"জয় আই অসম"
জয়তু পাতিদৰং মহাবিদ্যালয়

শ্ৰদ্ধাৰে—
**মহঃ মোবাৰক আলী**
ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক
পাতিদৰং মহাবিদ্যালয়
ছাত্ৰ একতা সভা
২০১১-২০১২ ইং চন

# ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন—



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই মহান ব্যক্তিসকললৈ মোৰ অন্তৰৰ পৰা শ্ৰদ্ধা নিবেদিছো যিসকল ব্যক্তিৰ কঠোৰ পৰিশ্ৰমৰ ফলত পাতিদৰং মহাবিদ্যালয়ৰ জন্ম হৈছে।

২০১১-১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ এই সাধাৰণ পদটোৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ এই মহান সুযোগকণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীকে মোৰ ফালৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

মানুহৰ জীৱনবোৰ নানা ঘাট প্ৰতিঘাটেৰে জৰ্জৰিত। এই ঘাট-প্ৰতিঘাটৰ মাজতে প্ৰতিজন ব্যক্তিয়ে কিছু পৰিমাণে হ'লেও অৱকাশ পায়। এই অৱকাশৰ সময়খিনি তেওঁলোকে শান্তিৰে নিয়াব বিচাৰে। ঠিক একেদৰে মহাবিদ্যালয়ৰ পাঠ গ্ৰহণৰ মাজতে ছাত্ৰ-ছাত্ৰী সকলে অলপ জিৰণি অনুভৱ কৰে কিন্তু জিৰণিৰ বাবে কোনো নিৰ্দিষ্ট কোঠা নোপোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে কিছুমানে পুথিভঁৰালত থকা আৰু আন কিছুমানক ইফালৰ পৰা সিফাললৈ অহা যোৱা কৰি থকা দেখা যায়। সেয়ে অধ্যক্ষ মহোদয়ৰ বিনম্ৰ অনুৰোধ যে মোৰ কাৰ্যকালত নহ'লেও আগলৈ মহোদয়ে এইখিনিৰ অভাৱ দূৰ কৰে যেন।

মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ দায়িত্ব লোৱাৰ পিছত মহাবিদ্যালয়ৰ খেল সপ্তাহ অনুষ্ঠিত হয়। মই মোৰ কাৰ্যকালত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে একো কৰিব নোৱাৰিলেও এই খেল সপ্তাহত মোৰ ফালৰ খেল কেইখন অনুষ্ঠিত কৰিব পাৰি মই ধন্য হৈছো আৰু যিসকল প্ৰতিযোগীয়ে খেলত অংশ গ্ৰহণ কৰিছিলে সেইসকল প্ৰতিযোগীলৈ মোৰ ফালৰ পৰা অশেষ ধন্যবাদ আগবঢ়ালো।

মোৰ কাৰ্যকালত মই কিছু হ'লেও জ্ঞান লাভ কৰিছো সেইখিনি মই এক নতুন জ্ঞান শিক্ষা হিচাপে গ্ৰহণ কৰিছো আৰু এই কাৰ্যকালত যিসকলে মোক সহায় কৰিছে সেইসকল ছাৰ-বাইদেউক কৃতজ্ঞতা জনালো তথা বন্ধ-বান্ধৱীসকললৈ হিয়া ভৰা মৰম যাচিছো।

সদৌ শেষত মোৰ কাৰ্যকালত হোৱা ভুল-ভ্ৰান্তি আৰু প্ৰতিবেদনত বৈ যোৱা ভুল-ক্ৰটিৰ বাবে ক্ষমা বিচাৰিছো আৰু পাতিদৰং মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যৎ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছো।

'জয়তু পাতিদৰং মহাবিদ্যালয়'

'জয় আই অসম'


সংগীতা বৰুৱা
ছাত্ৰী জিৰণি কোঠা
সম্পাদিকা
পাতিদৰং মহাবিদ্যালয়

# INCHARGE PRINCIPAL LIST OF PATIDARRANG COLLEGE, ESTD-1989

1. Harischandra Deka– 31-8-1989–17-4-1991
2. Gobinda Baro– 18-4-1991–17-7-1994
3. Santa Nath Sarma– 18-7-1994 –21-4-1995
4. Sarat Ch. Patowary– 22-4-1995–21-2-2001
5. Minati Devi–22-2-2001–20-9-2005
6. Giridhar Sarma–21-9-2005.

# পাতিদৰং মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদকসকল

১। শ্ৰীলংকেশ্বৰ ডেকা— ১৯৮৯-১৯৯০ বৰ্ষ।
২। শ্ৰীসবিতা দাস— ১৯৯০-১৯৯১ বৰ্ষ।
৩। শ্ৰীতৰ্জন দাস— ১৯৯১-১৯৯২ বৰ্ষ।
৪। শ্ৰীবনমালী দাস— ১৯৯২-১৯৯৩ বৰ্ষ।
৫। শ্ৰীসতেন্দ্ৰ কলিতা— ১৯৯৩-১৯৯৪ বৰ্ষ।
৬। শ্ৰীকৃষ্ণকান্ত ডেকা— ১৯৯৪-১৯৯৫ বৰ্ষ।
৭। প্ৰকাশ নহ'ল।
৮। শ্ৰীভৈৰৱ ডেকা— ১৯৯৬-১৯৯৭ বৰ্ষ।
৯। শ্ৰীকমল নাৰায়ণ বৈশ্য— ১৯৯৭-১৯৯৮ বৰ্ষ।
১০। মহঃ মোজামিল হক— ১৯৯৮-১৯৯৯ বৰ্ষ।
১১। শ্ৰীতপন চন্দ্ৰ ডেকা— ১৯৯৯-২০০০ বৰ্ষ।
১২। শ্ৰীনৱজিৎ ডেকা— ২০০০-২০০১ বৰ্ষ।
১৩। মহঃ নজৰুল ইছলাম— ২০০১-২০০২ বৰ্ষ।
১৪। শ্ৰীৰমণী শৰ্মা— ২০০২-২০০৩ বৰ্ষ।
১৫। মহঃ মোস্তাকিন হক— ২০০৩-২০০৪ বৰ্ষ।
১৬। শ্ৰীমিণ্টু কুমাৰ বেজবৰুৱা— ২০০৪-২০০৫ বৰ্ষ।
১৭। শ্ৰীহেৰম্ব শৰ্মা— ২০০৫-২০০৬ বৰ্ষ।
১৮। শ্ৰীৰাকেশ কুমাৰ ডেকা— ২০০৬-২০০৭ বৰ্ষ।
১৯। শ্ৰীঅম্বিকা প্ৰসাদ বড়ো— ২০০৭-২০০৮ বৰ্ষ।
২০। শ্ৰীভদ্ৰেশ্বৰ দাস— ২০০৮-২০০৯ বৰ্ষ।
২১। মহঃ চহিদুল ইছলাম— ২০০৯-২০১০ বৰ্ষ।
২২। শ্ৰীমানৱ ডেকা (মানস)— ২০১০-২০১১ বৰ্ষ।



মহাবিদ্যালয়ৰ এক আলোকচিত্ৰ



মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীবৃন্দৰ একাংশ



নৱাগত আদৰণি সভাৰ বিশেষ মুহূৰ্ত্ত

